REFERENCE
(Not for Issue)
ide Library

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

FIFTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. III

### NO. 4

The 26th February, 1979

सत्यमेव जयते

1986

*PRINTED AT GEETALI ART PRESS, DISPUR,*
*G. S. ROAD, GUWAHATI— 781022*

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1979

( Budget Session )

Volume— III

No— 4

Dated the 26th February, 1979.

CONTENTS.


| | | Pages |
|---|---|---|
| 1. | Questions ... ... ... ... ... | 5—46 |
| 2. | Miscellaneous ... ... ... ... ... | 46—48 |
| 3. | Calling Attention ... ... ... ... | 49—56 |
| 4. | Miscellaneos ... ... ... ... | 57—59 |
| 5. | Introduction of Govt. Bill ... ... .. ... | 59—60 |
| 6. | Debate on Governor's Address ... ... ... | 60—144 |
| 7. | Adjournment ... ... ... ... | —144 |



REFERENCE
(Not for Issue)
Reading Only Inside Library

Proceeding of the Third Session of the Assam Legislative Assembly Assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

—

The House met in the Assembly Chamber, Dispur. Gauhati on Monday, the 26th February, 1979 with the Hon. Speaker in the Chair, 10 ( ten ) Minister 3 ( three ) Ministers of State, 3 ( three ) Parliamentary Secretries and 66 ( Sixtysix ) Members present.

—

STARRED

QUESTIONS AND ANSWERS

Date : 26th February, 1979.

( To which oral answers were given )

পেণ্ডিং প্ৰশ্ন নং ১২

শ্ৰীযোগেন গগৈ :— যি বিলাক ডায়েৰী ল'ন দিয়া হৈছে সেই বিলাক

ধনী মানুহক দিয়া হৈছে নে অৰ্থনৈতিক ভাৱে দুৰ্ব্বল মানুহক দিয়া হৈছে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :— এই ঋণ কিছু ধনী মানুহৰ নামতো আছে আৰু দুখীয়া মানুহৰ নামতো আছে। লিষ্টৰ পৰা দেখা যায় যে কিছুমান প্ৰাক্তন বিধায়কৰ নামতো ল'ন দিয়া হৈছে।

শ্ৰীনগেন বৰুৱা :— যি সকল বিধায়কৰ নামত ল'ন দিয়া হৈছে নামটো জনাবনে আৰু কিমান টকা দিয়া হৈছে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :— প্ৰক্তন বিধায়ক জনৰ নাম হল হাছিমুদ্দিন আহমেদ। আৰু টকাৰ পৰিমাণ ৪০ হাজাৰ টকা।

শ্ৰীনগেন বৰুৱা :— এতিয়ালৈকে কিমান টকা পৰিশোধ কৰিলে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :— টকা পৰিশোধ কৰিবলৈ বাকী আছে।

শ্ৰীনগেন বৰুৱা :— এই বিধায়ক জনৰ পৰিবাৰৰ নামটো কিবা ল'ন এই বিভাগৰ ফালৰ পৰা দিয়া হৈছে নেকি ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :— পৰিবাৰক দিয়া কথাটো ভালকৈ নাজানো অৱশ্যে লিষ্টত কিছুমান মহিলাৰ নামো আছে।

শ্ৰীঅতুল গোস্বামী :— দুগল চাহাবৰ দিনত হাফ্ এ মিলিয়ন জব্ স্কীম হৈছিল। তাত সিদ্ধান্ত আছিল এই ল'ন বিলাকৰ কাৰণে চৰ-

কাৰ গেৰান্টি থাকিব। সেই কাৰণেই এই ল'ন বিলাক আজি-লৈকে পৰিশোধ হোৱা নাই। এইটো সচা বুলি ভাবেনে?

শ্ৰীসমৰ ব্ৰহ্ম চেধুৰী (মন্ত্ৰী)ঃ - হাফ্ এ মিলিয়ন জব্ স্কীমত ২ লাখ ৪৩ হাজাৰ ৮৪ টকা ল'ন দিয়া হৈছিল আৰু চৰকাৰ গেৰান্টিত দিয়া হৈছিল। এই ল'ন পৰিশোধ হোৱা নাই, বেঙ্কৰ ওচৰত চৰকাৰী ল'ন হিচাবে আছে।

শ্ৰীযোগেন গগৈ :— ধনী মানুহক বেছিকৈ ল'ন দিয়া হৈছিল নে তলৰ দুখীয়া মানুহক ল'ন দিয়া হৈছিল?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী)ঃ— লিষ্টখন টেবুলত ৰাখিছো, তাৰ পৰা দেখা যাব ধনী আৰু দুখীয়া দুয়ো শ্ৰেণীৰ মানুহক ল'ন দিয়া হৈছে।

মঃ ছামছুল হুদা ঃ - বিধায়কৰ নাম আছে যেতিয়া কথাটো পৰিস্কাৰ কৰি দিয়াই ভাল। নহলে ৰাইজে ভাবিব সকলো বিধায়কেই ল'ন লৈছে, আৰু আদায় কৰা নাই।

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী)ঃ— ইয়াত বিধায়ক বুলি উল্লেখ নাই। মই ব্যক্তিগত ভাবে জনাৰ কাৰণেহে কৈছো। লিষ্টখন বৰ দীঘল।

শ্ৰীচামচুল হুদা ঃ— বিধায়কৰ নাম বিলাক পঢ়ি দিয়াই ভাল।

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী)ঃ— ইয়াত বিধায়ক বুলি উল্লেখ নাই।

Shri Md. Umaruddin :— Sir, May I know when the loan was issued to Shri Hasimiddin Ahmed, before he became an MLA or after he became an MLA ?

Shri Samar Brahma Choudhury ( Minister ) :— The loan was issued in 1967-68.

Shri Md. Umaruddin :— In 1967-68 he was not an MLA. He took the loan in his individual capacity; so why the hon'ble members should say he was a Vidhayak ? He did not take the loan when he was Vidhayak.

শ্ৰীগোলক কাকতি :— এই বিধায়কজনে বিধায়ক হোৱাৰ আগতে পইচা নিছিল, বিধায়ক হোৱাৰ পিচত ঋণ পৰিশোধ কৰাও প্ৰয়োজন বোধ নকৰিলে নেকি ?

শ্ৰীঅতুল গোস্বামী :— নগাওঁৰ শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা, কনট্ৰেক্টৰক পাচ হাজাৰ টকা ল'ন দিয়া হৈছিল নেকি ?

Shri Golok Rajbanshi :— Sir, I raise a point of order, whether a Minister is entitled to answer a question not from the extract of the report supplied to him by an officer. নথীত নোহোৱা কথা উত্তৰ দিব পাৰেনেকি ?

Mr. Speaker :- There is no point of order.

Shri Fakhrul Islam :— Sir, what percentage of the loan has been recovered during the last five years, that was the point on which the question remained pending and I want an answer on that.

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰীঃ— ডায়েৰী ল'ন ১৯৭০-৭১ চনত ১ লাখ টকা দিয়া হৈছিল। তাৰে ১০ হাজাৰ ৫শ ৭৬ টকা মূলধন আৰু ১ হাজাৰ ৬শ ৫১ টকা ৬৩ পইচা সুদ আদায় কৰা হৈছিল। ১৯৭১-৭২ চনত ১ লাখ ৫০ হাজাৰ টকা ল'ন দিয়া হৈছিল। তাৰে ১ হাজাৰ ৩শ টকা মূলধন আৰু ৮ হাজাৰ টকা সুদ আদায় কৰা হৈছিল। ১৯৭২-৭৩ চনত ৯৫ লাখ টকা ঋণ দিয়া হৈছিল। তাৰে মূলধন ১৬ হাজাৰ ৫শ ৮৫ টকা আৰু সুদ ১ হাজাৰ ৪শ ৯৪ টকা আদায় কৰা হৈছে। বাকী লিষ্টখন টেবুলত ৰাখিছো।

Re: Establishment of Public Health Engineering Division at Karimganj.

Shri Nishith Ranjan Das asked :

* 19. Will the Minister, Health be pleased to state—

(a) Whether it is a fact that Government has decided to establish a Public Health Engineering Division

at Karimganj ?

(b) If so, the probable date for establishment of this Division ?

Dr. Kosheswar Bora ( Minister of State, Health ) replied :

19: (a)—No.

(b)—Does not arise.

শ্রীনিশীথ রঞ্জন দাস ঃ— মাননীয় অধ্যক্ষ মহোদয়, করিমগঞ্জে পাব্লিক হেল্থ ডিভিশন খোলার জন্য চীফ ইঞ্জিনিয়ার পাব্লিক হেল্থ গৌহাটী থেকে শিলচর একজিকিউটিভ ইঞ্জিনীয়ারের নিকট গত ১৬-১০-৭৮ ইং তারিখে একটি চিঠি দেন। ঐ চিঠিতে ডিভিশনেল অফিস খোলার জন্য প্রয়োজনীয় আসবার পত্র, একজিকিউটিভ ইঞ্জিনীয়ারের বাসস্থান ইত্যাদি যাবতীয় ব্যবস্থা করার জন্য নভেম্বর/ডিসেম্বর মাসের মধ্যে নির্দ্দেশ দেওয়া ছিল। এই কথা কি বিভাগীয় মন্ত্রী মহোদয় জানেন ?

ডঃ কোষেশ্বৰ বৰা (মন্ত্রী) ঃ— অধ্যক্ষ মহোদয়, সেইটো খবৰ মোৰ নাই, কিন্তু যি কেইটা নতুন ডিভিজন আৰু চাব ডিভিজন সৃষ্টি কৰা হৈছে তাত হাইলাকান্দি আছে, কৰিমগঞ্জ নাই।

শ্রীনিশীথ রঞ্জন দাস :— মন্ত্রী মহোদয় কি জানেন যে করিমগেঞ্জ যে

সুয়োরিজ স্কীম নেওয়া হয়েছে তা আসামের মধ্যে সম্পূর্ণ নতুন ধরনের? তাছাড়া করিমগঞ্জে হয় ফেজ নীলম বাজার ফকিরা-বাজার, বটরশি, শ্রীগৌরী, বাতাবাড়ী রামকৃষ্ণ নগর প্রভৃতি স্থানে ওয়াটার সাপ্লাই' এর এবং দুটি সাব ডিভিশনের কাজ সুস্থ ভাবে করার জন্য করিমগঞ্জে পাব্লিক হেল্থ ইঞ্জিনিয়ারিং এর ডিভিশন খোলার প্রয়োজনীয়তার কথা মন্ত্রী মহোদয় স্বীকার করেন কি?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— এইটো ডিভিজন অনুযায়ী কৰা হৈছে। ইতিমধ্যে পাইপ স্কীমৰ কাম তাত হৈ গৈছে। যত বেছি কাম আছে তাত আৰম্ভ কৰা হৈছে। সেই কাৰণে হাইলাকান্দিতে এই কাম আৰম্ভ কৰা হৈছে।

শ্রীনিশীথ রঞ্জন দাস:— সুয়োরিজ স্কীম যা করিমগঞ্জে বর্তমানে হাচ্ছে যাচ্ছে সেটা আসামে সম্পূর্ণ নতুন ধরনে হচ্ছে এবং তা সুস্থ ভাবে সম্পন্ন করার জন্য সেখানে পি এইচ ইর ডিভিশন খোলার প্রয়োজনীয়তা সরকার উপলব্ধি করেন কি? এবং সেজন্য চীফ ইঞ্জিনীয়ার শীলচরের একজিকিউটিভ ইঞ্জিনীয়ারের কাছে যে চিঠি দিয়েছিলেন সেই চিঠির নং হলো No. 21/GB/6৮/198/34-41, dt. 28-10-78. ১৯৭৮ ইংরাজীর ডিসেম্বরের মধ্যে করিম-গঞ্জে পি এইচ ইর ডিভিশন খোলার জন্য চিঠি দেওয়া হয়েছিল অথচ এখন সেটা কেন বন্ধ করা হলো?

শ্রীকোষেশ্বৰ বৰা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, কিয় কোৱা টান। কিন্তু কাম অনুযায়ী কৰা হৈছে।

Shri Fakhrul Islam :— Mr. Speaker, Sir, within two

months after the letter was issued the work in Karimganj was completed and then the Division has been shifted to Hailakandi. Sir, this is a very great injustice done to Karimganj. I think the Minister will concede that Karimganj deserves a division and will the Minister consider the case of Karimganj?

শ্ৰীকোষেশ্বৰ বৰা ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, কাজ অনুযায়ী আমাৰ গোটেই অসমতে ৬ টা ডিভিজন কৰা হৈছে। ভৱিষ্যতে যদি আৰু খোলাৰ কথা ভবা হয় তেন্তে কৰিমগঞ্জতো খোলাৰ কথা ভবা হব।

শ্ৰীবিপিন হাজৰিকা :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাইছে যে কৰিমগঞ্জত পাবলিক হেল্থ ইঞ্জিনিয়াৰিং ডিভিজন এটা খোলাৰ কোনো পৰিকল্পনা বা প্ৰস্তুতি হোৱা নাছিল, কিন্তু চিফ ইঞ্জিনিয়াৰৰ যিখন চিঠি তাৰ পৰা দেখা যায় যে যোৱা ডিচেম্বৰতে সেইকাম শেষ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এতিয়া মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছে তেখেতে বিভাগীয় ৰেকৰ্ডৰ পৰা দিছে নে নিজৰ মেমৰিৰ পৰা দিছে ?

ডঃ কোষেশ্বৰ বৰা ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, ৰেকৰ্ডৰ পৰাই দিয়া হৈছে। ডিচেম্বৰত যিখন চিঠি দিছিল তেতিয়া তাত চেংচন হোৱা নাছিল।

Shri Ranendra Narayan Basumatari :— Mr. Speaker, Sir, I would like to know from the Hon'ble Minister

whether the number of rigging machines are very limited and because of this the Government cannot make any progress in implementing the pipewater schemes and what steps the Government have taken to expedite sanction of schemes and I would also like to know from the Hon'ble Minister what are the Public Health Divisions in the whole of Assam.

ডঃ কোষেশ্বৰ বৰা ( মন্ত্ৰী ) : - অধ্যক্ষ মহোদয়, আগতে গোটেই অসমত ৪ টা ৰিং মেচিন আছিল তাৰে পানীৰ যোগান ধৰাটো সম্ভৱ নাছিল সেই কাৰণে খৰতকীয়া ভাবে আৰু ৪ টা ৰিং মেচিন অনা হৈছে আৰু ইতিমধ্যে আহি পাইছে। এতিয়া এই আঠোটাৰে খৰতকীয়া ভাবে কাম কৰিবলৈ বিচৰা হৈছে। আনহাতে আগতে প্ৰত্যেক জিলাতে একোটাকৈহে ডিভিজন আছিল, এই বছৰ ৬ টা বঢ়োৱা হৈছে।

শ্রীবীরেশ মিশ্র ঃ— কেন্দ্রীয় সরকারের টাকায় যে করিমগঞ্জে সুয়োরিজ স্কীম হচ্ছে সেটা মন্ত্রী মহোদয়ে জানেন কি ? এই সুয়োরিজ স্কীম করার জন্য যে কেন্দ্রীয় সরকার ৩০ লক্ষ টাকা দিয়েছেন এবং সেই টাকার কাজ যে আজ পর্য্যন্ত পি এইচ ইর ডিভিশন না খোলার জন্য আরম্ভ হতে পারেনি মন্ত্রী মহোদয় তা জানেন কি ?

ডাঃ কোষেশ্বৰ ৰৰা (মন্ত্ৰী) ঃ— কাম শেষ হৈছে বুলি মই কোৱা নাই, কিন্তু বৰ্তমান যি কাম আৰম্ভ হৈছে তাৰ ভিতৰত হাইলাকান্দিত বেছি আছে। গতিকে সদ্যহতে ভাত কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

শ্ৰীগোলক ৰাজবংশী :— অধ্যক্ষ মহোদয়, আগতে যি তথ্য পাতি সংগ্ৰহ কৰি তাৰ ওপৰত সিদ্ধান্ত লোৱা হৈছিল ডিচেম্বৰ মাহৰ পিচত কি ভিত্তিত সেই তথ্য ভুল বুলি সিদ্ধান্ত লোৱা হল ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মই কৈছো যে কাম হিচাবে হাইলাকান্দিত নতুন স্কীম লোৱা হৈছে আৰু ইয়াকে কৰিলে ৰাইজ উপকৃত হব বুলি ভবা হৈছে।

শ্ৰীগোলক ৰাজবংশী :— আগৰ তথ্য পাতি ভুল আছিল নে কি ?

ডঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— নাছিল।

শ্ৰীশূল বৰা :— অধ্যক্ষ মহোদয়, এই নতুন ডিভিজন আৰু চাব ডিভিজন কেইটা ক'ত ক'ত খুলিবলৈ বিচৰা হৈছে ? মন্ত্ৰী মহোদয়ে জনাবনে ?

ডাঃ কোষেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, ডিভিজন ৬টা হৈছে হাইলাকান্দি, শিৱসাগৰ, মৰিগাওঁ, মঙ্গলদৈ, বৰপেটা আৰু গোৱালপাৰা। চাব ডিভিজন ১৪টা হৈছে বঙ্গাইগাওঁ, নলবাৰী, বকো, টংলা, বিশ্বনাথ-চাৰিআলি, মৰিগাওঁ, হোজাই, গোলাঘাট, কমলাবাৰী, সোনাৰী বদৰপুৰ, হাওৰাঘাট ডিগবৈ, হাইলাকান্দি।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী :— অধ্যক্ষ মহোদয়, পানী যোগানৰ ক্ষেত্ৰত আগৰ চৰকাৰৰ দিনৰে পৰা বহুত আপত্তি কৰি থকা হৈছে, কিন্তু তাৰ কোনো সালসলনি নহল, গতিকে এতিয়া চাৰ্ভে কৰি যত সুবিধা পোৱা নাই তাত খৰতকীয়া ব্যৱস্থা চৰকাৰে লবনে ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী)ঃ— অধ্যক্ষ মহোদয়, খৰতকীয়া ব্যৱস্থা লবৰ কাৰণেই ডিভিজন আৰু চাব ডিভিজন বঢ়োৱা হৈছে। আৰু এনে কৰিবৰ কাৰণেই প্ৰত্যেক জিলা আৰু মহকুমাৰ মেম্বাৰক লৈ কমিটি কৰা হৈছে যাতে সকলো ঠাইতে পানী যোগানৰ ব্যৱস্থা কৰা হয়।

শ্ৰীছামচুল হুদাঃ— মাননীয় অধ্যক্ষ মহোদয়, প্ৰত্যেক বছৰতেই পাব্লিক হেল্থ ইঞ্জিনিয়াৰিং বিভাগ'ৰ কোটি কোটি টকা খৰছ কৰিব নোৱাৰি 'চাৰেন্দাৰ' কৰিছে। ইয়াৰ মূল কাৰণ হৈছে 'ডিভিজন' আৰু 'চাবডিভিজন' বাঢ়িছে কিন্তু সেই হিচাবে ইঞ্জিনিয়াৰ, এচিষ্টেণ্ট ইঞ্জিনিয়াৰ আদি নিয়োগ কৰিব নোৱাৰাৰ কাৰণেই এই টকা বিলাক ফিৰাই দিবলগীয়া হৈছে। ফলত চাৰেতিনি কোটি টকা যোৱা বছৰটোতে ফিৰাই দিবলগীয়া হৈছে। এইবছৰো খৰছ কৰিব নোৱাৰি 'চাৰেন্দাৰ' কৰাৰ উপক্ৰম হোৱা কথাটো সচাঁনেকি ?

ডাঃ কেষেশ্বৰ বৰা (মন্ত্ৰী)ঃ— আগতে টকা খৰছ কৰিব নোৱাৰি ফিৰাই দিবলগীয়া হোৱা কথাটো সচাঁ। এই বছৰ এই টকা বিলাক ফিৰাই যাতে দিবলগীয়া নহয় তাৰ কাৰণে 'ৰিগমেচিন' আদি কিনি ব্যৱস্থা কৰা হৈছে। দুই তিনিটা ক্ষেত্ৰত 'মেটেৰিয়েলচৰ অভাৱ হৈছে। সেই খিনিও নোহোৱা কৰিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে।

**বিষয় ঃ গোৱালপাৰা-মতিয়া-দলগোমা-শিমলিতোলা-নগৰবেৰা-ছেকেৰা-শিংৰা হৈ গুৱাহাটীলৈ পৰিবহন নিগমৰ বাছ চলাচলৰ ব্যৱস্থা**

শ্ৰীউমেশ চন্দ্ৰ দাসে সুধিছে :

* ২০। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোৱালপাৰাৰ পৰা মতিয়া - দলগোমা - শিমলিতোলা - নগৰবেৰা হেকেৰা-শিংৰা হৈ গুৱাহাটীলৈকে চৰকাৰী বাছ চলাবলৈ সিদ্ধান্ত লৈছে নেকি ?

(খ) যদি লৈছে, কেতিয়াৰ পৰা বাছ চলিব আৰু বাছৰ সংখ্যা কিমান হব ?

(গ) যদি লোৱা নাই, তেন্তে অতি সোনকালে বাছ চলাচলৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীজেহিৰুল ইচলাম ( পৰিবহন বিভাগৰ মন্ত্ৰী ) যে উত্তৰ দিছে ঃ

২০। (ক)— পৰিবহন নিগমে গোৱালপাৰা মতিয়া-দলগোমা-দুধনৈ পথত সাময়িক ভাবে বৰ্ত্তমান বাছ চলাই আছে' সেইদৰে গুৱাহাটীৰ পৰা নগৰবেৰালৈ হেকেৰা-ধোপগুৰী হৈ বাছ চলাই আছে। দলগোমাৰ পৰা শিমলিতোলা হৈ নগৰবেৰালৈ থকা ৰাস্তা পৰিবহন বাছ চলাবৰ কাৰণে উপযুক্ত নহয়। আৰু সেইবাবে গুৱাহাটীৰ পৰা গোৱালপৰালৈ উক্ত পথেৰে বাছ চলাবলৈ পৰিবহন নিগমে কোনো সিদ্ধান্ত লোৱা নাই।

(খ) আৰু (গ)-– বাছ চলাবৰ কাৰণে ৰাস্তাটো উপযোগী হলেহে এই বিষয়ে বিবেচনা কৰিব পৰা হব :

শ্ৰীউমেশ চন্দ্ৰ দাস :— মাননীয় অধ্যক্ষ মহোদয়, মতিয়া-দলগোমা ৰাস্তাটো নগৰবেৰা হৈ গুৱাহাটীলৈ আহিবৰ কাৰণে ৰাষ্ট্ৰীয় পথতকৈও গুৱাহাটীলৈ চমু হব। এইটো সেইফালৰ পৰা চালে আৰু ঘন-বসতিপূৰ্ণ অঞ্চলৰ মাজেদি যোৱা উল্লেখ যোগ্য পথ হব। গতিকে ইয়াৰ জৰিয়তে অধিক সংখ্যক মানুহৰ সেৱা আগবঢ়াব পাৰিব বুলি মাননীয় মন্ত্ৰী মহোদয়ে নেভাৱেনে ?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াৰ উত্তৰ দিছোৱেই। বাছ চলিবৰ কাৰণে উপযুক্ত হলেই বাছ চলোৱাৰ ব্যৱস্থা কৰিব পৰা হব।

শ্ৰীবীৰেণ চৌধুৰী :— মাননীয় অধ্যক্ষ মহোদয়, এই পথটোত বাছচলোৱাৰ উপযোগী কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে নেকি ? বহুদিনৰ পৰাই এই ৰাস্তাত বাছ চলাবৰ কাৰণে ৰাইজহুৱা দাবী উঠি আছে।

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) :— ইতিমধ্যেই ইঞ্জিনিয়াৰ আদিৰ লগত আলোচনা আদি কৰি থকা হৈছে। ২২-১১-৭৮ ইং তাৰিখে হোৱা আলোচনাত ইঞ্জিনিয়াৰে কৈছে যে, গড়কাপ্তানী বিভাগৰ ফালৰ পৰা এইটো ঠিক নহয় বুলি কৈছে। আমি ভাল কৰাৰ কাৰণে চেষ্টা কৰি আছো।

শ্ৰীবীৰেণ চৌধুৰী :— মাননীয় অধ্যক্ষ মহোদয়, ৰাস্তা ভাল কৰাৰ কাৰণে গড়কাপ্তানী বিভাগে আগভীয়াকৈ কাম কৰি থকা কথাটো মাননীয় মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) :— হয়, জানো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, এই ৰাস্তাটোৰ গুৰুত্ব উপলব্ধি কৰি আৰু ৰাজহুৱা স্বাৰ্থৰ খাতিৰত গড়কাপ্তানী বিভাগৰ ফালৰ পৰা উন্নত কৰাৰ চেষ্টাকৰি থকা হৈছে।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী :— মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বহুতো ঠাইত ১৫ বছৰ পৰ্য্যন্ত ষ্টেশন ভাৰাত লৈ কাম চলোৱা হৈছে। এনেকুৱা অৱস্থাত ষ্টাফকে আদি কৰি বহুতো সুবিধা দিব পৰা নাই। এনেকুৱা বিলাক ঠাইতো বাছৰ ব্যৱস্থা সোনকালেই কৰাব ব্যৱস্থা কৰিবনে ?

মাননীয় অধ্যক্ষ :— এইটো একেবাৰেই বেলেগ প্ৰশ্ন।

শ্ৰীপূৰ্ণ বড়ো :— মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰী বাছ চলাচলৰ কাৰণে ৰাস্তাৰ উপযুক্ততা নিৰ্ণয় কেনেকৈ কৰা হয় যি বোৰ ৰাস্তাত ব্যক্তিগত মালিকানাৰ বাছ চলোৱা হয় সেই বিলাক ৰাস্তাত চৰকাৰী বাছ চলোৱাৰ কাৰণে উপযুক্ত বুলি বিবেচনা কৰা হয়নে নহয়।

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) :— ব্যক্তিগত মালিকানাৰ চলা বাছ আৰু চৰকাৰী বাছ চলাৰ মাজত পাৰ্থক্য আছে। যি বিলাক ৰাস্তাত ব্যক্তিগত মালিকানাৰ বাছ চলে সেই বিলাক ৰাস্তাত কৰ্পোৰেশনৰ বাছ চলাত অসুবিধা আছে।

শ্ৰীছামচুল হুদা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে, ৰাস্তাৰ উপযুক্ততাৰ অভাৱৰ কাৰণেই চৰকাৰী বাছ দিবপৰা নাই। কিন্তু বাস্তৱৰ লগত ই একেবাৰেই সঙ্গতি নোহোৱা কথা উপযুক্ত ৰাস্তাটো চৰকাৰে চৰকাৰী বাছ দিবপৰা নাই। বাছৰ বডিও নাই আৰু ই চৰকাৰৰ ক্ষমতাৰ বাহিৰত। এনে অৱস্থাত চৰকাৰী বাছ দিব নোৱাৰাৰ যিটো কথা কৰা হৈছে সেইটোৰ লগত বাস্তৱৰ কোনো সঙ্গতি নোহোৱা কথা হৈছে।

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী ঃ— মাননীয়, অধ্যক্ষ মহোদয়, এই বিষয়ে এটা দিঘলীয়া আলোচনা হোৱা হলে ভাল আছিল। নতুন কৰ্পৰেশ্বন গঠন কৰাৰ পিছত বহুত বিলাক নতুন ৰাস্তাত বাছ চলাবলৈ লোৱা হৈছে। ইয়াৰ আগৰ দুবছৰ বাছ কিনা হোৱা নাছিল। বাছৰ বডি বনোৱাটোও সীমাবদ্ধতাৰ ভিতৰত কৰিবলগীয়া হয়। নতুন ৰাস্তা লবৰ কাৰণে সদায়েই কৰ্পৰেশ্বনৰ ব্যৱস্থা থাকিব। বাছৰ বডি বনোৱাৰ সীমাবদ্ধতা আৰু ফাণ্ডৰ প্ৰশ্নটোও ইয়াৰ-লগত জড়িত আছে। যিমান পাৰি সোনকালেই লোৱাৰ কাৰণে চেষ্টা কৰা হব।

শ্ৰীআক্ৰাম হুছেইন :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে, মতীয়া-দলগোমা-নগৰবেৰা হৈ গুৱাহাটীলৈ যিটো ৰাস্তাইদি বাছ চলে এই সন্দৰ্ভতে মই এটা প্ৰশ্ন সুধিব খুজিছো যে, গোৱা-লপাৰাৰ পৰা গুৱাহাটীলৈ ৰাষ্ট্ৰীয় পথটোৰ এইছোৱা ৰাষ্ট্ৰীয়কৃত হয়নে নহয় ? যদি হয় তেতিয়াহলে কেনেকৈ তাত 'প্ৰাইভেট বাছ' চলে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা

বেলেগ ৰাস্তা।

শ্ৰীএ, এন, আক্ৰাম হুছেইন :— মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল গোৱালপাৰাৰ পৰা গুৱাহাটীলৈকে এইছোৱা ৰাস্তা ৰাষ্ট্ৰীয়কৃত হয়নে নহয় ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, নেশ্বনেল হাইওৱে মানেই ৰাষ্ট্ৰীয় পথ।

শ্ৰীএ, এন, আক্ৰাম হুছেইন :— এই বিলাক ৰাস্তাত 'প্ৰাইভেট' বাছ কেনেকৈ চলে আৰু পাৰ্মিট কেনেকৈ দিয়ে ?

( কোনো উত্তৰ নাই )

শ্ৰীৰণেন্দ্ৰ নাৰায়ন বসুমতাৰী :— মাননীয় অধ্যক্ষ মহোদয়, গোৱালপাৰাৰ পৰা গুৱাহাটীলৈকে বাছ চলাচল কৰাৰ কথাটো ওলাইছে। গোৱাল-পাৰা জিলাৰ কোকৰাঝাৰ এটা অতি পিছপৰা অঞ্চল। শ্ৰীৰামপুৰৰ পৰা লেঙেল বোডেদি গুৱাহাটীলৈ অহাৰ দাবীৰ সংক্ৰান্তত যোৱা জানুৱাৰীৰ ৯ তাৰিখে গোসাই গাওঁলৈ যাওঁতে মাননীয় মন্ত্ৰী মহো-দয়ে দিয়া আশ্বাস কেতিয়া পূৰণ কৰিব ?

( কোনো উত্তৰ নাই )

শ্ৰীউমেশ চন্দ্ৰ দাস :— মাননীয় অধ্যক্ষ মহোদয়, কেতিয়াবা দলং আদি বেয়া হলে গোৱালপাৰাৰ পৰা গুৱাহাটীলৈ অহা এই নেশ্বনেল হাই-

ওৰে পথটোৰ বিকল্প পথ হিচাবে মতিয়া-দলগোমা-নগৰবেৰা হৈ এই পথকেই বিকল্প ৰাস্তা হিচাবে ব্যৱহাৰ কৰা হয়। এই ৰাস্তা-টোৰ গুৰুত্ব উপলব্ধি কৰি সোনকালেই চৰকাৰী বাছ চলোৱাৰ আশ্বাস দিবনে ?

শ্ৰীজেহিৰুল্ ইছলাম (মন্ত্ৰী) :— ইতিমধ্যেই এই বিষয়ে কোৱাই হৈছে। ৰাস্তা উপযোগী হলেই চৰকাৰী বাছ চলোৱাৰ ব্যৱস্থা কৰা হব।

বিষয় : তেজপুৰ মহকুমাৰ চি, আৰ, এফ স্কীম

শ্ৰীগোলক ৰাজবংশীয়ে সুধিছে :

*২২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) যোৱা বাজেটত তেজপুৰ মহকুমাত চি, আৰ, এফ, স্কীমত খৰচ কৰিবলৈ কিমান টকা ধৰা হৈছিল ?

(খ) উক্ত টকা বাজেট মতে খৰচ কৰা হলনে ?

(গ) যদি খৰচ কৰা হৈছে, কোন ৰাস্তাত খৰছ কৰা হৈছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

২১। (ক)— যোৱা ( ১৯৭৭-৭৮ ) বাজেটত চি, আৰ, এফ, স্কীমৰ শিতানত মুঠ ৪০,০০০'০০ টকা ধৰা হৈছিল।

(খ)— এই টকাৰ উপৰিও ভাৰত চৰকাৰৰ বিত্তীয় অনুদান অনুযায়ী মুঠ ১,৬৭,০০০'০০ টকা খৰচ কৰা হল।

(গ)—ঢেকীয়াজুলি ষ্টেচন পথ আৰু বিন্দুগুৰি ৰাভাপাৰা বৰ্দ্ধিত পকিয়াজান পথত।

## বিষয় ঃ উত্তৰ লক্ষীমপুৰ চৰকাৰী চিকিৎসালয়

শ্রীশূল বৰাই সুধিছে ঃ

*২১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে—

(ক) উত্তৰ লক্ষীমপুৰ চৰকাৰী চিকিৎসালয়ত কিমানখন বিছনা আছে ?

(খ) উক্ত চিকিৎসালয়ত সকলো সা-সৰঞ্জাম আছেনে ?

(গ) উপৰোক্ত ছিকিৎসালয়খনত ডাক্তৰ, নাৰ্চ আদি আছেনে ?

(ঘ) এই চিকিৎসালয়খন আগতে নিৰ্দ্ধাৰণ কৰা নতুন স্থানলৈ স্থানা-

স্তৰৰ কাম সম্পূৰ্ণ কৰিবলৈ কিমান দিন লাগিব ?

(ঙ) এই নতুন চিকিৎসালয়খনত কিমানখন বিছনাৰ ব্যৱস্থা থাকিব ?

ডাঃ কোষেশ্বৰ বৰা ( স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

২২। (ক)— ১০০ (এশ) খন।

(খ)— আছে।

(গ)— আছে।

(ঘ) আৰু (ঙ)— উত্তৰ লক্ষীমপুৰত এখন নতুন জিলা পৰ্য্যায়ৰ চিভিল হস্পিতেল কৰিবৰ বাবে এডোখৰ নতুন ঠাই বাছি লোৱা হৈছে। সেই মৰ্ম্মে যোৱা ৪ ডিচেম্বৰত তলত লিখা ঘৰ বিলাক কৰিবলৈ ১১,৩৫,৭২৫ টকাৰ প্ৰশাসনীয় অনুমোদন দিয়া হৈছে।

এই ঘৰ বিলাক সজা হৈ উঠাৰ পিচত আৰু বাকী দৰ্কাৰী ঘৰ বিলাক আৰু নতুন হস্পিতালক প্ৰাপ্ত পুঁজি অনুসাৰে সাজিবলৈ লোৱা হব।

১। চুপাৰিণ্টেণ্ডেণ্ট কোৱাৰ্টাৰ— ১টা
২। ডাক্তৰৰ কোৱাৰ্টাৰ— ৫টা
৩। নাৰ্চ আৰু কম্পাউণ্ডাৰৰ— ১০টা

| | কোৱাৰ্টাৰ | ইউনিট |
|---|---|---|
| ৪। | নাৰ্চৰ হোষ্টেল— (৩০ জনীৰ কাৰণে) | ১টা |
| ৫। | ৪ৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰীৰ— কাৰণে কোৱাৰ্টাৰ | ১০ ইউনিট |

শ্ৰীশূল বৰাঃ— অধ্যক্ষ মহোদয়, এই হস্পিতালখনত আজি কেইবা বছৰ ধৰি ডেন্টিষ্ট নাই। এইটো কথা মন্ত্ৰী মহোদয়ে জানেনে আৰু এই উত্তৰ লক্ষীমপুৰ হস্পিতালৰ যিটো পোষ্টমৰ্টেম ঘৰ সেইটো নগৰৰ মাজতে হোৱাত মৰাশ'ৰ গোন্ধত ওচৰে-পাজৰে মানুহ থাকিব নোৱাৰা হৈছে আৰু ৰাস্তা-পদুলিয়ে দিও মানুহ অহা-যোৱা কৰিব নোৱাৰা হৈছে। এই কথাটো মন্ত্ৰী মহোদয়ে জানেনে? যদি জানে তেতিয়াহলে এই পোষ্টমৰ্টেম ঘৰটো সেই ঠাইৰ পৰা অন্য এখন ঠাইলৈ লৈ যোৱাৰ ব্যৱস্থা কৰিবনে?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী)ঃ পোষ্টমৰ্টেম ঘৰৰ পৰা হোৱা অসুবিধাৰ কথাটো অকল লক্ষীমপুৰতেই নহয়, অসমৰ বিভিন্ন ঠাইত চলি আছে। এইবিলাক ঘৰ বৃটিছৰ দিনতেই সজোৱাৰ কাৰণে তেতিয়াৰে পৰা এই অসুবিধাটো চলি আহিছে। লক্ষীমপুৰৰ এই ঘৰটো সেই ঠাইৰ পৰা আতৰাই নিবৰ কাৰণে মাটি লোৱা হৈছে আৰু পুঁজি অনুযায়ী কৰা হব। লগতে এইটো কথাও মই সদনক জনাব বিচাৰিছো যে পোষ্টমৰ্টেম ঘৰ বিলাকৰ দায়িত্ব চিকিৎসা বিভাগৰ নাই, এই দায়িত্ব হোম বিভাগৰহে। আমি মাত্ৰ তেওঁলোকক আৱশ্যকীয় পৰামৰ্শহে দিওঁ। তেখেতে প্ৰথম প্ৰশ্নত ডেন্টিষ্টৰ যিটো কথা কৈছে সেই সম্পৰ্কত মই কব বিচাৰিছো

যে আগতে তাত ডেন্টিষ্ট নিযুক্তি দিয়া হৈছিল। তেঁখেতে এব-ছৰমান কাম কৰাৰ পিচত ছুটি লৈ নোযোৱাকৈ থকাটো আমি অনুসন্ধান কৰিছো আৰু ডাক্তৰে ছুটি মঞ্জুৰ নোহোৱাকৈ কামৰ পৰা অনুপস্থিত থকাৰ কাৰণে প্ৰচিডিংচ ড্ৰ' কৰিছো। তাত ডেন্টিষ্টৰ অসুবিধা দূৰ কৰিবলৈ আমি চেষ্টা কৰিছো।

শ্ৰীশূল বৰা :— এই হস্পিতালখনত কেতিয়াবা কেতিয়াবা বেণ্ডেজ, চেলাইন, এক্স-ৰে, প্লেট আদিৰ অভাৱত কাম কৰিব নোৱাৰা আৱস্থা এটা সৃষ্টি হৈ আছে। এই কথা মন্ত্ৰী মহোদয়ে জানেনে ? যদি জানে এই অভাৱ দুৰ কৰিবৰ কাৰণে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

ডঃ কোমেশ্বৰ বৰা ( মন্ত্ৰী ) ঃ— অ্যধক্ষ মহোদয়, এইবিলাক অভাৱ কেৱল লক্ষীমপুৰতেই নহয় গোটেই অসমৰ হস্পিতালবিলাকত এনেকুৱা অভাৱ হৈয়ে আছে যদিও আমি এই অভাৱ বিলাক পূৰণ কৰিবৰ কাৰণে চেষ্টা চলাই আহিছো। আগতে যিবিলাক নিয়ম পদ্ধতি আছিল সেইবিলাক আতৰাই আমি নতুনকৈ পদ্ধতি লৈ বেণ্ডেজ, চেলাইন, এক্স-ৰে প্লেট আদি দিয়াৰ কাৰণে ব্যৱস্থা লৈছো

শ্ৰীযোগেন গগৈ ঃ— নগৰৰ মাজতে চিভিল হস্পিতালবিলাক আছে। অ'ক্ষ এই চিভিল হস্পিতালৰ লগতে টি, বি, ৱাৰ্ডবিলাক থকাৰ কাৰণে তাৰ পৰা বেমাৰৰ বীজাণু বিয়পি যোৱাৰ সম্ভৱনা আছে সেইকাৰণে এই টি, বি, ৱাৰ্ডবিলাক নগৰৰ মাজৰ পৰা বেলেগ ঠাইলৈ লৈ যাব নোৱাৰিনে ?

ডঃ কোমেশ্বৰ বৰা ঃ— পৰ্য্যায় ক্ৰমে আমি এই ত্ৰুটী বিলাক আতৰাবলৈ

চেষ্টা কৰি আহিছো। যিহেতুকে এই চিভিল হস্পিতাল বিলাক বহুত দিনৰ আগতে সজা হৈছিল আৰু সেই সময়ত সেই বিলাক ঠাইত ইমান জনসংখ্যা নাছিল সেই কাৰণেই সেই সময়ত এই বিলাক অসুবিধা হোৱা নাছিল। কিন্তু এতিয়া সেই বিলাক অঞ্চলত জনসংখ্যা বাঢ়ি যোৱাৰ কাৰণে অসুবিধা হোৱাৰ কথাটো চৰকাৰৰ দৃষ্টিলৈ আহিছে আৰু তাৰ কাৰণেই ব্যৱস্থা গ্ৰহণ কৰিবলৈ আমি চেষ্টা কৰিছো।

শ্ৰীনিশীথ রঞ্জন দাস :— অধ্যক্ষ মহোদয়, চিকিত্সার ব্যাপ্যারে আমাদের রাজ্য পশ্চাদপদ। আমাদের রাজ্যের শতকরা ৮০ জনেরও অধিক লোক মরবার সময়ও আধুনিক চিকিত্সার সুযোগ নিতে আজও পারেন না। সেজন্য আমি মন্ত্রী মহোদয়কে জিজ্ঞাসা করতে চাই যে তিনি এই দপ্তরের ভার গ্রহন করার পর আমাদের রাজ্যে জনসাধারণের ব্যাপক কতটা আধুনিক চিকিত্সার জন্য চিকিত্সা কেন্দ্র নতুন করে খোলা হয়েছে ?

ড: কোষেশ্বৰ বৰা :— নতুনকৈ স্বস্থ্যকেন্দ্ৰ খোলা হোৱা নাই। যি বিলাক পুৰণি স্বাস্থ্য কেন্দ্ৰৰ দুৰবস্থা হৈ আছে আমি সেই বিলাক নতুনকৈ গঢ়ি তুলিবলৈ চেষ্টা কৰি আহিছো। এই খিনি গঢ় দিয়াৰ পিচতহে নতুন আচনি লোৱা হব।

ডাঃ তাৰিণী চৰণ দাস :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে দুবাকী সদস্যৰ প্ৰশ্নত একমত হৈ কৈছে যে টি, বি, ৱাৰ্ড বিলাক আৰু পোষ্টমৰ্টেম ঘৰবিলাক নগৰৰ মাজতে থকাৰ কাৰণে জনসাধাৰণৰ অসুবিধা হৈছে। মই জানিব বিছাৰিছো যে এই টি, বি, ৱাৰ্ড বিলাক আৰু পোষ্টমৰ্টেম

ঘৰ বিলাক যিহেতুকে চিভিল হস্পিতালবিলাকৰ লগতে থাকিব লাগে সেইকাৰণে এইবিলাক ভাল কৰাৰ কিবা ব্যৱস্থা হাতত লৈছেনে ?

ডঃ কোষেশ্বৰ বৰা ( মন্ত্ৰী ) :— ভাল কৰাৰ ব্যৱস্থা লোৱা হৈছে বুলি মই আগৰ প্ৰশ্নৰ উত্তৰতেই কৈ আহিছো।

শ্ৰীবীৰেন্দ্ৰ নাথ চৌধুৰী :— মন্ত্ৰী মহোদয়ে কৈছে যে নতুন কোনো হস্পিতাল কৰা হোৱা নাই। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আমাৰ হস্পিতাল বিলাকৰ যিবিলাক অভাৱ যেনে বেণ্ডেজ, এক্সৰে প্লেট, চেলেইন আদিৰ অভাৱ দূৰ কৰিবলৈ চেষ্টা কৰিছো বুলি আজি এবছৰৰ পৰা যি কথা কৈ আহিছে বৰ্তমানলৈকে এই অভাৱ বিলাকৰ কিমানখিনি দূৰ কৰা হৈছে সেই কথা জনাবনে ?

ড: কোষেশৰ বৰা ( মন্ত্ৰী ) : – অধ্যক্ষ মহোদয়, প্ৰথম তিনি মাহত এক্সৰে প্লেট নাছিলেই। এতিয়া আছে। বেণ্ডেজ, চেলেইনো আছে। চেলাইন আমি এতিয়া ইয়াতে তৈয়াৰ কৰিবলৈ বিচাৰিছো যে গতিকে এইখিনিয়ে সমস্যাবিলাক সমাধান কৰিব বুলি আমি ভাবিছো।

Starred Question No. 23 was not put, the Member being absent.

বিষয় : যোগাঘোপা-পঞ্চৰত্নত ব্ৰহ্মপুত্ৰৰ ওপৰত তৃতীয় দলং

শ্ৰীমুকুট শৰ্ম্মাই সুধিছে :

* ২৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোগীঘোপা - পঞ্চৰত্নত ব্ৰহ্মপুত্ৰৰ ওপৰত তৃতীয় দলংখন নিৰ্ম্মাণ নকৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰাৰ কথা অসম চৰকাৰে জানে নেকি ?

(খ) যদি জানে, এই ক্ষেত্ৰত অসম চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

২৪। (ক)—এই চৰকাৰে জনমতে এনেধৰণৰ সিদ্ধান্ত নাই ।

(খ)—ওপৰোক্ত 'ক' প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে ।

শ্ৰীমুকুট শৰ্ম্মা :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে অলপতে বেল মন্ত্ৰী শ্ৰীমধু দণ্ডবতে অসমৰ সংসদী সদস্য শ্ৰীআহমেদ হুচেইনৰ এখন চিঠিৰ উত্তৰত জনাইছে যে যিহেতুকে যোগীঘোপা-পঞ্চৰত্নৰ দলং খন অৰ্থনৈতিক ভাবে লাভজনক নহয়। তাৰ কাৰণে এই দলংখন নিৰ্ম্মাণ নকৰিবলৈ সিদ্ধান্ত লোৱা কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) :— তেনেকুৱা কথা আমি নাজানো । আমি বিশেষকৈ তিনিখন দলংৰ দাবী কেন্দ্ৰীয় চৰকাৰলৈ পঠাইছো । এখন হৈছে যোগীঘোপা-পঞ্চৰত্ন, আনখন ডিব্ৰুগড়ৰ বগী বিলত আৰু ইখন ভোমোৰাগুৰি । আমি এইখনৰ অনুমোদন ইতিমধ্যে লাভ

কৰিছো আৰু কামো আৰম্ভ কৰা হৈছে। বাকী দুখনৰ গুৰুত্ব আছে। আশা কৰো কেন্দ্ৰীয় চকাৰে আমাৰ গুৰুত্বলৈ চাই যোগী-ঘোপাৰ দলং খনৰ কথা উলাই কৰিব নোৱাৰে। কাৰণ এই দলং খন হব নেচনেল হাইৱে ৩১ নং আৰু ৩৭ নং ৰ লিংক দলং। এইটো অকল অসমৰেই নহয় মেঘালয়ৰ ফালৰ পৰাও বিশেষ গুৰুত্ব আছে। কেন্দ্ৰীয় চৰকাৰে ইয়াৰ চাৰ্ভেৰ কাৰণে ব্যৱস্থা কৰিছে। সময় মতে নিশ্চয় বগীবিলতো এবাৰ আগতে চাৰ্ভে হৈ গৈছিল। যদিও আকৌ এবাৰ চাৰ্ভে হব। আমি আশা কৰো কেন্দ্ৰীয় চৰকাৰৰ সহযোগত নৰ্থ-ইষ্টাৰ্ণ কাউন্সিলে এই দুখন দলং ললে সুবিধা হব।

Md. Idris :— Will the Minister inform the House whether construction of the bridge at Jagighopa-Pancharatna was included in the 5th Five Year Plan? If not, whether that scheme has again been reincluded in the schedule of 6th Five Year Plan?

Shri Dulal Chandra Barua ( Minister ) :— There are two stages of it. On varification it was found that the survey was made only for two bridges, one at Bhomoraguai which has been conceded to and another at Bogibeel. No survey was conducted for Bogibeel and for that we are pressing Govt. of India to take a decision quickly so that this can be included in the Sixth Five Year Plan. Till now we have not known anything on that.

Shri Md. Umaruddin :— Is the Minister aware that in 1944-45 the area was surveyed for construction of a bridge there ? Whether those old records are available with the Govt. ?

Shri Dulal Chandra Barua ( Minister ) :— Resurvey is necessary for constuction of the bridge.

Shri Ranendra Narayan Basumatari :— The hon.minister has mentioned about two bridges. Whether the Minister will given serious thought and concentrate his efforts for construction of the bridge at Jogighopa Pancharatna which is of great inportance ?

Shri Dulal Chandra Barua ( Minister ) :— Definitely we are giving priority for construction of these bridges.

Md. Idris :— Whethr the Minister admits that this was a scheme included in the 5th Five Year plan of the Govt. of India ? If so, whether this scheme has been re-entered in the 6th Plan of the Country ?

Shri Dulal Chandra Barua ( Minister ) :— We have been pressing for that, as I have said only the survey work was included in the plan, but not for its con-

struction:

শ্ৰীনজমুল হক :— যোগীঘোপা-পঞ্চৰত্নত এই দলংখন নোহোৱাৰ কাৰণে গোৱালপাৰা সংগ্ৰাম পৰিষদে সংগ্ৰাম কৰিব বুলি ভাবুকি দিছে এনে এটা দাৰুণ কথাৰ কাৰণে অসম চৰকাৰৰ ফালৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ ওচৰত কিবা জনোৱা হৈছে নে নাই বা এই বিষয়ত চেষ্টা কৰা হৈছে নে নাই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী মন্ত্ৰী) :— আবন্তণীৰে পৰা আমাৰ ফালৰ পৰা তিনিখন দলঙৰ কাৰণে প্ৰস্তাৱ দি জোৰ দি অহা হৈছে। এতিয়া ইতিমধ্যে এখন দলং কেন্দ্ৰীয় চৰকাৰে মঞ্জুৰ কৰিছে আৰু ভোমোৰা গুৰিত সেই দলঙৰ কাম আৰম্ভও হৈছে। মাননীয় সদস্য গৰাকীয়ে কোৱা কথাটো অকল গোৱালপাৰা জিলাৰ মানুহৰে কথা নহয়। ই সদৌ অসমবাসীৰ কথা অসমবাসীৰ জীৱন মৰণৰ কথা। অৰ্থনৈতিক দিশৰ কথা আছে, মেঘালয়ৰ অৰ্থনৈনিক দিশৰ কথাও ইয়াত জৰিত আছে। গতিকে দলং হব লাগে বুলি ৰাইজে ভাবে, চৰকাৰেও ভাবে আৰু এই বিধান সভাৰ প্ৰতিজন মাননীয় সদস্যই ভাবে।

শ্ৰীপ্ৰেমধৰ বৰা :— ইয়াত মূল প্ৰশ্নটোৰ লগত উত্তৰ খিলাক পৰিপন্থী হৈছে। প্ৰশ্নটোত আছিল দলং নিৰ্ম্মাণ নকৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰাৰ কথা অসম চৰকাৰে জানে নেকি ? কিন্তু এতিয়া গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিছে যে অসম চৰকাৰে তিনিখন দলঙৰ কাৰণে প্ৰস্তাৱ দি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হৈছা দি আছে। তাৰ ভিতৰত এখন দিছে আৰু দুখন দিয়া নাই। কিন্তু প্ৰশ্নটো আছিল দলং নিৰ্ম্মাণ নকৰিবৰ কাৰণে

সিদ্ধান্ত লৈছে নেকি, সেই কথা জানে নেকি, যদি জানে সবল যুক্তি দাঙি ধৰিছে নে নাই ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( গড়কাপ্তানী মন্ত্ৰী ) :— চৰকাৰী ভাৱে আমি তেনে-কুৱা কথা জনা নাই। দলং নিৰ্ম্মাণ নকৰিবৰ সিদ্ধান্ত লোৱাৰ কথা আমি নাজানো। ইতিমধ্যে চাৰ্ভে সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰে বিবেচনা কৰিছে। কথাটো ১৮-৩-৭৮ তাৰিখে হোৱা এন-ডি-চিৰ মিটিঙত আলোচনা কৰাও হৈছে আৰু সেই সময়ৰ পৰাই সকলো প্ৰকাৰে এই দলঙৰ কথালৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক দাবী জনাই আহিছে, আৰু কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰাও সকলো সময়তে সহানুভূতিৰে কথাটো বিবেচনা কৰিম বুলি আশ্বাস দিছে। আৰু আমি আশা ৰাখিছো যে যি কেই ঠাইত দলং সজাৰ ক্ষেত্ৰত প্ৰাঅ'ৰিটি দিয়া হৈছে সেই ঠাইত সোনকালে মঞ্জুৰী পাম।

শ্ৰীমুকুট শৰ্ম্মা ঃ— মই এটা দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে ৭ জুলাই তাৰিখৰ দৈনিক অসম কাকতত এই বিষয়ক এটা কথা ওলাই গৈছে আৰু ৰেলৰে মন্ত্ৰী মধু দণ্ডাৱটে দেশৰ অৰ্থনৈতিক পৰিস্থি-তিত সম্ভৱপৰ নহয় বুলি কৈছে সেই সম্পৰ্কে অসম চৰকাৰে কি ব্যৱস্থা লৈছে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( গড়কাপ্তানী মন্ত্ৰী ) ঃ— কেন্দ্ৰীয় চৰকাৰৰ আৰ্থিক সাহা-ৰ্য্যৰ উপৰিও এন-ই-চিৰ পৰাও অৰ্থসাহায্য বিচাৰি সম্পৰ্কে যোৱা এন-ই-চিৰ মিটিংতো আলোচনা বিলোচনা কৰা হৈছিল। দলঙৰ কাৰণে সম্পূৰ্ণ প্ৰজেক্ট কৰাত পলম হৈছে কিয়নো আগতে চাৰ্ভে কৰিছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা আৰু সেইখিনিৰেও কিছু সহায়

হব। কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা চাৰ্ভে কৰা নাই এইটো চাৰ্ভে কৰি অৰ্থনৈতিক ফিজিবিলিটি ইত্যাদি আৰু অন্যান্য বহু ৰকমৰ কথা আছে, সেইবিলাক আমাৰ প্ৰাক্তন গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই জানে, সেই বিলাক কৰি আঁতাই কাম আৰম্ভ কৰিব পৰা হব। আমাৰ ফালৰ পৰা এন-ই-চি আৰু কেন্দ্ৰীয় চৰকাৰক আমাৰ দাবী ন্যায় বুলি প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰি থকা হৈছে।

শ্ৰীশুল বৰা :— অসম চৰকাৰে এই পৰ্য্যন্ত ব্ৰহ্মপুত্ৰৰ ওপৰত দলং কেইখন হবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰস্তাৱ দিছে আৰু ক'ত ক'ত হবৰ কাৰণে দিছে? এই সন্দৰ্ভত সমস্ত উত্তৰ পাৰ সংলগ্ন কৰি আৰু দুখন দলং নিৰ্ম্মাণ কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰস্তাৱ দিবনে?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী মন্ত্ৰী) ঃ— ইতিমধ্যে মই কৈছোৱেই যে তিনিখন দলংৰ কাৰণে আমি দাবী জনাই আহিছো আৰু তাৰ ভিতৰত এখন মঞ্জুৰ হল আৰু তাৰ কামো আৰম্ভ কৰা হৈছে আৰু বাকী দুখন দলংৰ দাবী এতিয়াও সম্পূৰ্ণহৈ উঠা নাই। তাৰ বাহিৰেও আৰু আন দুখনৰ কথা বিশেষকৈ এই সময়ত চৰকাৰে বিবেচনা কৰা নাই।

শ্ৰীচামচুল হুদা :— যোগীঘোপাৰ দলং নোহোৱা'ৰ কাৰণে একশ্ৰেণী লোকে চেষ্টা কৰি আছে আৰু দলং নিৰ্ম্মাণ কৰাৰ বিৰোধিতা কৰি থকা লোক আছে বুলি চৰকাৰৰ জনা আছেনে?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী মন্ত্ৰী) ঃ— তেনেকুৱা খবৰ পোৱা নাই।

অসম দেশৰ বাসীন্দা সকলে এইটো কৰাৰ কাৰণে আপত্তি কৰিব এইটো ভাবিব নোৱাৰি। কিয়নো অসমৰ সামগ্ৰিক অৰ্থনৈতিক দিশ ইয়াৰ লগত নিহিত আছে গতিকে কোনোবাই যে বাধা প্ৰদান কৰিব সেইটো কেতিয়াও হব নোৱাৰে। অসম বাসীৰ ওপৰত আমাৰ বিশ্বাস আছে।

শ্ৰীমহম্মদ ইদ্ৰীচ ঃ— আমাৰ প্ৰশ্ন আছিল এই যে যোগীঘোপা আৰু পঞ্চৰত্নৰ যি খন দলং সেইখন পঞ্চম বাৰ্ষিক পৰিকল্পনাত অন্তৰ্ভুক্ত কৰা হৈছিল কিন্তু সেইটো পঞ্চম বাৰ্ষিক পৰিকল্পনাত কাৰ্য্যকাৰী নহ'ল গতিকেই সেইটো ষষ্ঠ পঞ্চ বাৰ্ষিক পৰিকল্পনাত কিয় অন্তৰ্ভুক্ত নহব আৰু যদি হৈছে তেতিয়া হলে মন্ত্ৰীমহোদয়ে জনাব লাগে আৰু যদি হোৱা নাই তাৰ কাৰণটো জনাব লাগে। এন, ই, চি আচনি আৰু পঞ্চ বাৰ্ষিকি আচনিৰ মাজত যথেষ্ট পাৰ্থক্য আছে। এন, ই, চি হল এটা সহায় কৰা এজেণ্ট। আনহাতেদি পঞ্চ বাৰ্ষিকী পৰিকল্পনা এটা জাতি এখন দেশৰ, এখন ৰাজ্যৰ সৰ্ব্বতোপ্ৰকাৰ উন্নতিৰ কাৰণে লোৱা এখন আঁচনি। দুয়োটাৰে মাজত যথেষ্ট পাৰ্থক্য আছে। গতিকে পঞ্চ বাৰ্ষিকী ষষ্ঠ পৰিকল্পনাত এইটো কিয় অন্তৰ্ভুক্ত কৰা নহল।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— প্ৰাক্তন মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো এইটো কিয় কৰা নহ'ল, সেই বিষয়ে তেখেতে নিজে ভালকৈ জানিব কিয়নো আমাৰ হাতত এতিয়ালৈকে যিবিলাক কাগজ নথি পত্ৰ পোৱা গৈছে সেই বিলাকৰ পৰা দেখা যায় যে তাৰ কোনো চাৰ্ভে কৰা নহল। তেনেক্ষেত্ৰত এইটো কেনেকৈ এলোকেচন কৰা হৈছিল সেইটো কব পৰা নাই কলীয়া ভোমোৰা দলংখন ষষ্ঠ পৰিকল্পনাত

অন্তৰ্ভুক্ত কৰা হৈছে, আৰু এই বিত্তীয় বছৰৰ পৰাই কাম আৰম্ভ কৰা হৈছে ।

শ্ৰীমহম্মদ ইদ্ৰীচ ঃ— এইটো এন, ই, চিৰ জৰিয়তে কৰা হব নে পঞ্চ বাৰ্ষিকী পৰিকল্পনাৰ জৰিয়তে কৰিব বিচাৰিছে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) ঃ— সকলো ফালৰ পৰা চেষ্টা কৰা হৈছে, য'ত যেনেকৈ সুবিধা হয় ।

বিষয় ঃ পঞ্চায়ত নিৰ্ব্বাচন

শ্ৰীযোগেন গগৈয়ে সুধিছে ঃ

*২৫ । মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এইবাৰৰ পঞ্চায়ত নিৰ্ব্বাচনত ৰাজ্যখনত সৰ্ব্বমুঠ কিমান টকা খৰচ কৰা হল ?

(খ) এই নিৰ্ব্বাচনত বিভিন্ন মহকুমা পৰিষদ বিশেষে কিমান টকাকৈ খৰছ পৰিল ?

(গ) বিভিন্ন মহকুমা পৰিষদৰ এলেকাৰ নিৰ্ব্বাচনত মুঠ খৰছৰ ক্ষেত্ৰত বহু ব্যৱধান থকাটো সচাঁনে ?

(ঘ) যদি সচাঁ হয়, তেন্তে খৰছৰ ক্ষেত্ৰত ব্যৱধান হোৱাৰ কাৰণ কি আৰু এই আসোৱাহ ভবিষ্যতে আঁতৰাব পৰা হবনে ?

শ্ৰীজেহিৰুল ইচলাম (পঞ্চায়ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৫। (ক)— এতিয়ালৈকে সৰ্ব্ব মুঠ ৬৯,৫৭,৫০০ টকা এইবাৰৰ পঞ্চায়ত নিৰ্ব্বাচনত খৰছ কৰিবলৈ মঞ্জুৰী দিয়া হৈছে। মুঠ খৰছৰ হিচাব এতিয়াও কৰিব পৰা হোৱা নাই।

(খ)— বিভিন্ন মহকুমা পৰিষদলৈ এতিয়ালৈকে একে নিৰিখতে ৩,২২,৫২৪ টকাকৈ মঞ্জুৰী দিয়া হৈছে।

(গ)— প্ৰশ্ন নুঠে।

(ঘ)— প্ৰশ্ন নুঠে।

শ্ৰীযোগেন গগৈ ঃ— অধ্যক্ষ মহোদয়, এই যে পঞ্চায়ত নিৰ্ব্বাচনৰ সন্দৰ্ভত যিবিলাক টকা পইচা মঞ্জুৰ কৰা হৈছে সেই বিলাক কি ধৰণে খৰচ কৰিব তাৰ একোটা নিৰ্দ্দেশনা বা গাইড লাইন দিয়া আছিলনে ? দেখা গৈছে বিভিন্ন মহকুমাত এই নিৰ্ব্বাচনত খৰচ কৰা ক্ষেত্ৰত নানা ধৰণৰ বিসংগতি সৃষ্টি হৈছে। কিছুমান মহকুমা পৰিষদৰ নিৰ্ব্বাচনী ভোটাৰ তালিকা কেনেদৰে ছপা কৰা হৈছে আৰু কিছুমান মহকুমা পৰিষদৰ ক্ষেত্ৰত নিৰ্ব্বাচনী কাৰ্য্যালয়ৰ পৰা কিনি লোৱা হৈছিল এইদৰে ৰাজহুৱা ধন অপচয় কৰা কথা চৰকাৰে জানেনে ?

শ্রীজেহিৰুল ইচলাম (মন্ত্ৰী) :— এতিয়া এই বিষয়ে খবৰ পোৱা নাই। এই বিষয়ে খবৰ আহিলে নিশ্চয় চাব পৰা হব !

Starred Question No. 26 was not put, the Member being absent.

Re : Creation of Civil and Administrative Sub-division at Sankardev Nagar

Shri Santi Ranjan Dasgupta asked :

*27. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that very recently Government has decided to create a Civil and Administrative Sub-division at Sankardev Nagar (newly named) $3\frac{1}{2}$ miles away from Hojai ?

(b) Whether Government propose to proceed with the work of establishment of the Sub-division by opening different offices some at Hojai, some at Lanka and transfer those offices to Sub-divisional Head-quarters when the construction is completed ?

Shri Golap Borbora ( Chief Minister ) replied :

27. (a)— Yes.

(b)— Government thave not decided to proceed with the work of establishment of the Sub-division by opening different offices some at Hojai and some at Lanka.

Shri Shanti Ranjan Dasgupta :— Sir, there are already some offices at Hojai and some offices at Lanka and I Understand that Govt. have decided to proceed with the work of establishment of the Sub-division by opening different offices some at Hojai and some at Lanka. May I know from the Hon' ble Minister when the Govt. will proceed with the works ?

Shri Dulal Chandra Barua ( Minister ) :- Sir, Govt. have not decided to proceed with the worke of establishment of the Sub division. Simply, we are now processing it out. Govt. will proceed with the work in due course on the basis of the funds available with the Govt.

শ্রীরামেন্দ্র দে :— এই ব্যাপারে বদরপুরে একটা সিভিল সাব ডিভিশন

খোলার কোন প্ৰস্তাব সরকারের বিবেচনাধীন আছে কি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) :— এই কথা বিবেচনা কৰা নাই ।

Shri Gourishankar Roy :— Sir, will it not create a feeling of separatist tendency in the minds of the people ?

Shri Dulal Chandra Barua ( Minister ) — Sir, I do'not think so.

Shri Gourishankar Roy :— Sir, whether Govt: is contemplating to the G.P. areas into sub-division ?

Shri Dulal Chandra Barua ( Minister ) :— Sir, Govt. is not contemplating to create Sub-divisions within G.P. areas.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— এতিয়া যত শঙ্কৰদেৱৰ নগৰ পাতিবলৈ লোৱা হৈছে সেই মাটিখিনি বেদখল হৈ আছে । সেই কথা চৰকাৰে জানেনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) :— বেদখল বন্ধ কৰিবৰ কাৰণে উপযুক্ত ব্যৱস্থা লবলৈ কোৱা হৈছে ।

Starred Question No. 28 was not put, the

Member being absent.

*Re :* New Hailakandi

Shri Nepal Chandra Das asked :

*29. Will the Chief Minister be pleased to state—

(a) Whether Government had received any Memorandum from the Bar Association of Hailakandi for giving first priority to the construction work in the Hailakandi District as one of the recognised Districts of Assam ?

(b) If so, what action has been taken by the Government in this regard ?

Shri Golap Borbora ( Chief Minister ) replied :

29. (a)— Yes.

(b)— Government has decided to constitute the new Districts in a phased manner with the availability

of resources.

শ্রীনেপাল চন্দ্র দাস :— অধ্যক্ষ মহোদয়, গত বাজেট সেশনে মন্ত্রী মহোদয় স্বীকার করেছিলেন যে হাইলাকান্দি একটা পঞ্চাদপদ এলাকা এবং হাইলাকান্দি একটা পুরেনা টাউন। বৃটিশ আমলের তৈরী এই পুরনো শহরের আজ পর্য্যন্ত কোন পরিবর্তন হয়নি। সুতরাং এই হিসাবে ফাষ্টর্ত ফেজএ হাইলাকান্দিকে বিবেচনা করা হবে কি ?

শ্রীদুলাল চন্দ্র বৰুৱা ( মন্ত্ৰী ) ঃ— চৰকাৰে এই কথা বিবেচনা কৰি আছে। যিবিলাক অঞ্চলক প্ৰায়ৰিটি দিব লাগে সেই বিলাকক অৱস্থা অনুসৰি প্ৰায়ৰিটি দিয়া হয়। মাননীয় সদস্য সকলক জনাব বিচাৰিছো যে আমাৰ প্ৰস্তাৱিত চাবডিভিজন, জিলা বিলাক পুণৰ গঠন কৰিবলৈ আমাক ২০ কোটি টকা লাগে। কিন্তু ইয়াৰ বাবে আমি মাত্ৰ ৪ কোটি ১৭ লাখ টকাহে সম্পূৰ্ণ বিত্তআয়োগৰ পৰা পাইছো। এতিয়া আৱশ্যক অনুযায়ী যত বেচি দৰকাৰ সেইটো প্ৰশাসনীক দৃষ্টি ফালৰ পৰা চাই সেই সেই ঠাইত ব্যৱস্থা কৰিবলৈ চিন্তা কৰা হৈছে।

Shri Noorul Huda :— Sir, may I know from the Hon'ble Minister whether Govt. had received any memorandum or representation from any section of people from Hailakandi Sub-division before declaration of this district by the Govt. of Assam. If so, from which section of the people it has been received and when ?

Shri Dulal Chandra Barua ( Minister ) :— Yes, Sir, a representation was received from the Bar Association before declaration of this district.

Shri Noorul Huda :— Sir, on which date it has been received ?

Shri Dulal Chandra Barua ( Minister ) .— Sir, this information is not with me now.

Shri Noorul Huda :— Sir, may I know on which date this representation was submitted ?

Shri Dulal Chandra Barua ( Minister ):— Sir, this representation was submitted not to this Govt. but to the Kohli Commission. The date on which it was submitted is not with me at present as it is very difftcult to find out the date from the big volume of the report of the Kohli Commission. Sir, I shall furnish the date with the contents of the memorandum to the House later on.

শ্ৰীগোলক ৰাজবংশী :— মন্ত্ৰী ডাঙৰীয়াই নিজৰ ফাইলৰ পৰা কৈছে যে স্মাৰক পত্ৰ বিচৰা নাছিল। গতিকে হাইলাকান্দিয়ে কেনেকৈ পালে এই বিষয়ে আমাক জনাব নেকি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) :— এইটো বিচৰাৰ কথা নহয়, এডমিনিছট্ৰেটিভ কমিচন আগৰ চৰকাৰেই পাতি দিছিল। যেতিয়া কমিচন বহিছিল তেতিয়া কমিচনৰ ওচৰত বহুতে স্মাৰক পত্ৰ দাখিল কৰিছিল। আৰু সেই কমিচনৰ অনুমোদনৰ ওপৰত ভিত্তি কৰি নতুন প্ৰশাসনীয় গঠনৰ কথা চিন্তা কৰা হৈছে। তাৰোপৰিও ভাতনগৰ কমিটি হল। এই সকলো কথা ভালধৰণে বিবেচনা কৰি লগতে এডমিনিছট্ৰেটিভ কনভিনিয়েন্সলৈ লক্ষ্য ৰাখি এই নতুন প্ৰশাসনীয় গোট বিন্যাক কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

Mr. Speaker :— Question hour is over.

## UNDISPOSED STARRED QUESTIONS

Date 26th February, 1979

Re : Scheme for providing quarters to Government Officers

Shri Kiron Chandra Bezbaruah asked :

*30. Will the Chief Minister be pleased to state—

(a) Whether Government has any proposal to pro-

vide quarters to the Government Officers in the Districts ?

(b) If so, whether Government has any scheme to build quarters for the Government Officers in different Districts.

Shri Golap Borbora ( Chief Minister ) replied :

30. (a)— Yes, in a phased manner.

(b)— Yes, subject to availability or resources.

## UNSTARRED QUESTIONS AND ANSWERS

Date : 26th February, 1979

( To which answers were laid on the Table )

Re : Establishment of an Office of Assistant Director of Supply at Bongaigaon

Shri Mothura Mohan Sinha asked :

1. Will the Minister, Supply be pleased to state—

(a) To deal with the supply matters of Essential Commodities at a place like Bongaigaon, whether Government has a proposal to establish an Assistant Director's office of Supply at Bongaigaon ?

(b) If so, will Government consider it sympathetically to start its functioning early ?

Shri Dulal Chandra Barua ( Minister, Supply ) replied :

1. (a)— There is a proposal for establishment of an office of Superintendent of Supply at Bongaigaon to look after the distribution of essential commodities in Bongaigaon area as well as monitoring of arrival of Essential Commodities by rail at Bongaigaon rail head.

(b)— Government have decided to establish the office of Superintendent of Supply after passing of the budget for 197‹-80.

বিষয় ঃ বৰপেটা চহৰৰ গান্ধী আলি

শ্ৰীএম, ইব্ৰাহিম আলিয়ে সুধিছে ঃ

২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰপেটা চহৰৰ 'গান্ধী আলি' নামৰ ৰাস্তাটোৰ কথা চৰকাৰে জানেনে ?

(খ) যদি জানে, তেন্তে উক্ত স্মৰণীয় ৰাস্তাটোৰ যথাযথ উন্নতি আৰু মেৰামতি চৰকাৰে অতি শীঘ্ৰেই কৰিবনে ?

(গ) যদি কৰে, তেন্তে এই চলিত বছৰত চৰকাৰে কাম হাতত লবনে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

২। (ক)— হয়, জানে।

(খ)— উক্ত ৰাস্তাটো শিলদিয়া ( *Gravelled* ) ৰাস্তা আৰু ইয়াক শিল দিয়া ৰাস্তাৰ মান অনুযায়ী মেৰামতি কৰি থকা হৈছে।

(গ)— ৰাস্তাটো পকী কৰি উন্নত কৰাৰ আঁচনি বৰ্ত্তমানে নাই।

## MISCELLANEOUS

শ্ৰীনূরুল হুদা ঃ— অধ্যক্ষ মহোদয়, সদৌ অসম আভ্যন্তরীন জল পরিবহনের কর্মচারীদের তরফ থেকে তাদের বিভিন্ন দাবীর ভিত্তিতে গত ২৪।২।৭৯ তারিখ থেকে তিনদিনের জন্য অর্থাত্ ২৪ ২৫ এবং

২৬ ফেব্রয়ারী এই তিনদিন ব্যাপী তারা এক প্রতীক ধর্মঘট পালন করছেন। দাবীগুলি আমি খুব সংক্ষেপে এখানে উল্লেখ করছি। কারণ সময় অত্যন্ত কম।

প্রথম দাবী হলো, ওয়ার্কচার্জ এবং মাষ্টাররোল কর্মীদের চাকুরী নিয়মিত করতে হবে।

(২) সপ্তাহে ৪৮ ঘণ্টার কাজকে বাধ্যতামূলক করতে হবে। কারণ ওদের আরও বেশী সময় খাটানো হয়।

(৩) সকল ধরনের শস্তিমুলক ব্যবস্থা প্রত্যাহার করতে হবে।

(৪) কর্মচারীদের ৮.৩৩% হারে বোনাস দিতে হবে।

(৫) পেমেণ্ট অব্ ওয়েজেস্ এ্যাক্ট, ১৯:৬ ইং অনুযায়ী প্রতিমাসে বেতন দেওয়ার একটা নির্দিষ্ট দিন বেধে দিতে হবে।

উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যপাল মহোদয়ে কৈছে যে, বিদেশী লোকৰ অনুপ্ৰৱেশ বন্ধ কৰিবলৈ মোৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। বিদেশী লোকৰ অনুপ্ৰৱেশ বন্ধ কৰিবলৈ ব্যৱস্থা লোৱা হৈছে বুলি কৈছে। মাননীয় সদস্য শ্ৰীনগেন শৰ্মা ডাঙৰীয়াই বহিৰাগত সকলৰ কথা উল্লেখ কৰিছে। তেখেতে কৈছে যে বিদেশী নাগৰিক সকলক অসমৰ পৰা বহিস্কাৰ কৰিব লাগে। এই কথাত দ্বিতীয় মত কাৰো নাই। বিদেশী নাগৰিক সকলক বহিস্কাৰ কৰিবলৈ অকল জনতা চৰকাৰ বুলিয়ে নহয় জনসাধাৰণ তথা বিধান সভাৰ মজিয়াত যিসকল আছে তেওঁলোকে কেতিয়াও কোৱা নাই যে বিদেশী নাগৰিক সকলক বহিস্কাৰ কৰিব লাগে। কিন্তু বহিৰাগত সকলক বহিষ্কাৰ কৰিবলৈ যাওঁতে এটা কথা মনত ৰাখিব লাগিব যাতে বিদেশীৰ নামত ভাৰতীয় নাগৰিকক কোনো ৰকমৰ হাৰাশাস্তি নকৰে, ভাৰতীয় নাগৰিক জনে যাতে বাহিৰলৈ যাব লগা নহয়। মই চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যে এই বিদেশী নাগৰিকৰ ডেফিনেচন কি তাৰ এটা স্পষ্ট আভাষ বিধান সভাৰ মজিয়াত দিব আৰু সেই মতে পুলিচ বিভাগক নিৰ্দেশ দিব। সিদিনাখন শ্ৰীবৰুৱা ডাঙৰীয়াই ভাষণত অংশ গ্ৰহণ কৰি কৈছিল যে ১৯৭১ চনৰ পিচত বাংলাদেশৰ পৰা যি সকল লোক আহিছে তেওঁলোকক যাব দিব লাগে এই কথা তেখেতে স্পষ্ট কৰি কৈছে। উপাধ্যক্ষ মহোদয়, আপোনাক মই তথ্যসহকাৰে প্ৰমাণ কৰি দিব পাৰোঁ। কেনেকৈ বিদেশীৰ নামত ভাৰতীয় নাগৰিকক জোৰ জুলুম কৰিছে আৰু বহিস্কাৰ কৰিছে। মই সিদিনাখন মঙ্গলদৈলৈ গৈছিলোঁ। তাৰ যিখন পানেৰী অঞ্চল যৰ পৰা আমাৰ মাননীয় সদস্য চহৰীয়া ডাঙৰীয়া আহিছে তাত এটা ভীষণ সমস্যা হৈছে। তাৰ পুলিচে যিজন গাওঁবুঢ়া তেওঁক বিদেশী লোকৰ নাম দিবলৈ কৈছে। গাওঁবুঢ়াজন আহি

কৈছে যে মই কেনেকৈ দিম। তেতিয়া কলে যে স্থানীয় বিধান সভাৰ সদস্যক ধৰাগৈ বিধান সভাৰ সদস্যৰ ওচৰলৈ যোৱাত কলে যে মইনো কেনেকৈ এই নাম দিম। মই দিব নোৱাৰোঁ। আৰু সেই মতে গাওঁবুঢ়াই থানাত গৈ কলে যে মই সেই লিষ্ট দিব নোৱাৰোঁ। কিন্তু আচৰিত কথা তাৰ পিচদিনাখন গধূলি ৫ বজাত পুলিচ সেইখিনিলৈ গৈ মতা, মাইকী, ল'ৰা-ছোৱালী সকলোকে গাড়ীত ভৰালে। আনকি তেওঁলোকক চাউল, ধান, মুৰ্গীৰো কোনো ব্যৱস্থা কৰিবলৈ নিদিলে। তেওঁলোকক গোলোকগঞ্জ থানালৈ লৈ যোৱা হল আৰু পুলিচক চমজাই দিলে। সেইমতে সিপাৰ কৰিলৈ গল আৰু দেখুৱাই দিলে যে এইফালে গলে জয়বাংলা পাবা, আৰু এই ফালে গলে কোচ বিহাৰ পাবা আৰু ইফালেদি আহিলে অসম পাবা। তোমালোকৰ যি ইচ্ছা তাকে কৰা। এয়া এটা নমুনা মাত্ৰ। এনেকুৱা বহুত ঘটনাৰ কথা কব পাৰোঁ। আচলতে বহিষ্কাৰ বহিৰাগতক কৰা নাই। ভাৰতীয় নাগৰীকক হে কৰিছে। সেই প্ৰমাণ আমাৰ হাতত আছে। আমাৰ ৰেকৰ্ডমতে শ্ৰীমোহন বিশ্বাস, পানেৰীৰ মানুহ, ১৯৫৮ চনতে আহিছে। তেওঁলোকৰ মাটিৰ পট্টাও আছে। (শ্ৰীদুলাল বৰুৱা - সেই কাগজখিনি আমাক দিবনে?)। দিম কিন্তু প্ৰতিশ্ৰুতি দিব লাগিব যে এই বিধান সভাৰ সকলো দলৰ তৰফৰ পৰা এটা অনুসন্ধান কমিটী গঠন কৰি দিব লাগিব। আৰু সেই কমিটীয়ে ভাৰতীয় নাগৰিকৰ ওপৰত জোৰ জুলুম হৈছে নে নাই বিবেচনা কৰি চাব। অকল পুলিচৰ ওপৰত এৰি দিলেই সৰ কথা নহয়। তেওঁলোকক এই কাগজখন এৰি দিলে তেওঁলোকে আহি কব যে আমি একো নকৰোঁ। আমাৰ হোজাই অঞ্চলতো এই ধৰণৰ কাৰবাৰ হৈছে। এই বিলাক আপোনালোকে কাগজে পত্ৰই পাইছে। বিদেশীৰ নামত যিটো মুচলমান সম্প্ৰদায় তেওঁলোকক পৰীক্ষা নিৰিক্ষা নক-

ৰাকৈ এই ব্যৱস্থা কৰা হৈছে। ইয়াকে গনতন্ত্ৰ ঘুৰাই অনা বুলি কয়নে ? গতিকে বিদেশী নাগৰিক কোন সেই সম্পৰ্কে এটা সংজ্ঞা বাহিৰ কৰিবলৈ মই সদনক দাবী জনাওঁ আৰু সকলোৰে তৰফৰ পৰা সদস্যলৈ এটা কমিটী কৰি দিব লাগে আৰু কমিটীৰ ওচৰত আমি এই কাগজ পাতি দাঙি ধৰিম। কমিটীয়ে পৰীক্ষা কৰি যদি কয় যে বিদেশী নাগৰিককহে খেদা হৈছে তাত ভাৰতীয় নাগৰিক এজনো নাই তেতিয়া হলে আমাৰ কব লগীয়া একো নাই। মোৰ বোধেৰে বিদেশীয়েই হওক বা ভাৰতীয়ই হওক বিচাৰ হোৱাৰ পিচতহে তেওঁক বহিষ্কাৰ কৰিব লাগে। সিদিনাখন বৰুৱা ডাঙৰীয়াই ট্ৰিবুনেল কৰাৰ কথা কৈছে আৰু পঞ্চায়ত বডি কৰা কথা কৈছে। এই সকলোখিনি জুডিচিয়েল হব লাগে। সকলো কথাই পুলিচৰ হাতত এৰি দিয়াটো উচিত নহয়। এই ব্যৱস্থা যদি আৰু কিছু দিন চলি থাকে তেনেহলে আমি হাত সাৰটি বহি নাথাকিম। দ্বিতীয়তে নাগালেণ্ড বডাৰৰ সীমাৰ কথালৈ আহোঁ। এইটোত অৱশ্যে যথেষ্ট সময় লাগিব। আজি জনতা চৰকাৰে ১৮২৬ শকৰ বুৰঞ্জীৰ দোহাই দি কথাটো এবাৰলৈ যত্ন কৰাটো বৰ দুৰ্ভাগ্যৰ বিষয়। যি ঘটনা ঘটি গল, অসমীয়াত এটা কথা আছে যে চাপৰিলেই মেঘ নেৰাই। গতিকে বুৰঞ্জীৰ দোহাই দি সত্য কথাক লুকাই থব বিচাৰিলেই লুকাব পৰা নাযায়। এইটো এটা আন্তঃৰাষ্ট্ৰীয় কথা হৈ পৰিছে। তাত এটা পুলিচ আউত পোষ্ট আছে। সেইটো উঠাই পেলোৱা হল বুলি কৈছে। আমাৰ ইয়াত থকা বহুতো মাননীয় সদস্যই সেই অঞ্চল ভ্ৰমণ কৰি আহিছে। চুঙাজানত যি ঘটনা ঘটিল তাত ৰাস্তা পদুলি আছে পুলিচ আউট পোষ্ট আছে। তিনিআলিটোৰ সিফালে পুলিচ আউট পোষ্ট আছে। তাত কোনো হাবি জঙ্গল নাই। কেইডাল মান গছ

আছে। যত ঘটনা ঘটিছে আউট পোষ্টৰ পৰা ১০০ এশ গজৰ কম হলেও বেছি নহয়।

পুলিচৰ যিটো বেটেলিয়ান কেম্প তাত আছিল তাত জানো পুলিচ নাছিল ? গাড়ী নাছিল ? সম্পূৰ্ণ তাত আছিল। কিন্তু এশ গজ আৰ্তৰত ৰাতি পুৱা পাঁচটাৰ পৰা গধূলি পাঁচটালৈ দুৰ্বৃত্ত সকলে মানুহৰ ঘৰ দুৱাৰ জ্বলাই দুগৰাকী গৰ্ভৱতী তিৰোতাকে ধৰি সকলোকে শেষ কৰি দিলে সেই সময়ত পুলিচ তালৈ নগল কিয় ? অন্য এঠাইত ২১ জন মানুহক ধৰি পিচফালে হাত বান্ধি ৰেংমা নৈৰ কাষত গুলিয়াই গুলিয়াই মাৰিলে, অন্য কিছুমানত পিচত যেনিবা তিৰোতা মানুহখিনিক এৰি দিলে। তাৰ পৰা এজন মানুহ পলাই আহি পুলিচক খবৰ দিলে, কিন্তু মানুহ তালৈ নগল। আমাৰ সদস্য শান্তি ৰঞ্জন ডাঙৰীয়াই শ্বিলং চুক্তিৰ কথা কৈছে। এই বিলাক লুকাই ৰখাৰ কাৰণ নাই, দৰকাৰ হলে ঘূৰাই দিব পাৰি। মুখ্য মন্ত্ৰী গোলাপ বৰবৰাই নিজে কৈছে যে ২৩ ডিচেম্বৰ তাৰিখে আমি কেন্দ্ৰীয় চৰকাৰক এনেকুৱা এটা ঘটনা হব পাৰে বুলি জনাইছিলো। অসমৰ ৰাজ্যপালে ডিচেম্বৰৰ প্ৰথম সপ্তাহতে দুয়োজন মুখ্য মন্ত্ৰী লগ হৈ আলোচনা কৰিব লাগে বুলি কৈছিল। আমাৰ মুখ্য মন্ত্ৰীয়ে ডিচেম্বৰ মাহত সময় নাপালে। জানুৱাৰী মাহৰ দুই তাৰিখে দুয়োজন মন্ত্ৰী মিলিত হৈ আলোচনা কৰিলে তাৰ পিচতেই পাঁচ তাৰিখে এই ঘটনা ঘটিল। মাননীয় সদস্য এজনে কৈছিল যে দৈয়াং টেকনিকেল ভায়লেঞ্চৰ কাৰণে এই ঘটনা ঘটা নাই। আমাৰ পক্ষৰ পৰা অধ্যক্ষ মহোদয়, কল এটেনশ্বনৰ কাৰণে আপোনাৰ সন্মতি জনাই ছলো। কিন্তু চৰকাৰী বেঞ্চৰ পৰা কোৱা হল যে এইটো দেলিকেট ইচু, আলোচনা কৰিব নোৱাৰি। প্ৰয়ো-

জনা হলে আমি চিক্রেট চেচন কৰি আমি আলোচনা কৰিম। কিন্তু সেইটো কৰা নহল। দৈয়াং বনাঞ্চল যি তাৰিখে খুলি দিয়া হল তেতিয়া নগালেণ্ডৰ মুখ্য মন্ত্ৰীয়ে কলে যে ইয়াৰ ফলত যদি কিবা অশুভ ঘটনাৰ সৃষ্টি হয় তেন্তে ইয়াৰ দায়িত্ব অসম চৰকাৰে লব লাগিব। মুখ্য মন্ত্ৰী ভিজলে কিয় এনে কৈ কব লগা হল ?দৈয়াং বনাঞ্চল পিয়ল কৰে চৰকাৰী বিষয়াই। ইয়াত যিখিনি মানুহ বহুৱা হল সেই খিনিৰ কিছুমানে বেছি কিনি গুচি গল, আকৌ নতুন মানুহ আনি বহুৱা হল। তাত কিছুমান নগা আছিল। দিচৈ ভেলীত বিজয় দিবস পতা হল। সেই সময়ত ভৈয়ামৰ কিছুমান মানুহে প্ৰতিবাদ দিবস পাতিব খুজিলে। আমি বাধা দিলো। দৈয়াং-ৰেংমা চুঙাজান অঞ্চলত আগৰ পৰাই কিছুমান নগা বহি আছিল। মাননীয় সদস্য নগেন বৰুৱা ডাঙৰীয়াই প্ৰশ্ন কৰিছে যে সেই অঞ্চল বিলাকত কেনেকৈ নগা বহিবলৈ পালে ? মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াৰ লগত মই একমত। এই সকলক এনক্ৰোচাৰ হিচাবে ঘোষণা কৰিব লাগে।

শ্ৰীনগেন বৰুৱা :— অধ্যক্ষ মহোদয়, পইন্ট অব ক্লিয়োৰিফিকেশ্যন। মই কৈছো যে ৰেংমা, নামবৰ আৰু দিফু, ইয়াত কোনো কাজিয়া নাছিল। ইয়াত পৰিকল্পিত ভাবে কিছুমান নগা গাওঁ বহুৱা হল। তেখেতে এই কথাটোৰ ব্যাখ্যা কেনেকৈ কৰিছে মই নাজানো।

শ্ৰীগজেন তাঁতী :— টেকনিকেল ভায়লেন্স বুলি কৈছে, কেনেকৈ ইয়াৰ ৰিপা- কেশ্যন আহিছে মই সুধিছো।

শ্ৰীনগেন বৰুৱা :— দৈয়াঙৰ কোনটো অঞ্চলত নগা আছে কব লাগে।

শ্ৰীগজেন তাঁতী :— অধ্যক্ষ মহোদয়, এই ঠাইত প্লেন্টেশ্যান এৰিয়া আছে নে আপুনি চাওক। মুখ্য মন্ত্ৰীয়ে নিজে তেখেতৰ ভাষণত কৈছে। আমাৰ কামৰূপ জিলাত কেইখনমান খাচী গাওঁ আছে, তেতিয়া হলে তেওঁলোকক খেদি দিব লাগিব ? গোৱালপাৰা জিলাত বহুতো বড়ো গাওঁ আছে সেই সকলক তাৰ পৰা খেদি দিব লাগিব ?

মাননীয় উপাধ্যক্ষ :— আপুনি এই চোৱা সময়ৰ ভিতৰতে শেষ কৰিব লাগিব। আপোনাক কুৰি মিনিট সময় দিয়া হৈছিল। তাৰে দুই মিনিট মান বৰুৱাই লোৱাত আপুনি দুই মিনিট বেছিকৈ কৈ শেষ কৰিব লাগিব।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) :— কথাটো হৈছে আমাৰ ইয়াত নগা, খাচী আদি সকলো মানুহ থাকিব, এওঁলোকক খেদি দিয়াৰ প্ৰশ্ন নুঠে। কিন্তু অন্যায় ভাবে মানুহ বহিলে তেওঁলোকক উঠাই পঠোৱা হব।

Mr. Dy. Speaker :— Order, order, Hon'ble Member Shri Tanti will resume his speech after lunch. The House now stands adjourned till 2/30 p.m. today.

( After lunch )

Mr. Deputy Speaker :— Hon'ble Member Shri Tanti.

শ্ৰীগজেন তাঁতী :— মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মই ইয়াৰ আগতে যোৱা নাগালেণ্ড বৰ্ডাৰত যিবিলাক ঘটনা হৈ গল তাৰ কিছু কথা দাঙি

ধৰিছিলো। সেই কথাবিলাক দাঙি ধৰিবলৈ যাওঁতে দুই এজন মাননীয় বন্ধুৱে মোক কৈছে যে নাগালেণ্ড অসমৰ বৰ্ত্তমান যি মিলা-প্ৰীতিৰ প্ৰচেষ্টা চলোৱা হৈছে তাত যাতে বাধা নপৰে। সেই ক্ষেত্ৰত মই সজাগ। কিন্তু এনেকুৱা কিছুমান কথাৰ অবতাৰণা কৰিছে যিবিলাক কথাৰ উত্তৰ নিদিলে অন্যায় কৰা হব। মাননীয় সদস্য শ্ৰীনগেন বৰুৱা ডাঙৰীয়াই কৈছে যে বনাঞ্চলত টেক্‌নিকেল ভায়োলেচন কৰিছে। কিন্তু এই ঘটনা বনাঞ্চলত নহৈ অন্যান্য অঞ্চলত কিয় হল? সেই কাৰণে মই কিছুমান কথা দাঙি ধৰিছিলো যে যি তাৰিখে দৈয়াং বনাঞ্চল মুকলি কৰি দিয়া হল তাত আমাৰ মানুহে নন্ অফিচেয়েলি কমিটি আদি কৰি লাখ লাখ টকা পইচাৰ কাম কৰি গল। সেই সময়ত অকল দৈযাংতে নহয় ডিমাপুৰৰ পৰা আৰম্ভ কৰি গোটেই সীমান্ত অঞ্চলত সৃষ্টি হয়। ত'ৰ আগতে উত্তেজনা কিছু বছৰ বন্ধ আছিল। মাননীয় বৰুৱা ডাঙৰীয়াই দৃঢ়ভাবে কব পাৰে যে তাত নগা চৰকাৰৰ কোনো হাত নাই। কিন্তু ময়ো দৃঢ়ভাবে কব পাৰো যে ইয়াত নগা চৰকাৰৰ সম্পূৰ্ণ হাত আছে। তেনেহলে এইটো প্ৰমান কেনেকৈ কৰিব? সেই কাৰণে মই, তথা সমগ্ৰ অসমবাসীয়ে এটা উচ্চ পৰ্যায়ৰ তদন্ত কমিটিৰ দাবী কৰিছো। মুখ্যমন্ত্ৰী ড'ঙৰীয়াৰ ফালৰ পৰাও এটা উচ্চ পৰ্যায়ৰ তদন্ত কমিটি দিয়া হব বুলি কৈছিল। উপাধ্যক্ষ মহোদয়, আপুনি নিশ্চয় জানে যে বিধান সভাৰ ফালৰ পৰাও এটা টীম পঠিওৱা হৈছিল আৰু তেওঁলোকে উচ্চ পৰ্য্যায়ৰ তদন্তৰ দাবী কৰিছিল। উচ্চ পৰ্য্যায়ৰ কমিটি কৰিম বুলি পিচত নকৰা হল। নাগালেণ্ডৰ ঘটনা সম্পৰ্কত এতিয়া আমি কাৰ কথা বিশ্বাস কৰো। মুখ্যমন্ত্ৰীয়ে প্ৰেচ ষ্টেতমেণ্ট দিছে যে এই ঘটনা সংক্ৰান্তত নগা ৰিবেলৰ সহযোগ আছে। তাৰ পিচত সংসদী পৰিক্ৰমা মন্ত্ৰী শ্ৰীবৰুৱাদেৱে দিল্লীৰ পৰা ষ্টেতমেণ্ট দিছে যে ইয়াত

কোনো ৰিবেলৰ হাত নাই। মুখ্য সচিবে কৈছে ইয়াত ৰিবেলৰ হাত আছে। গতিকে আমি কোনবিলাক কথা কেনেকৈ বিশ্বাস কৰিম। মই আগতে কৈছো ৰে চাপৰিলে মেঘ নেৰায়, গতিকে এই সমস্যাত মোৰ পৰামৰ্শ এয়ে যে ১৯২৬ চনৰ বুৰঞ্জীৰ ইতিবৃত্ত বন্ধ কৰক। কাৰোবাক জগৰীয়া কৰি তাত যেন একোৱেই হোৱা নাই এইদৰে কৈ সমস্যাৰ গুৰুত্ব পাতলাবলৈ যত্ন নকৰিব। এইটো গুৰুতৰ ভাবে লওঁক। মিলাপ্ৰীতি আৰু আলোচনা-বিলোচনাৰ মাজেদি সমস্যা সমাধান হব লাগিব। এইখিনিতে মই এটা কথা কব খুজিছো অসমৰ যি দুটা জলন্ত সমস্যা আছে তাক যেন কেলৱ জনতা পাৰ্টিৰেই সমস্যা বুলি বুকুত বান্ধি সমাধান কৰিবলৈ যত্ন নকৰে। বিৰোধী দলপতিসকলকো বিশ্বাসত লওঁক। বিদেশী নাগৰীকক বহিস্কাৰ আৰু নাগালেণ্ডৰ সমস্যা সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে আজিলৈকে বিধান সভাৰ যিবিলক বিৰোধী দলৰ দলপতি তেখেত সকলৰ লগত কিবা আলোচনা কৰিছেনে? ইয়াতকৈ দুৰ্ভাগ্যৰ কথা আন একো হব নোৱাৰে। মই খবৰ লৈছো যে নাগালেণ্ডৰ সমস্যাৰ বিষয়ে প্ৰায় পোন্ধৰ দিনৰ পিচত বিৰোধী দলপতি বিলাকক মতা হৈছিল। আমাৰ দলপতিয়ে চিঠিয়ে নাপালে। আন্যান্য দলপতি বিলাকে কি আলোচনা বিলোচনা কৰিলে নাজানিলো। ৰাজ্যপালে ৰাজহুৱা ভাৱে কৈছিল যে এই বিষয়টোৰ সম্পৰ্কত মুখ্যমন্ত্ৰীৰ লগত বহুত দিনৰ পৰা আলোচনা কৰিছে। কিন্তু একো ব্যৱস্থা কৰা নহল। মই শ্ৰীদুলাল বৰুৱাৰ ভাষাতে কও আৰু তেখেতে এইটো বৰকৈ কৈও থাকে যে লিগেলি, মৰেলি, কনষ্টিটিউচনেলি শ্ৰীগোলাপ বৰবৰাৰ মুখ্যমন্ত্ৰী হৈ থকাৰ কোনো অধিকাৰ নাই। তেখেতে কেতিয়াবাই ৰিজাইন দিব লাগিছিল। জানি শুনিও তেখেতে এই ৰাজ্যৰ কেবাশ মানুহৰ প্ৰাণৰক্ষা কৰিব নোৱাৰিলে। মানুহৰ স-সম্পতি ৰক্ষা কৰিব নোৱাৰিলে।

তাৰ পিচতো তেখেতে অসমৰ মুখ্যমন্ত্ৰী বুলি কব খোজে। অতি দুৰ্ভাগ্যৰ কথা যে শ্ৰীনগেন বৰুৱা ডাঙৰীয়াই বৰ উতফুল্ল চিত্তে কৈছে যে বিদেশী নাগৰিক সকলক আমি আমাৰ ৰাজ্যৰ পৰা ঘূৰাই পঠোৱাৰ দৃঢ় প্ৰতিজ্ঞ। শ্ৰীবৰুৱাই ভোৰ ভোৰাই আছে যে পঞ্চায়তৰ কেইটামান চিত কমিব, কমক। পঞ্চায়তৰ কেইটা-মান চিট কমায়েই এই সমস্যা সমাধান কৰিব নোৱাৰে। খবৰ কাগজত পাইছো পঞ্চায়ত নিৰ্বাচনত সৰহ সংখ্যক জনতা পাৰ্টিৰ লোক আহিব পৰা নাই। তেখেতে টকা পইচাৰ লোভ দেখুৱা-ইছে কাৰোবাক গাড়ীও দিছে।

Shri Dulal Chandra Barua ( Minister ) :— I strongly protest to this statement of the hon. Member তেখেতে যদি প্ৰমাণ সহ কব পাৰে কওঁক। প্ৰমাণ দিব নোৱাৰিলে তেখেত এজন পুৰণি সদস্য হিচাবে এইটো কোৱা সোভনীয় নহয়।

*শ্ৰীগজেন তাঁতী ঃ- মই খবৰ পাইছো। কিন্তু মই কাকো ব্যক্তিগত ভাবে কোৱা নাই।

শ্ৰীনগেন বৰুৱা :- বহিৰাগতক ৰাখিব লাগেনে পঠিয়াব লাগে পৰিস্কা-ৰকৈ কওঁক।

*শ্ৰীগজেন তাঁতী :— মই কওঁ এজনো বিদেশী নাগৰিকক অসমৰ মাটিত থাকিব দিব নালাগে। সেইবুলি বিদেশী বুলি এজনো ভাৰতীয়

* Speech not corrected

নাগৰিকক বিনা বিচাৰে খেদিব নোৱাৰে। ইয়াৰ পৰাই বিনা বিচাৰে পঠোৱাৰ প্ৰমান আছে। সেইকাৰণে মোৰ দাবী হল এই বিধান সভাৰ পৰা এটা তদন্ত কমিটি গঠন কৰিব লাগে। ভাৰতীয় নাগৰিকক বিদেশী বুলি বহিস্কাৰ কৰিছে নে নাই তাক চাব লাগে। বাস্তৱ যিটো, সত্য সেইটো স্বীকাৰ কৰিব লাগে। বস্তু বাহানীৰ দামৰ ক্ষেত্ৰত শ্ৰীতুলাল বৰুৱাক দোষ দিবলৈ নাযাও। গোটেই ভাৰতবৰ্ষতে বস্তুৰ দাম বাঢ়িছে। আজি গোটেই ভাৰতবৰ্ষতে চি, আই, চিত পাবলৈ নাই। ৫ শ টকাৰ পৰা ১ হাজাৰ পৰ্যান্ত ইয়াৰ দাম হৈছে। আইৰণ মেটেল পাবলৈ নাই। নিমখৰ দাম যত ৬৬ টকা আছিল, সি এতিয়া ১২০ টকালৈ উঠিছে। গতিকে শ্ৰীতুলাল বৰুৱাই সেইবোৰ কম দামত দিব কৰ পৰা ?

আজি কানপুৰ গুজৰাটত নিমখৰ দাম ৩৫ টকাৰ পৰা ১২০ টকালৈ উঠিল। কেন্দ্ৰীয় চৰকাৰে মাত্ৰ ৫ খন ৰাজ্যক এক্সপৰ্ট লাইচেন্স দিলে। তাৰ ফলতে অসমত নিমখৰ দাম ১৪ টকাৰ পৰা ১৭ টকালৈ উঠিল। গতিকে এই দাম ভাৰত বৰ্ষতেই বাঢ়িছে ইয়াত মাননীয় বৰুৱা ডাৱীয়াই ১৪ টকাত নিমখ দিব নোৱাৰে। আমি সচাঁ কোৱাটোকে ভাল বুলি বিবেচনা কৰো। যেতিয়া গোটেই ভাৰতবৰ্ষতেই বস্তুৰ দাম বাঢ়িব তেতিয়া অসমত সেই বস্তুৰ কমাই দিব নোৱাৰে। এইটো কথা অস্বীকাৰ কৰি লাভ নাই। এতিয়া শ্ৰম মন্ত্ৰী ইয়াত উপস্থিত নাই। আমাৰ ইয়াত যে এটা শ্ৰম বিভাগ আছে সেই কথা আমি ভাবিবলৈ টান পাওঁ। মাত্ৰ সদায়েই কৈ আহিছে যে জনতা চৰকাৰে বহুত কাম কৰিছে। কিন্তু শ্ৰমিক সকলৰ কাৰণে কিনো কৰিছে তাৰ কথা ৰাজ্যপালৰ ভাষণত শব্দ এটাও নাই কিন্তু অতি দুৰ্ভাগ্যৰ বিষয় ৭ পৃষ্ঠাৰ শেষৰ ফালে কৈছে "অসম চাহ নিগমে সন্তোষজনক ভাবে

লাভ কৰিব পাৰিছে আৰু ১৯৭৭ আৰু ৭৮ চনৰ ভিতৰত এই নিগমতে কুৰি শতাংশ হাৰত 'বনাচ' দিব পাৰিছে। উপাধ্যক্ষ মহোদয়, সকলোৱেই জানে যে ১৯৭৮ চনৰ বনাচ চাহ শিল্পকেই নহয় কোনো শিল্পকেই দিয়া হোৱা নাই। ১৯৭৮ চনৰ কোনো শিল্পৰেই প্ৰফিট এণ্ড লচ বেলেন্স চিটেই হোৱা নাই। ১৯৭৮ চনৰ বনাচ হয়তো পুজাৰ আগে আগে দিব পাৰিব। ইয়াত কৈছে যে ১৯৭৭ আৰু ৭৮ চনৰ বনাচ দিয়া হৈ গৈছে। দিব বিচৰা নহয় দিয়া হৈ গল। কেনেকৈ এই অসত্য ছবিখন ডাঙি ধৰিব পাৰিলে আমি ভাবি নাপাও। এনেকৈয়ে সদনক বিভ্ৰান্ত কৰিছে। আমাৰ কুটিৰ শিল্প যি খিনি আছে সেই খিনিৰো অৱস্থা নাইকীয়া হৈছে। আমি কিছু দিনৰ পৰা দেখিবলৈ পাইছো যে চাৰিও ফালে কেৱল ধৰ্মঘট। এখন চৰকাৰ থাকোতে এই দৰে ইমান ধৰ্মঘট কিয় হবলৈ পাইছে ?

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— ধৰ্মঘট যে শ্ৰমিকৰ ডাঙৰ অধিকাৰ এইটো স্বীকাৰ নকৰেনেকি ?

শ্ৰীগজেন তাঁতী :— ধৰ্মঘট কৰিবলগীয়া হৈছে কিয় ? এখন চৰকাৰ থাকোতে কিয় কেৱল ধৰ্মঘট আমি চাৰিও ফালে দেখিবলৈ পাইছো।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— ১৯৭৫-৭৬ চনত আপোনালোকে ধৰ্মঘট কৰিব নিদিছিল।

শ্ৰীগজেন তাঁতী :— যোৱা বিধান সভাত আমি বাৰে বাৰে শোধাৰ পিচত মুখ্যমন্ত্ৰীয়ে কৈছিল যে পি, টি, চি, ৰ এটিয়া কোনো দাবী নাই।

কিন্তু হঠাত্ আমি পাইছো যে 'নিজ জন্মভূমিৰ সৃষ্টিৰ বিনে ভৈয়াম জনজাতীৰ জীৱণৰ কোনো নিৰাপত্তা নাই। সেই প্ৰস্তাবিত গৃহ-ভূমিৰ নামেই উদয়াচল আৰু আগন্তক ২৭ ফেব্ৰুৱাৰীৰ দিনটো উদয়াচল দাবী দিবস হিচাবে পালন কৰিবলৈ অহ্বান দিছে'। গতিকে মই চৰকাৰক কওঁ যে সচাঁকৈ আপোনালোকে পি, টি, চি,ৰ লগত খাটাং মীমাংসাত আহিলে নে নাই? যদি অহা নাই, নাই বুলি কওঁক। এই কেইআষাৰ কথা কৈয়ে আমাৰ ফালৰ পৰা যি সংশোধনী প্ৰস্তাৱ দাঙি ধৰিছে আশা কৰো অন্ততঃ এই সংশোধণীটোৱে আমাৰ সকলোৰে সমৰ্থন। এই আশা ৰাখিয়ে মই মোৰ ভাষণৰ সামৰণী মাৰিলো।

*শ্ৰীনগেন শৰ্মা :— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীআলটাফ হুচেইন মজুমদাৰ ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্ৰস্তাৱ দাঙি ধৰিছে সেই প্ৰস্তাৱৰ সমৰ্থনত মই মোৰ ভাষণ ৰাখিব খুজিছো। জনতা চৰকাৰ অসমত প্ৰতিষ্ঠা হোৱাৰ আজি এবছৰো হোৱা নাই। কিন্তু এই এবছৰ নোহওঁতেই অন্ততঃ কিছুমান ক্ষেত্ৰত নতুন আশাৰ ৰেঙণি দেখিবলৈ পাইছো বুলি মই বিশ্বাস কৰো। উপাধ্যক্ষ মহোদয়, বিশেষকৈ আমাৰ কেইটামান বিভাগত যি ধৰণেৰে কাম হৈছে অসমৰ প্ৰশাসনীয় ইতিহাসত কেতিয়াও তেনে কাম হোৱা নাই বুলি মই ভাবো। বিশেষকৈ গড়কাপ্তানী বিভাগে এই বছৰৰ ভিতৰত যি ৬১৪ কিঃ মিঃ নতুন ৰাস্তা তৈয়াৰ কৰিবলৈ লৈছে আৰু কামত যি ভাবে অগ্ৰগতি হোৱা দেখা গৈছে বোধহয় সদনৰ সকলোৱে স্বীকাৰ কৰিব অসমত

Speech not corrected

এক বছৰৰ ভিতৰত্ত সিমান কাম আগতে কেতিয়াও হোৱা নাছিল। আনহাতে আৰু অন্যান্য দিশত বিশেষকৈ এই বিভাগে সকলো ক্ষেত্ৰতে কাম কৰা দেখা পাইছো। অন্যান্য ক্ষেত্ৰত কিছুকাম কৰিবলৈ হাতত লোৱা হৈছে। কোনো কোনো ক্ষেত্ৰত আগবাঢ়িবলৈ পৰা নাই যদিও নিষ্ঠাৰে আগবাঢ়িবলৈ চেষ্টা কৰাটো আমি দেখা পাইছো। আমি এটা শুদ্ধ গণতান্ত্ৰিক দলৰ লোক হিচাবে নিজৰ দলৰ কাৰ্য্য বিশেষ ভাবে গঠনমুলক সমালোচনা কৰি দলৰ কিছু কথা আঙুলিয়াই দিব খুজিছো যাতে আমাৰ চৰকাৰে ভবিষ্যতে সেইবিলাক দোষত দৃষ্টি নিক্ষেপ কৰে। আজি অসমত বহুত জলন্ত সমস্যাই দেখা দিছে। প্ৰধানকৈ নাগালেণ্ডৰ লগত যিটো সীমান্তৰ কথা কোৱা হৈছে সেইটো এটা ডাঙৰ সমস্যা বুলি কোৱা হৈছে। মই সেই কথাটো নকৈ তালৈ ইমান মানুহ কিয় যাবলগীয়া হ'ল সেই বিষয়ে মই অলপমান কব খুজিছো। দ্বিতীয়তে আজি অসমত ঘোৰ নিবনুৱা সমস্যাই দেখা দিছে। তৃতীয়তে বিভাজনমুখী শক্তিয়ে আকৌ কিছু পৰিমাণে মুৰ দাঙি উঠিছে। এইবিলাক বৰ ডাঙৰ বেমাৰৰ লক্ষণ বুলি মই অনুভব কৰো। এই বেমাৰ বিশেষকৈ অৰ্থনৈতিক যি জটিল অৱস্থা এই জটিল অৱস্থাৰ যিটো বেমাৰ হব পাৰে তাৰ উপসৰ্গ বুলি মই বিবেচনা কৰো।

কংগ্ৰেছৰ দিনত অসমৰ কাৰণে যি ধৰণে পৰিকল্পনা কৰিব লাগিছিল ঠিক সেই ধৰণে নকৰা কাৰণে বিদেশৰ পৰা আৰু অন্যান্য ঠাইৰ পৰা বহু সংখ্যক লোক অসমলৈ আহিছিল। সেই মানুহ বিলাক যিয়ে যি কৰক বা নকৰক এইটো কথা ঠিক যে সেই সকল অৰ্থনৈতিক কাৰণতেই ইয়ালৈ আহিছিল

আৰু এতিয়াও আহি আছে। কেন্দ্ৰত যি পৰিকল্পনা কৰিছিল সেই পৰিকল্পনাৰ লগত কংগ্ৰেছে সদায় নিজকে চলাই নিছিল আৰু অসমৰ যিটো আৰ্থসংস্কৃতিক, থলুৱা লোকৰ যিটোঅৰ্থ-সংস্কৃতিক, জনজাতীয় লোকৰ যিটো আৰ্থ সাংস্কৃতিক, অনুসূচীত জনজাতিৰ যিটো অৰ্থ-সাংস্কৃতিক তাৰ ওপৰত ভিত্তি কৰি কংগ্ৰেছে কোনো একো পৰিকল্পনা কৰা নাছিল। পৰিকল্পনাত যি পৰি-মাণৰ টকা ব্যয় হৈছিল সেইবোৰৰ কাৰণে যি আৰ্থিক সা-সুবিধা লৈছিল সেইবোৰ বিশেষকৈ অসমৰ থলুৱা লোকৰ মাজত সোমাব পৰা নাছিল বা সোমাব পৰা বিধি ব্যৱস্থা কৰিব পৰা নাছিল। উদাহৰণস্বৰূপে একমাত্ৰ এটা কথা কওঁ যে বিআৰ-পি-এলৰ ওচৰে পাজৰে যি সকল থলুৱা লোক আছিল সেই কমপ্লেক্স হোৱাৰ পিচত সেই সকল লোক তাৰ পৰা আতৰি আহিব লগীয়া হল। নতুনকৈ সৃষ্টি হোৱা পৰিবেশৰ আৰ্থ-সাংস্কৃতিক পৰিস্থিতিৰ লগত খাপ খাই পৰিব নোৱাৰাৰ কাৰণেই সেই থলুৱা লোক সকল আতৰি আহিব লগীয়া হৈছিল। ঠিক তেনেদৰে যোৱা কালছোৱাত কংগ্ৰেছে যিমান বিলাক পৰিকল্পনা কৰিছিল সেই বিলাকৰ দ্বাৰা থলুৱা লোকসকলৰ ভিকটিম কৰা হৈছে। জনজাতীয় আৰু পিচপৰা শ্ৰেণীয়ে তেওঁলোকৰ মাটি বাৰী এৰি আতৰি থাকিবলগীয়া হল। মই এইটো কথা স্পষ্ট ভাৱে কব পাৰো যে বাহিৰৰ পৰা বা বিদেশৰ পৰা অহা লোকসকলে ভূমিৰ লগত যিটো নিবিড় সম্পৰ্ক আৰু তাৰ ব্যৱহাৰ যেনেভাৱে কৰিছিল বা কৰিব ধৰিলে সেই ধৰণৰ ব্যৱহাৰ আমাৰ ইয়াৰ মানুহে আগতে নাজানিছিল। সেই কাৰণেও তেওঁলোক লাহে লাহে আতৰি যাবলগীয়া হৈছে। ইমান দিনে কংগ্ৰেছে তেনে ধৰণৰ পৰিকল্পনা লোলোৱাকৈ থাকি এতিয়া নতুন পৰিকল্পনাৰ যি ৰূপেই নহওক কিয় তাৰ কাৰণে জনতাক

দোষাৰোপ কৰাৰ কোনো অধিকাৰ নাই। যোৱা বছৰত মুখ্য-মন্ত্ৰীৰ সচিবালয়ৰ পৰা প্ৰকাশিত এখন পুস্তিকা আমি পাইছো। তাত লিখিছে—

"Nation is now committed to an agricultural and rural based planning because it has been realised that without prosperous agriculture and wide based country side development growth is not possible. কেইটামান মাত্ৰ উদ্দেশ্য সাৰোগত কৰি ৰাখিছিল আৰু সেইমতে লিখিছিল—

(i) raising agricultural productivity especially in small and marginal farms through better management ;

(i) the maximum possible employment that can be provided in rural areas in a way that the assets created increase productivity and the welfare of the people ;

(iii) the maximum employment that can be provided in rural areas by agro based industries and services and by small scale industries, trade and services in urban areas ;"

ঠিক সেই ধৰণে আঁচনি কৰা কাৰণেই তাৰফল জনসাধা-

ৰণক যি পৰিমাণে দিব লাগে সেই পৰিমাণে দিব পৰা নাছিল। দেখা যায় কোনো ক্ষেত্ৰতেই ৰাজনৈতিক নীতি প্ৰযোজ্য হোৱা নাই। বিষয়া সকলে কিমান খিনি টকা লাগিব তাকে কোনোমতে জুকিয়াই দিলেই তাকেলৈ পৰিকল্পনা, আচনি কৰিলে কি কাম আশা কৰিব পাৰি। মই সেই কাৰণেই বাৰে বাৰে কৈছো যে আৰ্থ-সাংস্কৃতিক বুনিয়াদৰ ওপৰত ভিত্তি কৰি পৰিকল্পনাই গঢ় লব লাগিব আৰু তাৰ ওপৰত প্ল্যান প্ৰগ্ৰেম কৰিব লাগিব। আমাৰ মুখ্যমন্ত্ৰীয়ে সম্পুৰ্ণৰূপে আওকাণ কৰি থকা যেন ভাব হৈছে। কংগ্ৰেছৰ ভুলৰ কাৰণে যেনেকৈ অসমৰ জনসাধাৰণৰ মন বিষাক্ত পৰিবেশৰ দ্বাৰা আচ্ছন্ন হল সেইটো যাতে জনতা চৰকাৰৰ দিনত আকৌ হব নোৱাৰে তাৰ কাৰণে সময় থাকোতেই ব্যৱস্থা লোৱা উচিত হব। নিয়োগ পৰ্য্যালোচনা সমিতিৰ সভাপতি শ্ৰীনগেন বৰুৱা ডাঙৰীয়াৰ অধীনত সমিতিয়ে যোৱা জুন মাহতেই পোন্ধৰ লাখ নিবনুৱা আছে বুলি ৰিপোৰ্ট দাখিল কৰিলে। ওমৰুদ্দিন চাহাবেও কৈছে চাৰে পোন্ধৰ লাখ নিবনুৱা আছে। শ্ৰীবৰুৱা ডাঙৰীয়াই ৰিপোৰ্টত কৈছিল— There should be a special cell under the Department of Parliamentary Affairs.

কিন্তু জুন মাহৰ পৰা আজি ইমান দিন পৰ্য্যন্ত সেই চেলটো গঠন কৰা নহল। কংগ্ৰেছৰ দিনত বিভিন্ন চেলে বিভিন্ন ৰিপোৰ্ট দিছিল সেইবোৰ বিভিন্ন ভাৱে গাপ দি থোৱা হৈছিল। কিন্তু এতিয়া আমি দেখিছো যে আমাৰ চৰকাৰেও সেইবোৰ গাপ দিবলৈ ওলাইছে। যিবোৰ ৰিক'মেণ্ডেশ্যন সেই সমিতিয়ে দিছে সেই সম্পৰ্কত এতিয়ালৈকে একো কৰা দেখা নাই। অথচ অসমৰ লৰা ছোৱালীয়ে বাটেঘাটে নিবনুৱা হৈ ঘুৰি ফুৰিবলগীয়া হৈছেই

আছে। এইটো ব্যৱস্থা সচাকৈ অতি বিপদজনক।

অধ্যক্ষ মহোদয়, কৃষি আৰু উদ্যোগৰ বিষয় পৰিকল্পনাত কোৱা হৈছিল সেই বিষয়ে মই অলপ কথা কম। কৃষিৰ ক্ষেত্ৰত কোৱা হৈছে যে খেতিয়কক সহায় কৰিবলৈ আচনি লোৱা হৈছে। এইটো বেন প্ল্যান। দ্বিতীয় কথা হল যে সেই আচনি অনুসৰি এজন খেতিয়কো উপকৃত কৰিব পৰা নাই কিয় কৰিব পৰানাই সেইটো দেখ দেখ কথা। গ্ৰাম সেৱক সকল আছে। কিন্তু সঁচ, সাৰ, ঔষধ আদি বিলাক বস্তুৰ কোনোটোৱেই গ্ৰাম সেৱকে দিব নোৱাৰে। বেলেগ বেলেগ বিভাগৰ লগত ইমান বেছি যোগাযোগ কৰিব লাগে যে খেতিয়কৰ কথাই নাই গ্ৰামসেৱক কিয় আন উচ্চ শিক্ষিত লোকেও সেইবিলাক কাম কৰি উলিয়াব পাৰিব বুলি মোৰ সন্দেহ। মই গ্ৰাম সেৱকৰ লগত ইণ্টাৰভিউ লৈ আহি এই কথা কৈছো। ভুল ত্ৰুটি একো বুজাই দিব নোৱাৰে কেৱল বহি মিটিং কৰি থাকে আৰু আমনি লাগিলে কেতিয়াবা কেতিয়াবা নাহে। এটাই মাত্ৰ কথা হৈছে যে কিছুমান মানুহক গ্ৰাম সেৱক নামৰ চাকৰি এটা দি সংস্থান দিয়া হৈছে। ক'ৰবাত কোনোবা খেতিয়ক উপকৃত হৈছে বুলি মই নাভাবো।

( ভইচ : ভিলেজ লেভেল ওৱাৰ্কাৰ। )

ক্ষুদ্ৰ উদ্যোগৰ ক্ষেত্ৰত আমি কেইখনমান জিলাত উদ্যোগ একোটাৰ কেন্দ্ৰ পতা হৈছে। এইটো এনেকৈ কৰা হৈছে কিয়নো এই কেন্দ্ৰ বিলাকৰ কোনো চাৰভে এতিয়ালৈকে হোৱা নাই। কেফ-

বিলাকনো কত হব ইয়াৰ ৰ' মেটেৰিয়েলচ কত পাব, উৎপাদন কেনেকৈ হব, মাৰকেটিঙৰ কেনে ব্যৱস্থা হব সেই বিষয়ে কোনো ধৰণৰ ব্যৱস্থা হাতত লোৱা হোৱা নাই। এই কেফমেন সকলক উপকাৰ কৰিবলৈ যি উদ্দেশ্যেৰে উদ্যোগ কৰিবলৈ লোৱা হৈছে তাত পোনপটিয়াকৈ প্ৰথম অৱস্থাতেই ভাল নলগা অৱস্থা দেখিবলৈ পোৱা গৈছে। আৰু তাত কিছুমান মানুহ নিযুক্তি দিয়া ৰাহিৰে এই কেফমেন সকলক কিবা সহায় কৰিছে সেইটো আমি কব নোৱাৰো। এমপ্লয়মেণ্ট ৰিভিউ আছে কিন্তু তাৰ কাৰণে একো কাম কৰিব পৰা হোৱা নাই। আজিও অসমত কেফমেন উদ্যোগীৰ কাৰণে চৰকাৰে কোনো ধৰণৰ শুদ্ধ আচনি দাঙি ধৰিব নোৱাৰিলে। এইটো বৰ পৰিতাপৰ কথা। আজি ঠিক সেই ধৰণে সমবায়ৰ ক্ষেত্ৰতো অত্যন্ত দুখ লগা অৱস্থা হৈ পৰিছে। সমবায়ত যি মূল ধন আছিল সেই খিনিতে শেষ হোৱাৰ উপক্ৰম হল। কেডাৰমেনেজমেণ্ট সকলৰ বিষয়া সকলে বাৰে বাৰে কৈ আহিছে তেওঁলোকক চৰকাৰীকৰণ কৰিব লাগে। সমবায়ৰ প্ৰতি কোনে কি ধাৰণা লৈ আছে মই নেজানো। কিন্তু কেইটামান কথাৰ পৰা মই বিৰক্ত হৈছে বিশেষকৈ আমাৰ দুই এটা প্ৰচেছিং ইণ্ডাষ্টিজ আছে তাত কেইটামান ধান কল আছে। ষ্টেট ফেডৰো আছে। তাত লেভী চিচটেমৰ পৰা ৰেহাই দিয়াৰ কাৰণে বহু বাৰ আবেদন জনাইছিলো। ৩৪ টকাৰ বস্তু এটা আনি ৩০ টকাত কেনেকৈ বেচিব। সেই কাৰণে লেভী চিচটেমটো ৰেহাই দিবলৈ কোৱা হৈছিল। কিন্তু কোনেও কানসাৰ নকৰিলে। এই ক্ষেত্ৰত মই যোগান মন্ত্ৰীৰ ওচৰলৈ গৈছিলো. আৰু বহুতো লিখিছিলো। যাতে এই বিলাকক প্ৰটেকচন দিয়া হয়। কিন্তু এইবোৰৰ প্ৰটেকচন দিয়াৰ কাৰণে বিখিনি ব্যৱস্থা প্ৰয়োজন সেইখিনি একেবাৰে কৰা হোৱা নাই। সেই বিলাকৰ পৰা আওকান কৰা হৈছে।

সমবায়ক এটা আন্দোলন নীতি বুলি কেন্দ্রই ঘোষণা কৰিছে। কিন্তু সেই ক্ষেত্রত আমাৰ চৰকাৰৰ শুভ মনোভাব দেখা নাই। সেয়েহে মই আশা কৰিছো এই পিচ পৰা সমবায়ৰ দিশত অন্ততঃ চিন্তা-চৰ্চ্চা কৰা হব। আৰু ইয়াত কামে কাজে লগা বিধৰ এটা অনুস্থান গঢ়ি তুলিব পৰা হব। আমাৰ বহু সময়ত কাগজে পত্রে অসমৰ এটা কথা ওলাই আছে যে অসমৰ পৰা বিদেশী লোকক বাহিৰ কৰিব লাগে। আৰু বাহিৰ কৰা ক্ষেত্রত চৰকাৰ ব্যৰ্থ হৈছে। অনাহাতেদি বিদেশী লোকৰ নামতে আমাৰ দেশৰ নাগৰিকৰ ওপৰত অত্যাচাৰ কৰা হৈছে। মই নিজে যিটো দেখিছো তাৰ পৰা স্পষ্ট ভাবে কব খোজো যে চৰকাৰে অসমৰ পৰা এজনো বিদেশী খেদিব পৰা নাই।

এজন সদস্যই দাঙি ধৰিছে যে কেনেকৈ মানুহ বিলাকক ধৰি নি বৰ্ডত এৰি দিয়া হয়। আৰু দেখুৱাই দিয়া হয় এইফালে গলে কোচবিহাৰ, এইফালে বাংলা দেশ যাব পাৰি আৰু এইফালে গলে ঘূৰি আহিব পাৰি। ঠিক সেইদৰে কিছুমান মানুহে হয়তো কোচবিহাৰলৈ গৈছে হয়তো অসমলৈকে ঘুৰি আহিছে। মোৰ সমষ্টিতে তেনেধৰণে ঘুৰি অহা মানুহ পাইছো। কেনেধৰণে তেওঁলোকক এৰি দিলে তাৰ এটা সুস্পষ্ট ছবি আমাৰ হাতত আছে। এই ক্ষেত্রত বৰ্ত্তমান যি অৱস্থা চলি আছে তাৰ দ্বাৰা আমাৰ অসমৰ পৰা এজনো বিদেশী মানুহ খেদিব পৰা নহব। বৰঞ্চ ইয়াত কিছুমান তিক্ততাহে সৃষ্টি হৈছে। কেইবাজনো মাননীয় সদস্য আৰু নগেন বৰুৱা ডাঙৰীয়াই এক মত। যে এটা ট্রিবুনেলৰ ব্যৱস্থা কৰি এই বিদেশী লোকসকলক আমাৰ ৰাজ্যৰ পৰা বাহিৰলৈ পঠিওৱা হয়। আৰু আন্তঃৰাষ্ট্রীয়

আইন মতে এই বিদেশী লোকসকলক বেলেগ ৰাজ্য লৈ পঠিয়াব পৰা নহয় তেতিয়ালৈ ইয়াতে আটক কৰি ৰখা হওঁক। আৰু আন্তঃৰাষ্ট্ৰীয় আইনৰ জৰিয়তে তেওঁলোকৰ নাগৰিক বুলি লৈ যাবলৈ কব লাগে। কিন্তু বৰ্ত্তমান ব্যৱস্থাৰে এজনো মানুহ পঠিয়াব পৰা হোৱা নাই। এনেয়ে দেখুৱাবলৈ কোৱা কথাৰ নিচিনা হৈছে। কিছুমান মানুহক সন্তুষ্ট কৰিবলৈ কৰা যেন অনুমান হৈছে। ই আন্তঃৰাষ্ট্ৰীয় বিৰোধী। হিউমেন ৰাইটৰ বিৰোধী গতিকেই এটা টিবুনেল কৰি বিদেশী মানুহ বিলাকক নিজৰ নিজৰ ঠাইলৈ ঘূৰাই পঠোওৱা ব্যৱস্থা কৰিব লাগে। অসমত এজনো বিদেশী লোক থকাতো অসমে কামনা নকৰে। কোনো বিদেশী লোকে প্ৰশাসন কৰি থাকিব নোৱাৰে। বৰ্ত্তমান যি ব্যৱস্থা তাৰ দ্বাৰা এজনো পঠিয়াব পৰা হোৱা নাই। বৰঞ্চ তাত নিৰ্য্যাতন আৰু তিক্ততা সৃষ্টি হৈছে। এই ক্ষেত্ৰত মই আন এটা কথা উনুকিয়াব খোজো যে পৰিকল্পনাৰ ক্ষেত্ৰত শৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়াই তুগল চাহাবক আনি যি খেলি মেলি সৃষ্টি কৰিলে তেনেকৈ ৰৰবৰা চাহাবেও আন এজনক আনিবলৈ হেনো যো-যা কৰিছিল। যদি এতিয়া কিবা বদলাইছে কব নোৱাৰো। কোনো বাহিৰা মানুহ যাতে নানে অসমৰ বিষয়ে অসমৰ আৰ্থিক সাংস্কৃতিক বিষয়ে অধ্যয়ন থকা যিকোনো এজন মানুহক এই কামৰ ভাৰ দিলে তেওঁক সেই দায়িত্ব পালন কৰিব পাৰিব বুলি মই আশা কৰো। আন এটা কথা আমাৰ চাহ নিলাম কেন্দ্ৰত চাহ নিগমৰ আগৰ যিজন চেয়াৰমেন আছিল তেওঁক পঠিয়াই দিয়া হল। তাত এজন বেলেগ মানুহ দিয়া হব। এই নিলাম কেন্দ্ৰত অসমীয়া ৰাইজৰ বহুত টকা সোমাই আছে। অপজিচেনত থাকোতে আমাৰ ইয়াৰেই সদস্য সকলে চাহ নিলাম কেন্দ্ৰৰ বিষয়ে দাবী জনাইছিল।

এইটো এটা কেপিটেলিষ্ট চিচ্টেম আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠান। তাত দায়িত্বত থকা চেয়াৰমেনজন অতি উচ্চ পৰ্য্যায়ৰ মানুহ হব লাগিব। যিজন আগতে আছিল তেওঁক আতৰোৱা হৈছে। কিন্তু এতিয়া যি জনক দিয়া হৈছে তেওঁৰ দ্বাৰা এই অনুষ্ঠানৰ উন্নতি হব নে অধোন্নতি হব সেইটো নেজানো। মানুহ জনৰ নামটো ভাষণৰ উত্তৰত জানিবলৈ পাব। আশা ৰাখিছো মুকুত শৰ্ম্মা ডাঙৰীয়াই এই বিষয়ে বেচি ভালকৈ জানে, তেওঁৱেই কব। উপাধ্যক্ষ ডাঙৰীয়া এই অসমত যিটো বৰ্ত্তমান পৰিস্থিতি এই পৰিস্থিতি বিশেষকৈ অৰ্থনৈতিক দিশৰ পৰা অসমৰ যিখিনি লোক সেইখিনি লোকক যে সকাহ দিব পাৰিব, যদি কামত লগাব পৰা যায় তেতিয়াহলে আমাৰ দেশলৈ পুনৰ এটা সজিব অৱস্থা ঘুৰি আহিব। ইয়াকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

*শ্ৰীশশকমল সন্দিকৈ :— উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত আমাৰ দলৰ ফালৰ পৰা যিটো সংশোধণী প্ৰস্তাৱ দাঙি ধৰিছে সেই সংশোধণী প্ৰস্তাৱটো মই সমৰ্থন কৰিছো আৰু লগতে ৰাজ্যপালৰ ভাষণৰ ওপৰত দুআষাৰমান কবলৈ ওলাইছো। ৰাজ্যপালৰ ভাষণ অতি মনোৰম কৰি প্ৰিণ্ট কৰি ধুনীয়া ধুনীয়া কাগজত ভাল ভাল শব্দৰ যোজনাৰে প্ৰস্তুত কৰা হৈছে। কিন্তু এই ভষণ আত্ম প্ৰৱঞ্চনাৰহে ভাষণ। এই ভাষণ দেখি মোৰ তেজপিয়া নামৰ এটা সৰিস্থপলৈ মনত পৰিছে। এই সৰিস্থপ প্ৰাণীটোৱে মানুহ দেখিলেই মুৰটো জাৱৰৰ তলত সোমোৱাই ভাবে যে মোক কোনেও দেখা নাই, কিন্তু তাৰ যে নেজ

* Speech not corrected

চোৱা ওলাই আছে সেই কথা সি গম নাপায়। ৰাজ্যপালৰ ভাষণো ঠিক তেনেকুৱাই হৈছে। আৰু ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে সেইটোও একেই হৈছে। অলপ আগতে শ্ৰীনগেন শৰ্ম্মা ডাঙৰীয়াই এই ভাষণৰ সমালোচনা কৰিছে। ৰাজ্যপালৰ ভাষণত চৰকাৰে এক বছৰৰ ভিতৰত কি কি কাম কৰিলে আৰু কি কি কৰিব এইবিলাক কথা থাকিব লাগে। মই প্ৰথমতে এই ভাষণ ধুনীয়া ভাষণ বুলি কৈছো। লগতে মূৰ লুকুৱাই নিজকে নেদেখা বুলি ভবা তেজপিয়াৰ দৰে কথাও কৈছো।

মই এতিয়া শ্ৰমিকৰ কথা কব বিচাৰিছো। আমাৰ দেশত শ্ৰমিক নামৰ কোনো শ্ৰেণী যেন নায়েই, তেওঁলোকৰ যেন কোনো সমস্যাই নাই। ৰাজ্যপালৰ ভাষণত এই সম্পৰ্কত এটা শব্দটো মৰিবলৈ নাই। ইয়াৰ কাৰণ কি? তেওঁলোকে সমাজবাদৰ কথা কৈ থাকে। মুখ্যমন্ত্ৰীও এজন সমাজবাদী দলৰ নেতা আছিল। তেখেতৰ দলটো আছিল সমাজবাদী দল! কিন্তু এই ৰাজ্যপালৰ ভাষণত সমাজবাদৰ নাম এটা শব্দও পাবলৈ নাই। ইয়াৰ কাৰণ কি? সমাজবাদৰ কথা আমি সভাই সমিতিয়ে বক্তৃতা দিওঁ আৰু সমাজবাদী আদৰ্শৰ কথা কওঁ। কিন্তু এই জনতা চৰকাৰ কোন সমাজবাদী চৰকাৰ সেই কথা আমাৰ পাৰ্টিয়ে চিন্তা কৰিছে। মই ৰাজ্যপালৰ ভাষণৰ ওপৰত বক্তব্য ৰাখিব খুজিছো। বৰ্ত্তমান বাংলাদেশীৰ কথা কোৱা হৈছে। বাংলাদেশৰ নাগৰিকক পুলিচে খেদি পঠাইছে বুলি কৈছে। আমাৰ দেশত কোনো পাৰ্টি নাই বা কোনো মানুহ নাই যি বহিৰাগতক প্ৰশ্ৰয় দিব খোজে, কিন্তু বাংলাদেশীক বহিষ্কাৰৰ নামত আমাৰ দেশৰ নাগৰিকক

পুলিচে অত্যাচাৰ কৰিছে। পুলিচে জনসাধাৰনক অত্যাচাৰ কৰাৰ অধিকাৰ ক'ত পালে ? পুলিচে পইচা খোৱাৰ ক্ষমতা ক'ত পালে ? যোৱা ২৪-২-৭৮ তাৰিখে কৰিমগঞ্জত ত্ৰিপুৰাৰ পৰা গুৱাহাটীলৈ অহা এজন লোকক ধৰিনি থানাত ৰাখিলে। ২৬ তাৰিখে ৰাতি ৯ বজাত বি, এচ, এফ, ৰ মানুহে মহিলা গৰাকীক অন্ধকাৰ ৰাতি লৈ গ'ল। এই মহিলা গৰাকীৰ ওপৰত বলতকাৰ কৰা হৈছিল। আমাৰ দেশৰ নাগৰিকক বাংলাদেশীৰ নামত বলাৎকাৰ কৰা হৈছে। তেখেতৰ স্বামীয়ে এই সম্পৰ্কত অভিযোগ আনিব বিচৰাত তেওঁক দেখুওৱা হৈছিল। এই ক্ষমতাকে লৈ আমাৰ চৰকাৰে আইন প্ৰণয়ন কৰিব লাগিছে। চৰকাৰী কৰ্ম্মচাৰীয়ে জনসাধাৰণক এনেদৰে মাৰধৰ কৰি অত্যাচাৰ কৰাৰ সাহস ক'ত পালে ? আইন শৃঙ্গলাৰ কথা আজি কৈছে। ৰাজ্যপালৰ ভাষণত আইন শৃঙ্গলাৰ পৰিস্থিতি উন্নত হৈছে বুলি কৈছে। কিন্তু যোৱা ২৪ তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ত এজন ছাত্ৰ দুই নং হোষ্টেলত মাইনোৰিটিৰ লৰা বুলি দিন দুপৰতে মাৰ ধৰ কৰিলে। এতিয়াও গুৱাহাটী পৌৰ নিগমৰ ভোটৰ গণণা চলি আছে। কিন্তু আমাৰ এজন দলৰ মানুহক জাতীয়তাবাদী দলৰ নামত দিন দুপৰতে পুলিচৰ আগতে মাৰধৰ কৰিছে। যিসময়ত মাৰধৰ কৰিলে সেই সময়ত পুলিচ নগল। তেওঁক ৰক্ষা কৰিবলৈ যোৱা আমাৰ দলৰ এজন মানুহকো পুলিচে ধৰি থানালৈ লৈ গ'ল। এয়ে হৈছে শান্তি-শৃঙ্গলাৰ পৰিস্থিতিৰ উন্নত হোৱাৰ নমুনা।

মই এতিয়া উদ্যোগীকৰণৰ বিষয়ে কম। জনতা চৰকাৰৰ উদ্যোগীকৰণৰ নীতি কি সেইটো নাজানো। কংগ্ৰেছৰ দিনত যেনেকৈ ৰাখিছিল আজিও তেনেকৈয়ে আছে। কোনো স্পষ্ট নীতি নাই। ক্ষুদ্ৰ শিল্পই লবনে নে বৃহত্ শিল্পই কৰিব এই সম্বন্ধে

কোনো এচেচ্মেণ্ট নকৰিলে। মাত্র কেইখন মান জিলাত কেই-টামান অফিচ খুলিছে আৰু কেইজন মান বিষয়া নিযুক্তি দিছে। কেইটামান অফিচ খুলিলেই বা কেইজনমান বিষয়াক নিযুক্তি দিলেই আমাৰ দেশত উদ্যোগীকৰণ কৰা নহয় আৰু কেতিয়াও নিবনুৱা সমস্যাও সমাধান হব নোৱাৰে। আমি খবৰ কাগজত দেখিবলৈ পাইছো যে অইল ইণ্ডিয়াই গেচৰ দাম বঢ়াইছে, ৰাতা ৰাতি ৪ টকাৰ পৰা বঢ়াই ১১ টকা কৰিলে। অইল ইণ্ডিয়াই বিদেশী চৰকাৰৰ উমৈহতীয়া উদ্যোগ। এই উদ্যোগত প্রতি বছৰে ৯৬০ কোটি, ৬৭৫ হাজাৰ ৫১১ কেৰোল মিটাৰ গেচ জ্বলাই দিছে। ৪৭০ লাখ, ১৬৯ হাজাৰ ৬৭৮ কেৰোল মিটাৰ ব্যৱহাৰ কৰে থাৰ্মেল প্রজেক্ট পেট্ৰ'কেমিকেল ইত্যাদিয়ে। বাকী বিলাক গেচ এনেয়ে পুৰি শেষ হৈ যায়। যিহেতুকে ইয়াত ইংলেণ্ডৰ মুলধন নিহিত আছে। এনেয়ে জ্বলাই দিয়া গেচ ৪ টকাৰ পৰা নি ১১ টকা কৰিলে। এইক্ষেত্রত কিবা নীতি লোৱা হেতেন আমি মানি ললোহেতেন। বহুতো গেচ এনেয়ে জ্বলাই শেষ কৰিছে সেই-কাৰণে আমাক গেচ বিনা পইচাতে ব্যৱহাৰ কৰিবলৈ দিব লাগে। এইবিলাক আজি আমাৰ দেশৰ চৰকাৰেই কৰিছে। আজি জাতীৰ নামত, ধৰ্ম্মৰ নামত, ভাষাৰ নামত বিভিন্ন শক্তিয়ে গা কৰি উঠিছে। আমাৰ নিবনুৱা সমস্যা আছে। বিভিন্ন বক্তৃতাত, বিভিন্ন কমি-টিত বিভিন্ন ৰিপৰ্টত আমি পাইছো। কোনোবাই কয় ১০ লাখ কোনোবাই কয় ২০ লাখ নিবনুৱা হয়। আমি বাৰু ১০ লাখকেই ধৰি ললো। এই ১০ লাখকে কেনেকৈ নিযুক্তি দিব। নগাৰ লগত কাজিয়া কৰি, বাংলাদেশীক খেদি নিবনুৱা সমস্যা সমাধান কৰিব পাৰিবনে ?

অসমৰ চাহ বাগিচাৰ ক্ষেত্রত আজি জনতা চৰকাৰে

কোনো নিয়ন্ত্ৰণ কৰা নাই। অসমৰ চাহ নিগম হেনো ২'৩২ কোটি টকা খৰচ কৰি কৰা এটা বৃহত শিল্প বুলি চৰকাৰে নিজেই স্বীকাৰ কৰিছে। এই চাহ উদ্যোগত ৪শ লাখ ৫০ হেজাৰ টকা প্ৰফিট হৈছে। কিন্তু বেলেন্স চিটত দেখুৱাইছে মাত্ৰ ৫০ হেজাৰ টকা। গজেন তাঁতী ডাঙৰীয়াই ঠিকেই কৈছে যে ১৯৭৮ চনৰ বনচ এতিয়াও দিব পৰা হোৱা নাই। কিন্তু ৰাজ্যপালৰ ভাষণত এই বিষয়টো বেলেন্স চিটত দেখুৱা হৈছে। চাহৰ দাম বহু পৰিমাণে কমিছে বুলি কেন্দ্ৰীয় চৰকাৰে এক্সটেন্স ৫ টকা বঢ়াই দিছে। কিন্তু অসমৰ চাহ নিগমৰ বনুৱা সকলে আজি বানচৰ কাৰণে আন্দোলন কৰিছে তেওঁলোকৰ শ্ৰমৰ বিনিময়ত পাব লগা পাৰিশ্ৰমিকৰ কাৰণে। সেই কাৰণেই আজি চৰকাৰে অলপতে ১৭ জন চাহ শ্ৰমিকক কামৰ পৰা ডিচ্‌মিচ্‌ কৰিছে। কিন্তু চৰকাৰে সেই শ্ৰমিক কেইজনক কামৰ পৰা বৰ্খাস্ত কৰাৰ সাহস ক'ত পাইছে, যুক্তি ক'ত পাইছে। তেওঁলোকৰ আজি নিৰাপত্তা ক'ত। আমি জানিব পাৰিছো যে কেন্দ্ৰীয় চৰকাৰে এখন চাৰ্কোলাৰ অসম চৰকাৰলৈ দিছে। এই চাৰ্কোলাৰ পোৱাৰ পিছতো গুৱাহাটীৰ পুলিচে গৈ চাহ নিগমৰ শ্ৰমিকক গ্ৰেপ্তাৰ কৰিছে। বৰ্ত্তমান জনতা চৰকাৰৰ তলত থকা পুলিচেই এই শ্ৰমিক সকলক গ্ৰেপ্তাৰ কৰাৰ অধিকাৰ ক'ত পাইছে আমি এই কথা জানিব বিচাৰিছোঁ বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা। যি চৰকাৰে আজি প্ৰকৃত গণতন্ত্ৰৰ প্ৰতিশ্ৰুতি দিছে, সেই চকাৰেই আজি শ্ৰমিকৰ ন্যায্য দাবীৰ ওপৰত হস্তক্ষেপ কৰাৰ সাহস কেনেকৈ পাইছে আমি বুজি নেপাওঁ। প্ৰকৃত গণতন্ত্ৰৰ নামত ভিতৰি ভিতৰি যড়যন্ত্ৰ চলিছে। আজি শ্ৰমিক সকলে অন্দোলন কৰাৰ পৰিপ্ৰেক্ষিত্ৰত এশ চাৰি ধাৰা, এশ সাতচল্লিচ ধাৰা আইন জাৰি কৰা হৈছে। আচৰিত

কথা এই যে ফেক্টৰীত আন্দোলন কৰা শ্ৰমিক সকলৰ ক্ষেত্ৰত ট্ৰেচপাছ কেচত দিয়া হৈছে। একে বাগিচাতে, একে সময়তে ১০ জনলৈকে শ্ৰমিকক পুলিচে গ্ৰেপ্তাৰ কৰিছে। তাৰোপৰি কংগ্ৰেছৰ দিনত যিবোৰ ফেক্টৰী বন্ধ কৰাৰ কাৰণে শ্ৰমিকৰ আন্দোলন চলিছিল আৰু সেইবোৰ পুনৰ খোলাৰ কাৰণে চৰকাৰৰ গুচৰত দাবী তোলা হৈছিল, সেইবোৰ ফেক্টৰী, আৰু শিল্পউদ্যোগ সেই একেদৰেই বন্ধ হৈ আছে আৰু তাৰ কাৰণেই আজি শ্ৰমিক আন্দোলনে গঢ় লৈ উঠিছে। এইটো বৰ্ত্তমান জনতা চৰকাৰৰ দিনত হোৱা বাস্তৱ সত্য। এই জনতা চৰকাৰেই আকৌ উদ্যোগীকৰণৰ সম্প্ৰসাৰণৰ কথা কয়। যাৰ আজিলৈকে কোনো বাস্তৱত পৰিণত হোৱাৰ সম্ভৱনা নাই।

তাৰোপৰি প্ৰচাৰ বিভাগৰ ক্ষেত্ৰত দেখা গৈছে সেই একেই বেমেজালি। আমাৰ বৰ্ত্তমান প্ৰচাৰ বিভাগৰ মন্ত্ৰী শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ডাঙৰীয়াক এটা প্ৰশ্ন সুধিব খুজিছিলোঁ, কিন্তু তেখেত বৰ্ত্তমান এই সভাত উপস্থিত নাই, তথাপি মই ভাবোঁ তেখেতৰ সতীৰ্থ সকলৰ পৰাই ইয়াৰ সঠিক উত্তৰ পাম। বিষয়টো হ'ল এই, যে যেতিয়া কংগ্ৰেছৰ আমোলত এখন কিতাপ প্ৰচাৰ হৈছিল, কিতাপ খনৰ নাম আছিল "ডি কালাৰ ইজ নট দি স্কাই"। এই কিতাপখনত জয়প্ৰকাশ নাৰায়ণক ফেচিষ্ট বুলি আখ্যা দিয়া হৈছিল আৰু সেই পৰিপ্ৰেক্ষিত্ৰত শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ডাঙৰীয়াই এই কিতাপৰ লেখক জনক যথোচিত শাস্তি বিহিব লাগে বুলি বিধান সভাত দাবী তুলিছিল। কিন্তু আজি সেই ব্যক্তিসকলেই শাসনৰ গাদীত বহি সেই কিতাপৰ লিখক জনৰ বিৰুদ্ধে কি ব্যৱস্থা লৈছে আমি জানিব বিচাৰিছোঁ। আমি ভাবোঁ, প্ৰচাৰ বিভাগ বুলি এটা চৰকাৰী বিভাগ আছে, কিন্তু তাত প্ৰকৃত তথ্য

প্ৰচাৰত বেমেজালি সদায় আছে। প্ৰচাৰ বিভাগত ডাইৰেক্টৰ, ডেপুটি ডাইৰেক্টৰ আদি কৰি বহুতো বিষয়া আছে। তেওঁলোক সময়মতে নিউজ, বিজ্ঞপ্তি আদি দিয়াত অবহেলা কৰে। গুৱাহাটীত বহিয়েই এজন প্ৰচাৰ বিভাগৰ মুৰব্বীয়ে হাফলং অফিচৰ কাম কৰে। অসমত বহুতো প্ৰচাৰ বিভাগ আছে, কিন্তু ১৩ মাহত মাত্ৰ ৩৬টা বিজ্ঞপ্তিহে প্ৰচাৰ হয়। ইয়াতকৈ দুখৰ বিষয় আৰু নাই। অলপতে প্ৰচাৰ বিভাগৰ বিষয়াক প্ৰশ্ন কৰাত তেওঁ উত্তৰত কৈছিল যে অফিচত টাইপিষ্টৰ অভাৱ নিউজৰ অভাৱতহে বিজ্ঞপ্তিৰ অভাৱ হৈছে। কিন্তু টাইপিষ্টৰ অভাব হোৱা কথাটো একেবাৰে সত্য নহয়। প্ৰচাৰ বিভাগৰ বিষয়া সকলৰ হেমাহিৰ কাৰণেহে প্ৰচাৰ কাৰ্য্যত এনে বেমেজালিয়ে দেখা দিছে। টাইপিষ্টৰ অভাৱ হোৱা কথাটো আমি কেতিয়াও মানি লব নোৱাৰো।

ইয়াৰ পিছত আহিল খেলা-ধুলাৰ বিষয়। খেলা-ধুলাৰ ক্ষেত্ৰত অসম ভাৰতৰ ভিতৰতে কিছু আগবঢ়া যেন লাগে। কাৰণ, অসমৰ পৰা আমাৰ বিভাগীয় মন্ত্ৰী আৰু বিষয়া সকলো ভাৰতৰ বাহিৰলৈ মানে বেংককলৈ বহুতো টকা ব্যয় কৰি এচিয়ান গেমচ চাবলৈ যোৱাৰ কথা জানো। আৰু অন্যান্য ৰাজ্যত এটা দলত সদস্যৰ সংখ্যা ২১ জন। কিন্তু অসমৰ ক্ষেত্ৰত ২৫ জন। ইমানেই খেলৰ প্ৰতি ধাউতি আমাৰ অসমৰ খেলুৱৈসকলৰ বিষয় ববীয়া সকলে অযথা টকাৰ অনুমোদন কৰোৱাই লয় চৰকাৰৰ ফালৰ পৰা। কিন্তু প্ৰকৃত খেলুৱৈ সকলৰ মৰ্য্যদা তেওঁলোকে বুজিবলৈ চেষ্টা নকৰে। উদাহৰণ স্বৰূপে, অলপতে অসমৰ পৰা এটা চেমনীয়া খেলুৱৈৰ দল কলিকতালৈ খেলিবলৈ গৈছিল। ঘুৰি আহি তেওঁলোকে কোনো নিৰাপত্তা নোহোৱাকৈ

গুৱাহাটীৰ ৰেল ষ্টেচনতে ৰাতি পৰি থাকিব লগীয়া হ'ল। কিছু-মানৰ চিনাকী সম্বন্ধীয় লোকে নি তেওঁলোকক থকা-খোৱাৰ দিহা কৰি দিলে। কিন্তু কেই জনমান ষ্টেচনতে পৰি থাকিব লগীয়া হ'ল। ইয়াৰ কেইজনমান ল'ৰা নাহৰকটীয়া আৰু কেইজনমান কাছাৰ, শিলচৰৰ পৰা আহিছিল। টিম মেনেজাৰৰ অৱহেলা আৰু অমনোযোগীতাৰ কথা ইয়াৰ পৰাই স্পষ্টভাবে প্ৰমাণ হয়। এয়াই হৈছে ২৫ জনীয়া সদস্যৰে গঠিত অসমৰ খেল পৰিচালনা কৰা পৃষ্ঠপোষক সকলৰ খেলুৱৈৰ প্ৰতি থকা উৎসাহৰ নিদৰ্শন। আনহাতে যেতিয়া খেলুৱৈক কচিং দিয়াৰ কথা কোৱা হয়, তেতিয়াই টকা-পইচা নাটনিৰ কথা কয়। কিন্তু মন্ত্ৰীকে আদি কৰি প্ৰধান পৃষ্ঠপোষক সকলে যেতিয়া হেজাৰ হেজাৰ টকা খৰছ কৰি বেংককলৈ খেল উপভোগ কৰিবলৈ যাব পাৰে, কিন্তু অসমৰ একমাত্ৰ খেলুৱৈ শ্ৰীভোগেশ্বৰ বৰুৱাক যিজন লৰা এতিয়া স্পৰ্টচ ক'ৰপৰেচনত মাত্ৰ চাৰিশটকীয়া চকৰি কৰি আছে, তেওঁক কিয় ক'চিং কৰিবলৈ পঠাব নোৱাৰে? খেল চাবলৈ বা কচিং কৰিবলৈ ভোগেশ্বৰ বৰুৱাকে পঠাব পাৰিলে হেতেন। তাকে নকৰি মন্ত্ৰী, ডাইৰেক্টৰ আদিয়েহে বিদেশত খেল উপভোগ কৰিলেগৈ।

তাৰোপৰি গুৱাহাটীত যিটো খেলৰ ষ্টেডিয়াম আছে, তাত খেল-মেধাঙ্গীৰ পৰিবৰ্ত্তে অন্যান্য ধৰণৰ নাচ-গান আদি চলোৱা হয় আৰু বাহিৰৰ পৰা অহা মানুহক এই ষ্টেডিয়ামত থাকিবলৈ দিয়া হয়। তাৰোপৰি অসমৰ স্বনাম ধন্য প্ৰবীন খেলুৱৈ ৰাধাগোবিন্দ বৰুৱাদেৱৰ অশেষ চেষ্টাৰ ফলত গঢ়ি উঠি-ছিল নেহেৰু ষ্টেডিয়াম। সেইজনা গুণী পুৰুষৰ কথা অসম বাইজে নজনা নহয়। তেখেতৰ সোৱৰণী দিবস সেই ষ্টেডিয়ামত পতাৰ

কথা আছিল। কিন্তু সেই কাম বাদ দি সেইদিনা তাৰ ঠাইত পতা হৈছিল ৰাৱন বধ ভাওনা। ইয়াৰ পিছতে কোনোবা শিল্পীৰ হেনো নাচ-গানৰ আয়োজন কৰাৰ কথা। এই ষ্টেডিয়ামৰ নামত চৰকাৰে বহুতো টকাৰ অনুদান দিছে। কিন্তু কোনে ক'ত কিদৰে খৰছ কৰিছে তাৰ খবৰ কোনেও নেৰাখে। অলপতে অনুসন্ধান কৰি জানিব পৰা গৈছে যে ষ্টেডিয়ামৰ ভিতৰত মানুহ-গৰু কুকুৰ ছাগলীয়ে একেলগে বাস কৰে। গতিকে চৰকাৰক আমি দাবী জনাওঁ, যাতে অতি সোনকালে ইয়াৰ আসোৱাহবোৰ ষ্টেডিয়াম কতৃপক্ষই দূৰ কৰিবলৈ ব্যৱস্থা কৰে। আৰু এক নতুন দৃষ্টি-ভংগীৰে ষ্টেডিয়ামৰ অৱস্থা পৰিবৰ্ত্তন কৰে।

অধ্যক্ষ মহোদয়, মই আৰু এটা বিষয়ৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিলো, সেইটো হৈছে অসমৰ ভাষা সমস্যা। অসমীয়া ভাষাৰ নামত বিভিন্ন ঠাইত যি আন্দোলন গঢ়ি উঠিছে, তাৰ অন্ত-ৰালত শান্তি-শৃংখলা ভংগৰহে ষড়যন্ত্ৰ চলিছে। অসমত থকা অসমীয়া লোকসকলেহে যে অসমীয়া ভাষাটো ৰক্ষা কৰিব পাৰিব এনে এটা মনোভাৱ অসমীয়া মানুহৰ মনত শিপো-ইছে আৰু বিশেষকৈ অসমীয়া নিৰক্ষৰ, অশিক্ষিত লোক কিছুমান মুখত আজি ঠায়ে ঠায়ে শুনিবলৈ পোৱা যায় কিছুমান শ্লোগান— "অসম ৰসাতলে গ'ল, অনা-অসমীয়াৰ হাতৰ পৰা অসমীয়াক ৰক্ষা কৰিবলৈ আগবাঢ়ি আহক—" ইত্যাদি বোৰত ৰাজনৈতিক ষড়যন্ত্ৰ থকাবেই প্ৰমাণ হয়। যি বিলাক লোকে অসমীয়া ভাষা নকয়, তেওঁলোককেই অনা অসমীয়া বুলি ধৰা হয় আৰু নানা ধৰণৰ অত্যাচাৰ আদি চলোৱা হয়। কিন্তু আমি যেতিয়া অনা-অসমীয়া জ্যোতিপ্ৰসাদ আগৰৱালাদেৱ আৰু হেমাং বিশ্বাসৰ কথা কওঁ,

তেতিয়া এই কথা পাহৰা উচিত নহ'ব যে এখেত সকলে অসমীয়া ভাষালৈ দিয়া এক বিশ্বাট অৱদান সদায় অতুলনীয় হৈ ৰ'ব।

এই মানুহ বিলাকক আজি বঞ্চিত কৰিবৰ কাৰণে আমাৰ মাজত বিভেদ আনিবৰ কাৰণে চেষ্টা চলাইছে। ইয়াত জনতা দলৰ এজন ভাইচ প্ৰেচিদেন্ট শ্ৰীপানীৰাম দাস আৰু খগধৰ বৰুৱা আৰু কেইবাজনো লোক জড়িত আছিল। এনেকুৱা দৃষ্টি ভংগী পৰিহাৰ কৰিবৰ কাৰণে আশা কৰি যি ধন্যবাদ সূচক প্ৰস্তাৱ আহিছে সেইটো সমৰ্থন কৰি মোৰ বক্তব্য সমৰণি মাৰিলো।

শ্ৰীসত্য তাঁতী :— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য আলতাফ হুচেইন মজুমদাৰে যিটো ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে সেইটো মই বিৰোধীতা কৰি সংশোধনী প্ৰস্তাৱটো সমৰ্থন জনাই কেইষাৰ কবলৈ ওলাইছো। ৰাজ্যপালৰ ভাষণৰ ওপৰত মই বিতৰ্ক আলোচনা কৰি কব খুজিছো যে এই ভাষণত আমাৰ চাহ মজদুৰ আৰু দুখীয়া লোক সকলৰ অৱস্থাৰ অৱকাশৰ কোনো ইংগিত দেখা নাই। তেখেতৰ ভাষণত নিবনুৱা সমস্যা দূৰীকৰণত মাত্ৰ কেইটামান সৰু সৰু কুটীৰ শিল্প প্ৰতিষ্ঠা কৰাৰ কথা উল্লেখ কৰা হৈছে। এই কুটীৰ শিল্পৰ জৰিয়তে আমাৰ ৰাজনৈতিক তথা সামাজিক অৰ্থনৈতিক দিশত যিটো নিবনুৱা সমস্যাৰ বোজা দিনক দিনে বাঢ়ি আহিছে সেইটো কেনেকৈ দূৰ কৰিব পাৰি সেইটো আমি আশা কৰিব পৰা নাই। আৰু এটা কথা ৰাজ্যপালৰ ভাষণত সেই চাহ মজদুৰ দুখীয়ালোক সকলৰ কল্যাণৰ অৰ্থে এটা আখৰো উল্লেখ কৰা নাই। এইটো বৰ দুখ লগা কথা। আজি চাহ বাগিছা বিলাকত নিবনুৱা সমস্যা দিনক দিনে বেচিকৈ বৃদ্ধি পাইছো

চাহ বাগিছা বিলাকত একৰ হিচাবত নিযুক্তি দিয়া হোৱা নাই। ফলত নিবনুৱা সংখ্যা বাঢ়ি গৈছে। আৰু কৰ্ম্মস্থলৰ পৰিসৰ কমি গৈছে তেনেক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত নিবনুৱা সমস্যা দুৰীকৰণৰ কথা থাকিব লাগিছিল। ৰাজ্যপালৰ ভাষণত সেইটো উল্লেখ নাই। জনতা চৰকাৰে সৰু সৰু চাহ খেতিয়কক চাহ খেতি কৰিবৰ কাৰণে সুবিধা দিব বুলি আচনি হাতত লৈছে। তাত আমি শলাগ লৈছো। কিন্তু সেই বিলাক কাগজতে আছে। যদি সেইবিলাক সময়ত হৈ নুঠে আৰু এই অঞ্চল বিলাকত যদি উদ্যোগ নাবাঢ়ে তেনেহলে ভবিষ্যতে সেই বিলাক অঞ্চলত ভয়াবহ ৰূপ ধাৰণ কৰিব পাৰে। এই অঞ্চল বিলাকত চিকিৎসাৰ যিটো আচনি লোৱা হৈছে সেই বিলাক মাত্ৰ কাগজে পত্ৰই হে আছে। হস্পিতেলত মাত্ৰ ২৫ পইচা কমাই দি বহি থাকিলেই নহব। গাওঁ অঞ্চলত দৰবৰ কোনো ব্যৱস্থা নাই। চিকিৎসাৰ কোনো ব্যৱস্থা নাই। সোনাৰী ছাফ্ৰাইৰ পৰা ৯ মাইল মানত: অৱস্থিত এখন জেগা, তাত চিকিৎসাৰ কোনো ব্যৱস্থাই নাই। সোনাৰীত মহকুমা যদিও ঘোষণা কৰা হল কিন্তু তাত কোনো হস্পিতেলৰ, চিকিৎসাৰ ব্যৱস্থা নাই। গতিকেই আপোনাৰ জৰিয়তেই সোনাৰী নগৰত হস্পিতেল, বিছনা আৰু এমবোলেন্স দিয়াৰ দাবি জনাওঁ। জনতা চৰকাৰে খোৱা পানীৰ ক্ষেত্ৰত বিভিন্ন আচনি লৈছে। কিন্তু সেই বিলাক মাত্ৰ কাগজত আবদ্ধ থাকিলেই নহব। এইবিলাক কাৰ্য্যকৰী কৰিব লাগে। আমাৰ সমষ্টিতে মানুহে নাদৰ পানী, পথাৰৰ পানী খাই জীৱন নিৰ্ব্বাহ কৰিব লগা হৈছে। তাৰোপৰি বৰহাটত, দিচাং নদীত, গেচৰ পানী খাই বহুতো লোকৰ প্ৰাণ হানি হৈছে। সেইকাৰণে এই অঞ্চল বিলাকত অনতিপলমে খোৱা পানী টোপাৰ সুব্যৱস্থা কৰিবৰ কাৰণে অনুৰোধ জনাওঁ। শিক্ষাৰ ক্ষেত্ৰত জনতা চৰকাৰে আচনি লৈছে। সেইমতে প্ৰত্যেকখন গাৱতে একোখনকৈ স্কুল হব

লাগে। কিন্তু ১ বছৰেও আজি এই আচনি কাৰ্য্যকৰী নহল। ৰাইজে খেৰ, বাহ, যতনাই স্কুল ঘৰ নিৰ্ম্মাণ কৰিছে কিন্তু চৰকাৰে ভাত কোনো অনুদান দিয়া নাই। ৰাইজে দাবী কৰাটো ৰাস্তা ঘাটবো কোনো সা-সুবিধা কৰি দিব পৰা নাই। এলপি স্কুলতো কোনো অনুদান দিয়া নাই।

গতিকেই এই ধৰণৰ আচনি লৈ কাগজত লিপিবদ্ধ কৰি থাকিলেই নহব। শিক্ষা আচনি কাৰ্য্যকৰী কৰিবৰ কাৰণে আপোনাৰ জৰিয়তে মই দাবি জনাইছো। তাৰোপৰি আমাৰ পশুচিকিৎসা বিভাগৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত কৈছে যে গাওঁ অঞ্চলত পশু চিকিৎসা ব্যৱস্থা কৰা আৰু হাহঁ, কুকুৰা, গৰু ছাগলী বৃদ্ধি কৰাৰ কাৰণে ইংগিত দিছে। কিন্তু গাওঁ অঞ্চলত এই জনজাতিয় লোক সকলৰ মাজত হাঁহ, কুকুৰা ইত্যাদি দিলেই যথেষ্ট নহয়, কিয়নো তেওঁলোকাৰ এই ক্ষেত্ৰত প্ৰশিক্ষণ নথকা কাৰণে হাঁহ কুকুৰা, গৰু-ছাগলি বিলাকে সোনকালে মৰি যায়, ফলত চৰকাৰী ধন এনেয়ে অপচয় হয়। আৰু গৰু ছাগলীৰ সংখ্যা কমি গৈছে। সেই কাৰণেই এওঁলোকক যাবতীয় প্ৰশিক্ষণ ইত্যাদি দি যাবচি, গাই ইত্যাদি যোগান ধৰিব লৈ ব্যৱস্থা হাতত অনতিপলমে লব লাগে। ১৯৭৮ চনৰ বোনাচ বৰ্ত্তমান কোম্পানীৰ হাততে আছে। কিন্তু ৰাজ্যপালৰ ভাষণত শতকৰা ২০% বোনাচ ১৯৭৭-৭৮ চনত দিব পাৰিছে বুলি ভাষনত ৰাজ্যপালে লিপিবদ্ধ কৰিছে। গতিকে ইয়াৰ তীব্ৰ প্ৰতিবাদ কৰা হৈছে, যে তেনে এটা ভুল তথ্য ৰাজ্যৰ মূৰব্বী হিচাবে কেনেকৈ প্ৰকাশ কৰিলে। ই মজদুৰ সকলৰ তথা দেশৰ অৰ্থনৈতিক দিশত অতিশয় দুখলগা কথা। সামাজিক আচনি এখন আগৰ চৰকাৰেই লৈছে। শিশু পুষ্টিকৰ আহাৰৰ বিষয়ে কৈছে, শুনি ভাল পাইছো। অকল টাউন আৰু নগৰাঞ্চলতেই এই শিশু পুষ্টিকৰ আহাৰ বিতৰণ ব্যৱস্থা থাকিলে গাওঁৰ শিশু সকলক মাহী আইৰ চকুৰে চোৱা হব। সেই

কাৰণে চাহবাগানৰ ক্লেচবিলাকত আৰু গাওঁ অঞ্চলত শিশুৰ পুষ্টিকৰ আহাৰ যোগান ধৰিবলৈ আমাৰ চৰকাৰক অনুৰোধ জনাও। কলা সংস্কৃতিৰ যি আচনি লৈছে, আমাৰ মজদুৰ সকলে দেশ-বিদেশৰ পৰা আহি অসমত বাস কৰি তাৰেই কলা-সংস্কৃতি অনুকৰণ কৰি আহিছে আৰু সেই কাৰণেই চৰকাৰৰ ফালৰ পৰা এই কলা-সংস্কৃতিৰ ক্ষেত্ৰত চাহ বাগানৰ মজদুৰ সকলৰ মাজত বিশেষ গুৰুত্ব দিব লাগে। যিহেতু তেওঁলোকে অসমীয়াকে মাতৃভাষা হিচাবে গ্ৰহণ কৰিছে সেই হেতুকে মজদুৰ সকলৰ কলা-সংস্কৃতি বিলাক সংগ্ৰহ কৰিবৰ কাৰণে মই দাবী জনাওঁ। প্ৰতি সপ্তাহতে দেওবাৰে ৬-১৫ৰ পৰা ৬-৪৫ লৈকে মজদুৰ আচোঁৰ প্ৰচাৰ কৰে, মই অসম চৰকাৰ তথা কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰো যাতে সেই অনুষ্ঠান সপ্তাহত তিনিদিন প্ৰচাৰ কৰা হয়।

খোৱাপানীৰ ক্ষেত্ৰত কব খোজো যে সাপেখাইতি অঞ্চলটো নগৰৰ নিচিনাই হৈছে। কিন্তু তাত খোৱা পানীৰ বিশেষ ব্যৱস্থা নাই। তাত পাইপেৰে খোৱা পানীৰ যোগান ধৰিবলৈ মই অনু-ৰোধ জনালোঁ।

উদ্যোগ আচনিৰ ক্ষেত্ৰত কব খোজো যে নাজিৰা সম-ন্বিত মথুৰাপুৰ উন্নয়ন কেন্দ্ৰ এটা গঢ়ি উঠিছে। কিন্তু তাত টকাৰ অভাব। ওৱেৰ্ভাৰ বিলাক নিষ্ক্ৰিয় হৈ পৰি আছে। গতিকে মই অনুৰোধ জনাও যাতে এই উন্নয়ন কেন্দ্ৰটোলৈ চৰকাৰে আৰ্থিক সাহায্য দি সক্ৰিয় কৰি তোলে। মই জনাত বনুৱা উন্নয়ন কেন্দ্ৰ কিছুমান আছে, সেইবিলাক নামতহে আছে কিন্তু তাৰ পৰা কাম একো হোৱা নাই। ইনচাৰ্জ জন এনেয়ে দৰমহা খাই

বহি আছে। এই কেন্দ্র বিলাক সক্রিয় কৰি তুলিবলৈ অনুৰোধ জনাও যাতে সেইবিলাকৰ পৰা ৰাইজ উপকৃত হয়। এইখিনিকে কৈ মোৰ বক্তব্য সামৰিলো।

শ্রীপ্রমধৰ বৰা :— ৰেলৰে প্ৰস্তাৱ সম্পৰ্কত মই শুক্ৰবাৰে এটা ভুল তথ্যৰ প্ৰকাশ হৈছে বুলি কৈছিলো, আচলতে সেইটো মই আসাম ট্ৰিবিউনত পাইছিলো। ভুল বুজা-বুজি হব পাৰে বুলি মই এইটো সুধৰাই দিছো।

শ্রীযোগেন গগৈ :— মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণ সন্দৰ্ভত আমাৰ কমিউনিষ্ট পাৰ্টি দলৰ এজন সদস্য কমৰেড গিৰীধৰ ঠেঙ্গলৰ সংশোধনী প্ৰস্তাৱ সমৰ্থন কৰি মই দুআষাৰ কবলৈ ওলাইছো। ৰাজ্যপালৰ ভাষণত আৰ্ট আছে কিন্তু ইয়াত কোনো হাৰ্ট *(Heart)* নাই। ই জনসাধাৰণৰ মঙ্গলজনক কাৰ্য্যসূচী চলাব নোৱাৰে। সেইবাবে মই কব বিচাৰিছো প্ৰধানতঃ অসম আৰু নগাৰাজ্যৰ সীমান্তত দিফু, ৰেংমা আৰু দক্ষিণ নামবৰ অঞ্চলত যি ঘটনা ঘটিল সেইটো অবিস্মৰণীয় হৈ ৰব আৰু ইয়াৰ কাৰণে পোনপটীয়া ভাবে কোন দায়ী তাৰ এটা বিচাৰ হব লাগিব। যোৱা ৫ জানুৱাৰী তাৰিখে পুৱা ৩ টা বজাত নগাৰ দ্বাৰা আক্ৰমণ হয়। সীমান্তত নানা পহৰীয়া থকা স্বত্তেও কেনেকৈ তাক ভেদ কৰি আহি আমাৰ ৰাজ্যৰ ভিতৰত সোমাইহি তাৰ এটা বিচাৰ হব লাগে। তাৰ লগে লগে কোৱা যায় যে প্ৰায় এহেজাৰ আক্ৰমনকাৰী আমাৰ ৰাজ্যত সোমায়। এই এহাজাৰ লোক কোন পথে আহিল তালৈও লক্ষ্য ৰাখিব লাগিব। এই ক্ষেত্ৰত বিদেশীৰ হাত আছে নেকি ভালকৈ চাব লাগিব। নগ সীমান্তৰ প্ৰতি চৰকাৰে বিশেষ লক্ষ্য ৰখাৰ প্ৰয়োজন আছে। আমি জনাত

এই আক্ৰমণ কাৰী সকলে পুৱা ৩ বজাৰ পৰা আবেলি ৩ বজালৈ আক্ৰমন চলায়। এই ১২ ঘন্টা সময়ে তেওঁলোকে লুটপাট, ঘৰ-দুৱাৰ ভঙা, নৰহত্যা, গুলিয়া গুলি চলাইছে। এই ১২ ঘন্টাৰ ভিতৰত দিছপুৰে কোনো খবৰেই নাপায়। সেইখিনি সময়ত অসমত কোনো চৰকাৰেই নাছিল নেকি? তাৰ কৈফিয়ত দিব লাগিব। যদি চৰকাৰ আছে বুলি দাবী কৰিব খোজে তেন্তে সেই সময়ত কি ব্যৱস্থা লৈছিল তাৰ এটা উপযুক্ত প্ৰমাণ দিব লাগিব। এই আক্ৰ-মনত কিমান মানুহৰ প্ৰাণহানি হৈছে, কিমানৰ তিৰোতাৰ শিৰৰ সেন্দুৰ মচা গৈছে, কিমান লৰা-ছোৱালী ঘাট মাউৰা হৈছে তাৰ কোনো ঠিকনা নাই। এই ঘটনাত প্ৰায় ২ হাজাৰ মানুহ মৃত্যু মুখত পৰিছে বুলি জানিব পাৰিছো। জনতা চৰকাৰৰ দুৰ্ব্বলতাৰ কাৰণে দুখীয়া মানুহৰ জীৱনেৰে নৰমেধ যজ্ঞ পালন কৰিছে। ৰাজ্যপালৰ ভাষণত কৈছে যে "সেই সশস্ত্ৰ দুৰ্বৃত্তৰ দলে আমাৰ নিৰ্দোষী ৰাইজৰ ওপৰত চলোৱা বৰ্ব্বৰ উৎপীড়ণৰ কথা মনত পেলালে গভীৰ ক্ষোভ আৰু বেদনাই আমাৰ হৃদয় আৱৰি ধৰেহি"। ইমান দয়া-শীল ব্যক্তি হলে নিশ্চয় ব্যৱস্থা হলহেতেন। গতিকে ই ঘৰিয়ালৰ চকুপানীৰ বাহিৰে আন একো নহয়। নিৰ্ব্বাচনৰ সময়ত কেন্দ্ৰৰ পৰা মোৰাৰজী দেশাই আহি প্ৰচাৰ অভিযান চলাইছিলহি। কিন্তু ইমান তাণ্ডৱ ঘটনা ঘটিল ২ হাজাৰ মানুহ বলি হল অথচ কেন্দ্ৰৰ পৰা মোৰাৰজী দেশাইয়ে প্ৰধান মন্ত্ৰী হৈও খবৰকেই লবলৈ নাহিল। অসমৰ মুখ্যমন্ত্ৰীয়ে যি সময়ত খবৰ লব লাগিছিল, তৎমুহূৰ্তে প্ৰতি-ৰক্ষামূলক ব্যৱস্থা লব লাগিছিল সেইখিনি ক্ষেত্ৰত গুৰুত্ব নিদিলে আৰু দিল্লীলৈ লৰ মাৰিলে। ইয়াৰ প্ৰতি লক্ষ্য ৰখাৰ প্ৰয়োজন আছে। আগৰ বিধান সভাৰ দৈয়াং বনাঞ্চল সন্দৰ্ভত আলোচনা কৰিবলৈ আমাৰ দলৰ ফালৰ পৰা পৰামৰ্শ আগ বঢ়োৱা হৈছিল

কিন্তু চৰকাৰে গোপন বৈঠক আহ্বান কৰি বিষয়টো আলোচনা নকৰিলে। শ্ৰীদুলাল বৰুৱা বিৰোধী দলত থকাহেতেন এনে ধৰণৰ ঘটনা ঘটাৰ পিচত এজনৰো মৃত্যু ঘটা হলে সভা সমিতি পতি হুলস্থুল লগালেহেতেন। প্ৰায় ২ হাজাৰ মানুহৰ মৃত্যু হোৱাৰ পিচত আমি এই বিষয়ে, কিয় বিচাৰ নলম? সেইকাৰনে মই দাবি কৰিব বিচাৰিছো যে সকলো দলৰ প্ৰতিনিধি লৈ এটা বিশেষ তদন্তৰ ব্যৱস্থা কৰিব লাগে আৰু কাৰ দোষত কেনে পৰিস্থিতিত এনে ঘটনা ঘটিবলৈ পালে তাৰ হিচাব উলিয়াবলৈ উচ্চ পৰ্য্যায়ৰ তদন্ত কমিটিৰো প্ৰয়োজন আছে।

মহোদয়, যিহেতুকে ৬ মিনিট পাইছো, গতিকে আৰু অলপ কৈ মই মোৰ বক্তৃতা শেষ কৰিব বিচাৰিছো। এতিয়া অলপ অসমৰ উদ্যোগৰ বিষয়ে কব খুজিছো। অসমত উদ্যোগ বিকাশ হব লাগে। সেই উদ্যোগ বিকাশ কৰিবলৈ যাওঁতে কেইটামান কথা লক্ষ্য কৰিব লগা আছে। অসমৰ যিখিনি সম্পদ ৰাজি আছে সেইখিনি ব্যৱহাৰ কৰাৰ ব্যৱস্থা কৰিব লাগে। অসমৰ ভূ-গৰ্ভত থকা সম্পদ ৰাজি কেনেকৈ কামত খটুৱাব পৰা যায় সেই বিষয়ে আজিলৈকে ভাল চিন্তা চৰ্চা কৰা নহল। অসমৰ কেচামাল, অসমৰ সম্পদৰাজি কামত লগাব নোৱাৰিলে আমাৰ উদ্যোগ আৰু অৰ্থনীতি শক্তিশালী কৰা টান হব; আজি অসমত যিবিলাক দেশী বিদেশী একচেতিয়া ব্যৱসায়ী বা পুজিপতি আছে সেই সকলো বিলাকৰে প্ৰধান কাৰ্যায়ল সমহ অসমৰ বাহিৰত। অসমত তেল ওলায় কিন্তু শোধনাগাৰ বাৰাউনিত। অসমত চাহ উৎপাদন হয় প্ৰধান কাৰ্য্যালয় কলিকতাত। অসমত কয়লা ওলায় প্ৰধান কাৰ্যালয় হয় কলিকতাত। *O.N.G.C*ৰ প্ৰধান কাৰ্য্যালয়টো ক্ৰমাৎ নাজিৰাৰ পৰা

উঠাই নিয়াৰ চক্ৰান্ত কৰিছে। প্ৰধানতঃ তেল ওলোৱা অঞ্চলত অৰ্থাৎ নাজিৰা, মাত্ৰ ডেপুটি মেনেজাৰ এজন থাকিব। অ,এন,জী,চিৰ খনন কাজ হয় নাজিৰাত কিন্তু বিষয়া সকলৰ কটাক্ষ পাত তাৰ পৰা কাৰ্য্যালয় বাহিৰত নিয়া। যিজন ডেপুটি মেনেজাৰ আছে তেও এই ভাবাপন্ন। গতিকে এই বিলাক জাতীয়কৰণ কৰা তেনে বিদেশী, দেশীয় একচেতিয়া পুজিপতিৰ সম্পদ জাতিয় কৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। ডিগবৈৰ অইল ইন্দিয়া জাতীয়কৰণ কৰিবলৈ বহু দিনৰ পৰা দাবী উঠি আহিছে, চাহ উদ্যোগ আৰু প্লাইউদ উদ্যোগ এই সকলো বিলাক জাতীয়কৰণ কৰা ব্যৱস্থ কৰিব লাগে। অসমত খাৰুৱা তেল আছে ইয়াতে শোধন নহে কত হ'ব? গতিকে মই দাবী জনাও যে অসমৰ তেল নগৰৰ সমীপত আৰু এটা ৩য় তেল শোধানাগৰ হব লাগে। নিজৰ ৰাজ্যৰ সম্পদৰাজি কেতিয়াও বাহিৰলৈ যাতে যাবলৈ দিয়া নহয় তাৰ ব্যৱস্থা চৰকাৰে কৰিব লাগিব। যি ঠাইত যি সম্পদ আহৰন কৰিব পাৰি সেই ঠাইতে সেই উদ্যোগ গঢ়ি উঠিব লাগে। আন হাতে অ,এন,জী,চিৰ যিবিলাক আতিৰিক্ত গেচ সেই বিলাক জ্বলাই শেষ কৰিছে কোটি কোটি টকা অপচয় ঘটিছে গতিকে এই অফুৰন্ত সম্পদ ৰাজিৰে সাৰ কল-কাৰখানা কৰাৰ ব্যৱস্থা কৰিব লাগে। আজি অসমত ১৫ লাখ নিবনুৱা আছে তেওঁলোকক মকৰল কৰাৰ চৰকাৰৰ নিশ্চয় কৰ্ত্তব্য আছে। নহলে এই ডেকা ল'ৰা গাভৰু বিলাকক ঘৃনীয়া কৰাৰ কোনো অৰ্থ নাই। গতিকে আমাৰ সম্পদ ৰাজি কামতো লগোৱা হব আৰু নিবনুৱা সকলৰ সংস্থাপন হব আৰু এই খিনিকে কৈয়েই মোৰ বক্তব্যৰ সমৰনি মৰিলো।

Shri Baneswar Saikia :— Mr. Deputy Speaker, I am venturing to speak a few words in support of our

amendment to the motion of thanks moved by hon: member Shri, Altaf Hussain Majumdar. The wretched Governor has totally failed to discharge his duties in protecting the life and properties of the citizenes. It is curious that the Governor is heading a Govt. which has failed to carry out its duties in solving the basic issues of the State. Here the main issue has been by passed and consequently there has been a lot of beating about the bushes. The Governor has mentioned about the border situation in his address. Sir, there is no border situation in our country now. If there be any the Assam Govt. has no right to discuss the border issue of the country which is a central subject. The issued with which we are concerned are dispute over the boundaries of different neighbouring States which are yet to be demarcated and which are pending since Independence. The predecessor Govt, I mean the Congress Govt. had not been able to touch a fringe of the problem for which there has been a colosal wastage of money, property and loss of lives. The Nagaland State was created in 1963 and why till today the boundary problem could not be solved which ought to have been done long ago. We have a clash of interest with Arunachal Pradesh

about which no mention is made in the Govrnor's address. There is also boundary problem with Maghalaya which was created as back as 1970 and yet the boundary problems are still there. In Jonai area also a situation of this nature is prevailling: A Govt. run by the Congress Party for the long 30 years have totally failed to solve these basic problems. On 5th January 1979 a band of armed Nagas attacked the innocent people inhabitating in the territories beloging to Assam which were never disputed by anybody. From Diphu to Rengma it was an unwarranted attack on the people. Why such an attack was there ? I am sorry and also surprised to note that the Govt. has admitted that they knew about it earlier. The Home Minister of India Mr. Patel has made a Statement in the Parliament about it that the two Govts. are jointly taking up the issue for solution. I don't know how such an attack could take place at this moment. I do not also know how this attack can said to be a surprise attack. I find that it is a dereliction of duties on the part of the officers; It was apprehended long before that such an attack might come in the near future.

Sir, here at Dispur itself they had sat and discussed the issue long back. But they did not act. They did not want to take up the issue. They did not act accordingly. Sir, this is unpardonable. Now, Sir, they want to hurl the blame only on the Congress Govt. for the criminal negligence of their duties. Of course, sir, I did not hesitate to charge the predecessor Govt. for not settling the border problems long back. The predecesor Govt. had created several problems in the border but they did not settle up any border issues anywhere. The previous Govt. only sat over the issues. But Sir, this Govt. could have taken immediate action to solve the border problems long back. What they have done here ? They also did not do anything. Sir, it was a sheer criminal negligence of duties and it is unpardonable. The officers who were there earlier and under whose advice the border issues did not take a final shape when the predecessor Govt. was in power are still working under this Govt. and the Governor has praised them. Sir, I wonder how the Governor can praise a Government who did not try to solve the border issues. Sir, it is due to this reason, a great holocaust had taken place in the border of Sibsagar district. Sir, our hearts go to those

who were the victims of this great holocatst which took place in the early morning of 5th January this year. The people there were trated like beasts. It is astonishing to not that no shelter was provided to them. No food was supplied to them. The food which was supplied was ineducate and they were treated like beasts and wild animal. Sir, they were living like beasts and wilds animal. Another thing is that 3 (three) Ministers of this Govt. also visited the areas but they did not dischage their due responsibilitis where nearly 30,000 peoples were affectd. Sir, this Govt. did not arrange suitable shelter for for these people. Sir, some Public Schools and a Missionery School had provided shelters. But more then 80,000 peoples were lying on the paddy fields: Sir, can I believe that they should not be provide shelter ? Sir, can I believe that this Govt. has no resources ? The earlier Govt. could have taken certain measures to fence the borders but they did not do anything. They did not construct any P.W. D. road in the borders. This Govt. is also taying to shirk its responsibilities. They have got the officials and they have got the police force but, sir, this Govt. is also neglecting their duties. They did not take promt action for which this

problem has taken a serious torn and as a result of that innocent people living in the areas became unfortunate victims. Sir, who were responsible for the unauthorised encroachment of our forest reserve ? Sir, as many as 30,000 peoples have entered into the areas and destroyed our forest resources ? If we enquire into the whole affairs, then we fine that different departmental officers have allowed them to enter into the forest reserves. Sir, about 12 lakhs bighas of land are being encroached in the forest reserves and these were done with the directions of different officers of the Govt. Sir, if the present Govt. could have taken appropriate action immediately after they came to power, this holocaust would not have taken place today. Sir, we met many officials during our visit to the areas and when we enquired about the encroachment and other things then they all denied their responsibilities. Sir, if this is the attitude of the officers, then how we can expect justice from them ? Sir, our officers, who could have contributed a lot for the settlement of the problem, did not do anything. This is a very sad state of affairs. Then, Sir, you will find that this problem has been accentuated because of the opening of Doyang Reserve Forest and it is because of that our brother and sisters had to lose their

lives in the border and many houses werc burnt. Sir, according to Govt. statistics, only 469 houses were burnt. But this is not the correct figure. In this connection I would like to inform the house that the entire crop which was harvested by about 30,000 to 40,000 people was completely destroyed and was sold out like that of water. Sir, it was sold out at a very cheaper rate. Their crops were taken away and sold out at a cheaper price. Now, Sir, how they will survive ? How they will live during the rest of the year ? This Govt. has not provided adequate food for these people as yet. As a matter of fact, sir, they are yet to come out for their rescue. If we ask them what they have done, then they will say that they have conducted the Panchayat Election and has also done certain paper worke. Sir, this is really very sad as they have not done anything to solve the basic problems. Now, sir, I want to touch just another point and that is education. This is in a mess. There is complete chaos and for last one year not a single school was statred though there are problems of education in this State. The Chief Minister has announced that 6000 posts of teachers have been sanctioned this year. But where are they. I know many schools are going with out any teacher and not a sin-

gle post has been sanctioned. The Education Miniter was very much gracious to say that he is going to village and not the town. I say go and see the village. Not a single school has been taken over till date. They say in the planning they have spent 155 crores in the current year. But what is the improvement. In the statement it is said Rs 155 crores this Govt. is getting in the next year plan. How nice it is ! Last year you got 155 crores that is in the current year. What progress we have made ? It is known to all of us, the hon'ble members, And the same amount they are getting for next year. It is just lubricating the wheel. But there is no progress in the field of economic development. Sir, with one point I shall resume my seat and that is the Department of Supply. It has miserably failed. It is a vital Department. You go from Mankachar to Jonai, Karimganj to Bhalukpung you will find that in every village, the salt is selling at prices upto 100 paise per kg. Few traders have monopolised. Lakhs of rupees has been spent. We do not want anything more but atleast we expect that salt should be sold at a reasonable rate. But this salt is costing at Rs. 1/- per kg. The Govt. could not solve this basic problem. What about

the kerosene. This Goverment could not solve this basic issues; Here he mentioned about the operational difficulties: But you produce oil here at Noonmati. What are the operational difficulies. Can't you remove this hurdles: Then why you are there ? If there were natural calamities or devastation of flood, it could be taken into consideration by all. But there was nothing of the kind. If you cannot solve this basic problem you surrender.

( Noise )

Yor go from village to village you will find that everywhare kerosen is sold at Rs. 2/- per litre and it is a very importent thing for the villagers. These are the vital issues and I do not say that this Government do not have any other problem. There are lots of difficulties but primarily these difficulties should have been overcome first and at all costs. Instead of sitting here in Gauhati they should have gone to villages and see around and assess the miseries of people for them selves. The Ministers should go to the field instead of sitting here in the office and do the work. So, Sir I have taken a lot of time. Therefore, I say that in the

Governor's address hon'ble Member Mr. Mazumdar has ridden a wrong horse but I do not see a single performance of the Govt. is satisfactry and I am convinced that this Govt. has failed to atleast to refer, mention and admit the failure of his Govt: He should have been bold to admit the failure. He is also our people. We should take the people and the house into confidence. If he is to draw a picture he should have drawn a real picture before us: So, Sir with these few words I resume my seat.

Mr. Deputy Speaker :— Now hon'ble member Shri Jiban Bora.

শ্ৰীজীৱন বৰা :— মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত বন্ধুবৰ শ্ৰীআব্দুল লতিফ হুইছেন মজুমদাৰ ডাঙৰীয়াই যি ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে তাক সমৰ্থন কৰি কেইআষাৰ মান কথা কবলৈ ওলাইছো।

উপাধ্যক্ষ মহোদয়, আজি এক বিশেষ পৰিস্থিতিত অসমত বৰ্ত্তমানৰ চৰকাৰে শাসণৰ গাদীতত বহিব লগীয়া হৈছে, শাসন আগবঢ়াই নিব লগা হৈছে। ৰাজ্যপালৰ ভাষণৰ মাজেদি বৰ্ত্তমান চমুকৈ হলেও চৰকাৰে কি কৰিছে আৰু অহা বছৰলৈ কি কৰিব পাৰিব তাৰ এটা ইঙ্গিত মাত্ৰ দিবলৈ সক্ষম হৈছে। তাৰ মাজেদি আমি কিছু কথা গম পাইছো। এই ভাষণত যি বিলাক শিতান দাঙি ধৰা হৈছে তাৰ মাজেদি চৰকাৰৰ কামৰ

ইঙ্গিত আমি পাইছো। এই চৰকাৰে পূৰ্ব্বৰ চৰকাৰৰ পৰা এক দেৱলীয়া অৰ্থনীতি পাইছে। তাৰ প্ৰমাণ স্বৰূপে ১৯৭৫ চনত অসমৰ মূঠ ধাৰ ৪৭৪'৮০ কোটি ১৯৭৬ চনত এই ধাৰ বৃদ্ধি হৈ ৫০৪'৭৩ কোটি পালেগৈ ১৯৭৭ চনত ৫৩৮'২০ কোটি টকা লৈ এই ধাৰ বৃদ্ধি হয়। গতিকে ইয়াৰ পৰা এটা বাস্তৱ ছবি অৰ্থ-নীতিৰ দিশত বুজা যায় যে দেউলিয়া অৱস্থাত ধাৰ এৰি থৈ গৈছে। আৰু সেই ধাৰৰ বোজাৰৈ চৰকাৰে কাম হাতত লব লগীয়া হৈছে! ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্ক ৰাখি যিকেইটা বিষয়ৰ ওপৰত আলোচনাত বেচি জোৰ দিছে সেই বিষয় কেইটা হৈছে ৫ জানুৱাৰীত হৈ যোৱা নগা আক্ৰমণ আৰু আনটো হৈছে বিদেশী লোকৰ অনুপ্ৰবেশ। এই কেইটাৰ উপৰিও শিক্ষা সমাজ কল্যান বিভিন্ন বিষয়ৰ ওপৰত আলোচনা হৈছে। এই প্ৰস্তা-বটো সমৰ্থন কৰাৰ লগে লগে বৰ্ত্তমান চৰকাৰৰ আগত যিখিনি সমস্যা আছে সেই সমস্যা সমাধানৰ কাৰণে দুই চাৰিটা পৰামৰ্শ দিয়া উচিত বুলি ভাবিছো।

নগা পাহাৰৰ যিটো সমস্যা, যোৱা পাঁচ তাৰিখে যি আক্ৰমণ হৈ গল সেই আক্ৰমণক আমি কি ভাবে গ্ৰহণ কৰিম? এইটো এটা ডাঙৰ সমস্যা। এই সমস্যা এখন ৰাজ্যৰ সামূহিক সমস্যাৰূপে পৰিগণিত হব। অসমৰ স্বাৰ্থ নিখুট ৰাখি ভাল ধৰ-ণেৰে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰক। এইটো কথা ঠিক যে নগা-লেণ্ড আৰু অসমৰ মাজত থকা যি সীমামুৰীয়া অঞ্চল, আগতে মানুহ নোহোৱা যিখিনি ফৰেষ্ট ৰিজাৰ্ভ তাত কোন সোমাব, কোনে মাটি লৈ খেতি কৰিব এই বিষয়ে বিসম্বাদ চলি আছে। আগৰ পৰা সৃষ্টি হোৱা এটা সমস্যা আহি নতুন ৰূপত সৃষ্টি হৈছে। এই সমস্যা আগৰ পৰাই চলি আহিছে। এইটো কোৱা হৈছে

দৈয়াং ৰিজাৰ্ভ খুলি দিয়াৰ পিচত এনে ধৰণৰ নতুন সমস্যাবিলাক সৃষ্টি হৈছে। মই এইটো কব খুজিছো যে চকু মেলি এই সমস্য সমাধান কৰিবৰ কাৰণে যথেষ্ঠ চেষ্টা চলোৱা হৈছে।

(ধ্বনি— তাৰ প্ৰমাণ পাঁচ তাৰিখৰ ঘটনা জানো নহয়?)

এই ক্ষেত্ৰত মই এটা পৰামৰ্শ আগবঢ়াব খুজিছো যে এই যি দুৰ্ঘটনা ঘটিল এই ক্ষেত্ৰত যদি কোনো চৰকাৰী বিষয়াই অৱহেলা কৰিছে তেওঁলোকক উপযুক্ত ধৰণেৰে শাস্তি দিব লাগে। তিনি তাৰিখে তিতাবৰত অসম বেটেলিয়ান হেড কোৱাৰ্টাৰত নতুন আই, জি, পিৰ সন্মানাৰ্থে ভোজমেল হৈছিল আৰু চাৰি তাৰিখে ডি, আই, জি চাহাবৰ সন্মানাৰ্থে ভোজ মেল হৈছিল। যদি এনেদৰে ভোজ মেল হৈ থকা অৱস্থাত সীমান্তৰ পৰা কিবা ঘটনাৰ খবৰ আহিছিল আৰু যদি সেই খবৰ মিছা বুলি অৱহেলা কৰা হৈছিল নাইবা তলতীয়া কৰ্মচাৰীক তালৈ পঠোৱা নহৈছিল তেন্তে তাৰ উপযুক্ত ব্যৱস্থা লব লাগে। লগতে মই এই কথাও কব খুজিছো যে আজি ইমান দিনে এই বিষয়া সকলৰ বহুতৰে যি নৈতিকতা সেই নৈতিকতা বহু পৰিমাণে নষ্ট হৈ গৈছে। তাৰ বহুতো উদাহৰণ আছে। মই মাত্ৰ এটা উদাহৰণ দিব খুজিছো। In November, 1976, 208 vehicles were brought from different Govt. departments to be used by persons who visited Jawahar Nagar in conneetion with annual association of the Committee. (Noise)

Shri Md. Idris :— Sir, Jawahar Nagar issue cannot perhaps be raised on the floor of the House since the

matter has already been referred to a Commission of Enquiry. So it is subjudiced.

Shri Noorul Huda :— He has been referring to the reports of the Conmptroller and Auditor General of India only, he is not referring to Jawahar Nagar issue. This can be referred to by any Member.

Shri Jiban Bora :— I have been referring to the reports of the Comptroller & Aditor General of India for the years 1976-77. I am not pointing out anything from the executive document.

উপাধ্যক্ষ মহোদয়, মই এইটো কথা কব খুজিছো যে যদি চৰকাৰে এই বিষয়া সকলৰ ওপৰত চৰকাৰে এনে ধৰণৰ আদেশ জাৰি কৰে নাইবা তেওঁলোকে নকৰিব লগীয়া কিছুমান কাম কৰাৰ কাৰণে সেই সকল বিষয়াৰ সহায়েৰে কাম কৰোৱা হৈছে তেন্তে তেওঁলোকৰ নৈতিকতা নিশ্চয় তললৈ যোৱাত সহায় কৰা হৈছে। গতিকে মই কব খুজিছো যে নগা ইচুৰ ক্ষেত্ৰত ৰাজনৈতিক, অৰ্থনৈতিক ইচু জড়িত আছে।

বিদেশী অনুপ্ৰবেশ এটা ডাঙৰ সমস্যা। এইটো কথা ঠিক যে ৰাজ্য এখনৰ অৰ্থনৈতিক অৱস্থা ভাল কৰিবলৈ হলে এটা এটাকৈ সকলো সমস্যাৰ ফালে চকু ৰাখিব লগা হয়। এই ক্ষেত্ৰত নিবনুৱা সমস্যা এটা ডাঙৰ সমস্যা। এই সমস্যা সমাধান

কৰিবলৈ হলে কৃষি আৰু উদ্যোগ পৰিকল্পিত ভাবে আগ বঢ়াই নিব লাগিব। এই ক্ষেত্ৰত জন সংখ্যাৰ কথাটোও আহি পৰে। আজি অসমত যি ধৰণেৰে জনসংখ্যা বাঢ়িব ধৰিছে ভাৰতবৰ্ষত কোনো ঠাইতে এনে ধৰণেৰে বৃদ্ধি পোৱা নাই। যি সময়ত ভাৰতবৰ্ষৰ জনসংখ্যা বৃদ্ধি শতকৰা ২০ ভাগ সেই সময়ত অসমৰ জনসংখ্যা বৃদ্ধি হৈছে শতকৰা ৩৫ ভাগ। এই দৰে হঠাত বৃদ্ধি হোৱা জনসংখ্যাৰ কাৰণে আমাৰ মনত এটা সন্দেহ জাগৃত হয়। ইয়াৰ কাৰণ স্বৰূপে কব পাৰি যে অসমলৈ নানা বিদেশী ৰাষ্ট্ৰৰ যথেষ্ঠ লোক আহি আছে। এই ক্ষেত্ৰত মই এটা কথা কব খুজিছো যে ১৯৭১ চনত ইন্দিয়ান হাই কমিচনাৰে খবৰ দিছিল যে তেতিয়া দিনে অসমলৈ গড়ে ৫শ জন মানুহ সোমাই আছে, গৈছে মাত্ৰ দিনে গড়ে ৫০ জনহে। গতিকে স্বাভাৱিকতে এটা সন্দেহ হয় আৰু যেতিয়া এই কথা ভাৰত চৰকাৰক জনোৱা হল তেতিয়া স্পনচৰশ্বিপ চাৰ্টিফিকেট প্ৰবৰ্ত্তন কৰিলে, তেতিয়া অহাৰ সংখ্যাটো কিছু কমি গল। তাৰ পিচত ইয়ালৈ যি খিনি মানুহ আহিল তেওঁলোকক ঘুৰাই পঠোৱাৰ কি ব্যৱস্থা আছে? এনেকৈ সোমোৱা মানুহৰ যি খিনি বাংলাদেশী বুলি প্ৰমাণিত হয় তেওঁলোকক অসম পাৰ কৰি ঘূৰাই পঠাব নোৱাৰি সীমান্তত বি, এচ, এফ আছে। বাংলাদেশী বুলি যদি কোনোবা মানুহ ধৰি লৈ যোৱা হয় তেন্তে তেওঁলোকক বাংলাদেশী পুলিচে গ্ৰহণ নকৰে। আমাৰ পুলিচে ৰাখি থয় আৰু কয় হাবি জংঘলত সোমাই থাক। এইদৰে কিছুদিন সোমাই থকাৰ পিচত তেওঁলোক আকৌ ঘূৰি আহে। অনুপ্ৰবেশকাৰী ৰোধ কৰিবৰ বাবে আমাৰ সীমান্তত যি ব্যৱস্থা আছে সেই ব্যৱস্থা উন্নত কৰিব লাগিব। বিদেশী নাগৰিক বুলি প্ৰমাণিত হলেও যিখিনি মানুহক আমাৰ ঘুৰাই পঠোৱাৰ উপায় নাই তেনে ক্ষেত্ৰত এইটো আমাৰ সামূহিক ভাবে

চিন্তনীয় বিষয় হৈ পৰিছে ; কি ভাবে এই বিষয়ত কার্য-কৰী পদক্ষেপ লব পৰা হয় এইটো চিন্তা কৰিব লাগে। ইয়াৰ লগতে আন এটা কথা অ,হি পৰিছে। আমাৰ ৰাজ্যপালৰ ভাষ-ণত এটা কথা কোৱা হৈছে যে আমাৰ দেশৰ বুৰঞ্জী আৰু পুৰা-তত্বৰ অধ্যয়ণ কৰা হৈছে। এই ক্ষেত্ৰত আমাৰ প্ৰাক্তন মুখ্য মন্ত্ৰী শ্ৰীশৰৎ সিংহ ডাঙৰীয়াই যি প্ৰচেষ্টা চলাই গল তাৰ বাবে তেখেত ধন্যবাদৰ পাত্ৰ। ইয়াৰ দুটা খণ্ড লিখা হৈ গল আৰু তৃতীয় খণ্ডটোও হব। এইটো বৰ প্ৰসংশনীয় হৈছে। এই কাম আমাৰ চৰকাৰে সম্পূৰ্ণ কৰি তুলিব লাগে, যাৰ বাবে আমাৰ ভৱিষ্যত বংশধৰ সকলৰ উপকৃত হব। ইয়াৰ উপৰিও এটা স্বয়ং সম্পূৰ্ণ State Archieve তৈয়াৰ কৰা একান্ত আৱশ্যক হৈছে।

আজি আমাৰ যিবিলাক সীমা মূৰীয়া সমস্যা আছে যেনে— অসম-নগালেণ্ড, অসম-অৰুণাচল, অসম-ভুটান আদি সমস্যা তাক অধ্যয়ণ কৰি আৱশ্যকীয় সমাধানৰ বাবে আমাৰ চৰকাৰে চিন্তা কৰিব লাগে।

শিক্ষাৰ ক্ষেত্ৰত শিক্ষানুষ্ঠানৰ ব্যৱস্থা এনে ধৰণে কৰিব লাগে যাতে বিভিন্ন অঞ্চলৰ ৰাইজে সমান সুবিধা পায়। এতিয়া-লৈকে যিটো চলিছে শিক্ষাৰ ক্ষেত্ৰত সমান সুবিধা হোৱা নাই। জনসংখ্যাৰ ফালৰ পৰা থুল-মূলকৈ কব খুজিছো যে অসমৰ ব্ৰহ্ম-পুত্ৰৰ উত্তৰ পাৰ, দক্ষিণ পাৰ, কাছাৰ আৰু পাৰ্ব্বত্য জিলা কেই-খনলৈ চাৰিটা ভাগত ভাগ কৰিব লাগিব। উত্তৰ পাৰত ৫৬ লাখ ৮০ হাজাৰ ৩৮০ জন, দক্ষিণ পাৰত ৬৭ লাখ ৭৬ হাজাৰ ৩১ জন আৰু কাছাৰত ১৭ লাখ ১৩ হাজাৰ ৩১৮ জন। দক্ষিণ

পাৰৰ ৬৭ লাখ ৭৬ হাজাৰ ৩১ জন মানুহ থকা অঞ্চলটোত ৩ খন বিশ্ববিদ্যালয় আছে, ২খন মেডিকেল কলেজ আৰু ২খন ইঞ্জিনিয়াৰিং কলেজ আছে।

শ্ৰীগোলক ৰাজবংশী :— এনেধৰণৰ গুৰুত্বপূৰ্ণ আলোচনা হোৱা কালত লিডাৰ বা ডেপুটি লিডাৰ কোনোৱেই সদনত নাই।

শ্ৰীজীৱন বৰা :— উত্তৰ পাৰত ৫৬ লাখ ৮০ হাজাৰ ২৮০ জন মানুহ বাস কৰা গোটেই অঞ্চলটোতে এখন বিশ্ববিদ্যালয় নাই, ইঞ্জিনিয়াৰিং, মেডিকেল কলেজ নাই। ৰাজ্যপালৰ ভাষণত কোৱা হৈছে যে তিনি খন পলিটেক্‌নিক স্কুল উত্তৰ পাৰত কৰা হব। ইমান জনসংখ্যা বাস কৰা উত্তৰ পাৰৰ অঞ্চলটোতত এখন বিশ্ববিদ্যালয়, এখন মেডিকেল কলেজ আৰু এখন ইঞ্জিনিয়াৰিং কলেজ থাকিব লাগিছিল, আমাক পগলা ফাটেক খন দিছে, এয়ে যথেষ্ঠ নহয়। লাগিলে উঠাই লৈ আহক, আমাক আন কিবা দিয়ক। জনসংখ্যাৰ ভিত্তিত যদি চাবলৈ যোৱা যায় এই সকলোখিনি উত্তৰ পাৰত কৰিব লাগে।

যুব কল্যাণৰ ক্ষেত্ৰত কোৱা হৈছে যে খেলা-ধূলাত কিছু আগ বাঢ়িছে। গাওঁবিলাকত কৰ্ম্মসংস্থানৰ একো ব্যৱস্থা হোৱা নাই, গাৱে-ভুয়ে লৰা-ছোৱালী বিলাকে চাকৰি পাওক নাপাওক কৰ্ম্মসংস্থানৰ কাৰণে এমপ্লইমেণ্ট এক্‌চেঞ্জলৈ আহিব লাগে। এটা চাকৰিৰ কাৰণে ১২-১৫ হাজাৰ লৰাই নগৰত পৰীক্ষা দিব লাগে। তেজপুৰৰ নিচিনা সৰু টাউন বিলাকত থকা মেলাৰ বাবে ভাল হোটেল নাই। আনহাতেদি বেচি দাম দিও হোটেলত থাকিব

নোৱাৰে। গতিকে সেই ঠাই বিলাকত ইউঠ হোষ্টেলৰ যোগেদি চাকৰিৰ বাবে অহা লৰা-ছোৱালী বিলাকে যাতে কম খৰচত থাকিব পাৰে তাৰা ব্যৱস্থা কৰিব লাগে। এই শিতানত যথেষ্ঠ টকা থাকে আমি আশা ৰাখিছো এই বছৰত ৩-৪ টা ইউঠ হোষ্টেলৰ কাম আৰম্ভ কৰিব লাগে।

শ্ৰমিক সম্পৰ্কত ইয়াত একো উল্লেখ নথকাটো সচাকৈয়ে বৰ দুখৰ কথা। ১৯৭৫-৭৬ চনৰ হিচাব মতে বনুৱা ১২ লাখ ৩ হাজাৰ জন। চাহ বাগিচা ৭শ ৫৬ খন আছে। তাত গড়ে দিনে ৪ লাখ ২ হাজাৰ মানুহে কাম কৰি আছে। ইমানখিনি মানুহৰ কাৰণে ইয়াত কিছু উল্লেখ কৰাতো উচিত আছিল। বজেট প্ৰদৰ্শনৰ সময়ত শ্ৰমিকৰ কিছু ব্যৱস্থা হব বুলি আশা ৰাখিছো, এই মানুহখিনি কেনেকৈ জীন যাব, শিক্ষা ব্যৱস্থা কি হব, সমান সুযোগ কি ধৰণে পাব এইখিনি ব্যৱস্থা দিব লাগে। পঞ্চায়ত নিৰ্ব্বা চনৰ যোগেদি উৎসাহ-উদ্দীপনা বাঢ়িছে, বাগান বিলাকে সুযোগ পাইছে, নিৰ্ব্বাচনত প্ৰতিধ্বন্দ্বিতা কৰিছে আৰু সমস্যাৰ ভুলৈছে গতিকে সা-সুবিধাখিনি বাজেট্টৰ জৰিয়তে আগ বঢ়াব বুলি আশা ৰাখিছো। পৰিকল্পনাৰ কথা কেবাজনেও কৈ গৈছে। শিক্ষাৰ ক্ষেত্ৰত, শিল্পৰ ক্ষেত্ৰত, উদ্যোগৰ ক্ষেত্ৰত ভাল প্ৰতিচ্ছবি পোৱা নাযায়। ডাক্তৰে চাকৰি নাপায় ঘুৰি আছে আনহাতে কম্পাউন্দৰ নাই, ইঞ্জি- নিয়াৰে চাকৰি নাপায় ঘুৰি আছে কিন্তু অভাৰচিয়াৰ নাই। পৰি- কল্পনা নোহোৱাকৈ এই ৰাজ্যখনৰ শিক্ষাব্যৱস্থা বৰ্ত্তি আছে। কত নিয়োগৰ অধিক সুবিধা হব আৰু কি কি বিষয়ত শিক্ষা লব লাগিব সেইটো আগতীয়াকৈ চৰকাৰে কব লাগিব। সেইদৰে প্ৰশি- ক্ষণ দিলে উপযুক্ত ভাবে নিয়োগৰ ব্যৱস্থা কৰিব পৰা হব।

উদ্যোগৰ ক্ষেত্ৰত কবলৈ যাওঁতে কুটিৰ শিল্পৰ কথাকেই কব বিচাৰিছো কিমান কেচামাল আছে কোনো কুটিৰ শিল্পৰ কাৰণে বজাৰ আছে চৰকাৰে কব পাৰিব লাগিব। এইদৰে কৰিলেহে ডেকা চামে কাম কৰিবলৈ আগ বাঢ়ি আহিব আমি কব পাৰিব লাগিব বাহিৰৰ পৰা অমুক বস্তু আহে এইবিলাক বস্তুৰ বজাৰ অসমত আছে। এই ধৰণে হলেহে উৎপাদনৰ কাৰণে যুৱকসকল আগবাঢ়ি আহিব। সেয়েহে পৰিকল্পনা বিভাগটো অধিক শক্তিশালী কৰিব লাগে আৰু তাৰ বাবে অনেক ধনৰ আৱশ্যক হৈ পৰিছে। এইখিনিকে থুল-মুল ভাবে ৰাজ্যপালৰ ভাষণৰ ওপৰত আগবঢ়ালো আৰু শ্ৰীআলতাফ হুছেইন মজুমদাৰে দাঙি ধৰা ধন্যবাদ সুচক প্ৰস্তাৱটোৰ প্ৰতি সমৰ্থন জনালো।

শ্ৰীনজমূল হক :— মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা ধন্যবাদসূচক প্ৰস্তাৱত যি কেইটা সংশোধনী আগবঢ়োৱা হৈছে তাৰ ওপৰত সমৰ্থন আগবঢ়াই মোৰ বক্তব্য দাঙি ধৰিব বিচাৰিছো ৰাজ্যপালৰ ভাষণ প্ৰত্যেক বছৰেই বাজেট অধিবেশনৰ আগতে দিয়া হয়। যোৱাবাৰো ঠিক এনেকৈয়ে ৰাজ্যপালে ভাষণ দিছিল কিন্তু সেই ভাষণত যিবিলাক প্ৰতিশ্ৰুতি বা আশ্বাস দিয়া হৈছিল সেই-বিলাক কাৰ্য্যত পৰিণত হোৱা নাই। এইবাৰ আকৌ ৰাজ্যপালৰ ভাষণ আহিছে। ৰাজপাল হৈছে আমাৰ ৰাজ্যৰ আটাইতকৈ ডাঙৰ মুৰব্বী। মুৰব্বী হিচাবে তেখেতৰ ভাষণটো যিমান গুৰুত্বপূৰ্ণ হব লাগিছিলে সেইটো হোৱা নাই। কিন্তু ভাষণৰ মাজত যিখিনি দেখা গৈছে তাৰ ভিতৰত আটাইতকৈ দুখ লগা ঘটনাটো হৈছে ৫ জানুৱাৰী তাৰিখে অসম আৰু নাগালেণ্ড সীমান্তত ঘটা মৰ্ম্মন্তিক ঘটনা। ৰাজ্যপাল জন এখন ৰাজ্যৰ মুৰব্বী হিচাবে যিমান সাংবিধানিক দায়িত্ব আছে জনসাধাৰণৰ জীৱন আৰু সা-সম্পত্তি ৰক্ষাৰ

কাৰণে তেখেতে সেই দায়িত্ব সম্পূৰ্ণৰূপে পালন কৰিব পৰা নাই। মানুহৰ জীৱন আৰু সম্পত্তি ৰক্ষা কৰিব পৰা নাই। মানুহৰ জীৱন ৰক্ষা কৰিব পৰাত চৰকাৰে নেতৃত্ব দিব পৰা নাই। আনকি ব্যৰ্থতাৰ বাবে অনুসূচনা পৰ্য্যন্ত এই ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। নগা সীমান্তত যি ভয়াবহ ঘটনা ঘটিল সচাকৈয়ে অসমৰ বুৰঞ্জীত এটা উল্লেখযোগ্য ঘটনা। এইবিষয়ে বহুতো সদস্যাই বিভিন্ন ধৰণে ব্যাখ্যা কৰিছে।

শ্ৰীমোজাম্মিল হক চৌধুৰী :— ৰাজ্যপালৰ ভাষণত স্পষ্টকৈ লিখা আছে— "অসমৰ মাজেদি যাতায়ত কৰা নিৰ্দোষী নগাৰ ওপৰত প্ৰতিশোধ মূলক কোনো কামকে নকৰি অসমৰ ৰাইজে যি আদৰ্শ দেখুৱালে তাৰ বাবে ৰাইজক অভিনন্দন দেখুৱাটো মোৰ বাবে আনন্দদায়ক কৰ্ত্তব্য"

শ্ৰীনজমুল হক ঃ— এইখিনি আপোনালাকৰ কাৰণে যথেষ্ট আৰু সন্তোষজনক হব পাৰে কিন্তু আমাৰ কাৰণে নহয়। মই আপোনালোকৰ আগত কিছুমান স্পষ্ট উদাহৰণ দাঙি ধৰিব বিচাৰিছো। মোৰ ঘৰৰ ওচৰতে থকা ছোৱালী এজনীৰ স্তন নগা সকলে কাটি লৈ গ'ল। তথাপিও কি ১ কোটি ৬২ লাখ মানুহক ৰাজ্যপালে শান্তি দিব খুজিছে। এইবিলাকৰ কাগজ পত্ৰ মোৰ হাতত আছে। মই দৰকাৰ হলে দিম।

আইন-শৃঙ্খলাৰ সম্পৰ্কত যিখিনি কোৱা হৈছে সেইটো সম্পূৰ্ণ অতিৰঞ্জিত। আইন শৃঙ্খলাৰ কিবা উন্নতি হৈছেঁ জানো? একো হোৱা নাই। আইন শৃঙ্খলাৰ ক্ষেত্ৰত শৰত সিংহ চৰকাৰে যিখিনি বেয়া কৰি থৈ গৈছে নতুন চৰকাৰে চেষ্টা কৰি সেইখিনি

উন্নতি কৰিব পাৰিলেহেতেন। কিন্তু দেখা গৈছে এই ক্ষেত্ৰত কোনো উন্নতি পৰিলক্ষিত হোৱা নাই বৰঞ্চ ব্যৰ্থ হৈছে।

ভূমিসংস্কাৰৰ ক্ষেত্ৰত কোনো উল্লেখযোগ পৰিবৰ্ত্তণ ঘটা নাই। আগৰ দৰে গতানুগতিক ভাবে চলি আছে। ডাঙৰ কথা হৈছে অসমৰ বিভিন্ন প্ৰান্তত ভূমিহীন লোকে ডাঙৰ ডাঙৰ গছ কাটি, ডাঙৰ ডাঙৰ পাথৰ আতৰাই যি খেতি কৰাৰ ব্যৱস্থা কৰিছিল এই চৰকাৰে সেইসকল ভূমিহীন মানুহক সেই মাটিৰ পৰা বলেৰে উচ্ছেদ কৰিছে।

মই বন-বিভাগৰ ওপৰত থুল-মুল ভাবে কিছু বক্তব্য ৰাখিব বিচাৰিছো।

বনঞ্চল অসমৰ এটা অমূল্য সম্পদ। সচাকৈয়ে যদি এই চৰকাৰে বনাঞ্চল ৰক্ষা কৰিব নোৱাৰে তেতিয়াহলে অতুৰ ভবিষ্যতে অসমলৈ যি চৰকাৰেই নাহক কিয় বনাঞ্চলৰ পৰা আমাৰ যি ৰাজহ আহে সেই ৰাজহ নাহিলে আমাৰ ৰাজ্যৰ বাজেট ঘাটিৰ সন্মুখীন হব। বনাঞ্চলত যি ঘটনা ঘটিছে এইটো আজিৰ নহয় ১৯৭০ চনৰ পৰাই বনাঞ্চলত ব্যাপক ভাবে ধ্বংশলীলা চলি আহিছে। এই ধ্বংশলীলা আজিও শেষ হোৱা নাই। মন্ত্ৰীৰ প্ৰদৰ্শণৰ কাৰণে ৰাস্তাৰ দুয়ো কাষে শাল গছ ৰখা হৈছে। ৰাস্তাৰ পৰা এক ফাৰ্লং মান গলেই গম পোৱা যায় যে ভাত গছেই নাই। কোটি কোটি টকাৰ অসমৰ বনজ সম্পদৰ ধ্বংশ ১৯৭০ চনৰ পৰাই চলি আহিছে। গতিকে মই চৰকাৰৰ দৃষ্টিআকৰ্ষণ কৰি কব বিচাৰিছো যে এই চৰকাৰে যাতে বনাঞ্চল ৰক্ষাৰ কাৰণে যুদ্ধকালীন তৎপৰতাৰ সৈতে বলিষ্ঠ পদক্ষেপ লয়।

মই সমবায় সম্পৰ্কে মন্ত্ৰী মহোদয়ৰ দৃষ্টিআকৰ্ষণ কৰিব বিচাৰিছো। সমবায়ত যি দুৰ্নীতি ঘটিব লাগিছে সেই সম্পৰ্কত বোধহয় মাননীয় আন আন সদস্য সকলেও মোৰ লগত একমত হ'ব। এই সমবায় বিলাক মাত্ৰ কাগজে কলমেহে চলি আছে। ৰাইজে সমবায়ক যি টকা দিলে সেই টকা আত্মসাৎ হ'ল। প্ৰাক্তন মুখ্যমন্ত্ৰীয়ে কৈছিল যে দৰকাৰ হলে পানী লাউ বিক্ৰী কৰি হলেও সমবায়ক টকা দিয়ক। কিন্তু সেই সমবায় আজি আৰু নাই। এই সমবায় এতিয়া এনেকুৱা দুৰ্নীতি পৰায়ণ মানুহৰ হাতত দিয়া হৈছে, যাৰ হাতত পৰি চৰকাৰৰ টকাতো নায়েই আনকি দুখীয়া মানুহৰ অংশৰ টকাও আত্মসাৎ কৰিছে। গতিকে সমবায়ৰ ক্ষেত্ৰত নতুন দৃষ্টিভঙ্গী লব লাগিব। এই টকা যিসকল চেয়াৰম্যান, চেক্ৰেটাৰীৰ হাতত দিছে তেওঁলোকেই সেই টকা আত্মসাৎ কৰিছে। চৰকাৰৰ হাতত আইন থকা স্বত্বেও, আদালত থকা স্বত্বেও একোজন চেয়াৰম্যান, চেক্ৰেটাৰীয়ে কেনেকৈ হাজাৰ হাজাৰ টকা আত্মসাৎ কৰিব পাৰিলে তেওঁলোকৰ ওপৰত কোনো শাস্তিমূলক ব্যৱস্থা লব নোৱাৰিনে ? এই টকা যিমান দিনলৈকে আদায় নহব সিমান দিনলৈকে জনসাধাৰণৰ বিক্ষোভ থাকি যাব আৰু সমবায়ৰ প্ৰতি বিৰূপ মনোভাৱ হব।

ৰাস্তা-ঘাটৰ ক্ষেত্ৰত মই কব বিচাৰিছো যে অকল গড়-কাপ্তানী বিভাগৰ কেইটামান ৰাস্তাই অসমৰ যি পৰিবহন ব্যৱস্থাৰ দুৰৱস্থা সেই দুৰৱস্থা দূৰ কৰিব পৰা নাই। অসমত যিমান প্ৰকৃতিক সম্পদ আছে সেই অনুপাতে মকৰাৰ জালৰ দৰে আমাৰ ইয়াত ৰেলৰ লাইন সম্প্ৰসাৰণ হব লাগিছিলে। কিন্তু সেই পৰিমাণেতো হোৱা নায়েই আনকি অন্য ৰাজ্যৰ তুলনাতো আমাৰ ৰাজ্যত ৰেল লাইনৰ সম্প্ৰসাৰণ কম।

শিক্ষাৰ সম্পৰ্কত মই কব বিচাৰিছো যে চৰকাৰে যিমান বিলাক বিষয়ত ফেইলৰ হৈছে তাৰ ভিতৰত উল্লেখযোগ্য ফেইলৰ হৈছে শিক্ষাৰ ক্ষেত্ৰত। সিদিনা আমাৰ গোৱালপাৰাত এনেকুৱা ঘটনা ঘটিছিল যে সেইদিনা মই উপস্থিত নথকাহেতেন নিৰনুৱা যুৱক সকলে চেয়াৰমেনক আক্ৰমণ কৰিলেহেতেন। মইতো সকলোতেই তোমাদৰে থাকি চেয়াৰমেনক প্ৰতেকশ্যন দিব নোৱাৰিম। আমাৰ সেই অঞ্চলত আনকি প্ৰাথমিক স্কুলৰ শিক্ষকৰ পোষ্ট এটাও মুঞ্জৰী হোৱা নাই। আৰু আমাৰ অঞ্চলত যিবিলাক স্কুল আছে সেইবিলাকৰ অৱস্থা অতি দুখ লগা। এই অৱস্থাবিলাক দূৰ কৰিব লাগে।

স্কুলঘৰৰ এনেকুৱা অৱস্থা যে সেইটো স্কুলঘৰ বুলি, শিক্ষানুষ্ঠান বুলি ভাবিবলৈ টান লাগে। আকাশত মেঘ দেখিলে এঘণ্টা আগতে স্কুল ছুটি দিব লাগে, ধুমুহা আহিবৰ সম্ভৱনা দেখিলে দুঘণ্টা আগতে স্কুল ছুটি দিব লাগে। এই বিলাক ক্ষেত্ৰত অনতিবিলম্বে ব্যৱস্থা লব লাগে। মুখ্যমন্ত্ৰী মহোদয়ে তেখেতৰ বিবৃতিত নতুনকৈ ছয় হাজাৰমান শিক্ষকৰ পদ সৃষ্টি কৰা হব বুলি ঘোষণা দিছিল এই ব্যৱস্থা যাতে অতি সোনকালে হয় তাৰ ব্যৱস্থা কৰিব লাগে আৰু তাৰ কাৰণে মই তেখেতৰ দৃষ্টি আকৰ্ষণ কৰিছো।

(সময়ৰ সংকেত)

শিক্ষাৰ ক্ষেত্ৰত এইটো কথা কবই লাগিব যে শিক্ষা বিভাগৰ ওপৰত গুৰুত্বৰ অভিযোগ আছে। বিশেষকৈ গোৱাল-

পাৰ জিলাত সামাজিক শিক্ষাৰ ক্ষেত্ৰত কেৱল লাখ লাখ টকা খৰচ কৰা হৈছে অথচ এনেকুৱা আচৰিত ঘটনা পৰ্য্যন্ত আছে যে শিক্ষক আৰু ছাত্ৰৰ মাজত জীৱনত দেখাদেখিয়েই হোৱা নাই। অথচ স্কুল চলি আছে। হাজাৰ হাজাৰ টকা খৰচ হৈ আছে।

( সময়ৰ সংকেত )

Mr. Deputy Speaker :— I request the hon: Member to try to conclude now because he has exceeded his time.

শ্ৰীনজমুল হক :— আৰু দুই মিনিট সময় দিয়ক। অসমৰ আন এটা ডাঙৰ সমস্যা হৈছে বহিৰাগতৰ সমস্যা। বহুত মাননীয় সদস্যই অনুপ্ৰবেশৰ সমস্যাটোৰ বিষয়ে কৈ গৈছে। এইটো জুলুম অসমৰ ভিতৰতে গোৱালপাৰা জিলাত আটাইতকৈ বেছি। বিদেশী নাগৰিকৰ বা বাংলা দেশী লোক আমাৰ ইয়াৰ পৰা বহিস্কাৰ কৰাৰ ক্ষেত্ৰত কিছুমান গুৰুত্বৰ অভিযোগ উঠিছে চৰকাৰৰ ফালৰ পৰা আজিলৈকে কোনো নিৰ্দ্দিষ্ট নিয়ম বান্ধি দিয়া হোৱা নাই। ইয়াৰ ফলত পুলিচৰ জোৰ-জুলুমকে ধৰি নানান অসুবিধাই গা কৰি উঠিব পাৰিছে। ইয়াৰ ফলত বহুত দুষ্ট প্ৰকৃতিৰ পুলিচ বিষয়াই টকা পইচা ঘটা আৰু নানান কাৰবাৰ কৰাৰ সুবিধা পাইছে।

( সময় সংকেত )

উপাধ্যক্ষ মহোদয়, আৰু এটা বিষয় কৈ শেষ কৰিছো। বহুত অসুবিধাই আমাৰ ৰাজ্যত আছে। নতুন চৰকাৰ অহাৰ

পিচত এটা বিৰাট পৰিবৰ্ত্তনৰ আশা কৰা হৈছিল কিন্তু হোৱা নাই। শৰত্ত সিংহ ডাঙৰীয়াৰ সময়ত কণ্ট্ৰোল ৰেটত যি ভাৱে দুৰ্নীতিৰ ৰাজত্ব চলা অৰাম্ভ কৰিছিল সেই ব্যৱস্থাই এটিয়াও বৰ্ত্তি আছে। গতিকে যি ভাবেই হওক কমিশ্যন আদি নিয়োগ কৰি কেনেকৈ অফিচৰ পৰা এই দুনীতি আঁতৰ কৰিব পাৰি তাৰ কাৰণে অনতিবিলম্বে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইয়াতেই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

শ্ৰীকুল বাহাদুৰ চেত্ৰী ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীআলটাফ হুচেইন মজুমদাৰ ডাঙৰীয়াই অনা ধন্যবাদ সূচক প্ৰস্তাৱটো সমৰ্থন কৰি কেইষাৰ মান কথা কোৱাৰ ইচ্ছা কৰিছোঁ। ৰাজ্যপালৰ ভাষণত যোৱা পাচ তাৰিখৰ নগা সীমান্তত ঘটা ঘটনাৰ উল্লেখ কৰি সকলোৱে মৰ্ম্মান্তিক হোৱা বুলি কোৱা হৈছে। এই ঘটনা সঁচাকৈয়ে দুৰ্ভ্যাগ্যৰ কথা। কিন্তু কথা হ'ল এই সীমান্তৰ ঘটনা আজিৰ ঘটনা নহয় বা অকল নগাল্যাণ্ড সীমান্তৰ ঘটনাই নহয়। সীমান্ত অঞ্চলত সীমাৰেখা সুস্থিৰ নকৰা কাৰণে সীমা বিবাদ আৰু বহু ঠাইত চলি আছে। এইটো আগৰ চৰকাৰে সীমা স্থিৰ নকৰাৰ কাৰণেই হব পাৰিছে। দিহিং নদীৰ ওচৰৰ মাছমৰীয়ালোক কিছুমানেও আপত্তি দৰ্শাইছে যে অৰুণাচলৰ নামচাং অঞ্চলৰ লোকে বিবাদ ঘটাইছে। নামচাং, জয়পুৰ আৰু মাৰ্ঘেৰিটাৰ মাজৰ ঠাই। সেই-বিলাক ঠাইতো অৰুণাচল আৰু অসমৰ মাজত সীমা বিবাদ এতিয়াও নিষ্পত্তি হোৱা নাই। আমি আশা ৰাখিছো যে সেই বিলাক ঠাইৰ সীমা বিবাদ এক বুজাবুজিৰ মাজেৰে নিষ্পত্তি হব।

ৰাজ্যপালৰ ভাষণত শিক্ষাৰ কথা উল্লেখ কৰ হৈছে। আমি আশা ৰাখিছোঁ যে স্বাধীনতাৰ একত্রিশ বছৰৰ পিচতো যি বিলাক ঠাইত আগৰ চৰকাৰৰ দিনত শিক্ষাৰ পোহৰ নপৰিল সেইবিলাক ঠাইত স্কুল গঢ়ি উঠিব আৰু জনতা চৰকাৰৰ আমোলত সেইবিলাক ঠাইত থকা জনসাধাৰণৰ সুখ দুখৰ সুন্দৰ ভাৱে প্রতিফলিত হব পৰা অৱস্থাৰ সৃষ্টি হব। শিক্ষাৰ পোহৰ নপৰাৰ কাৰণেই সেই বিলাক ঠাইৰ লোক সকল ঠগ খাই আছে। ইয়াৰ উদাহৰণ নকলেও হব। ভিতৰুৱা ঠাইলৈ যি সকলৰ ঘোৰাৰ অভিজ্ঞতা আছে সেই সকলে নিজেই বুজিব পাৰিব। কেৱল স্কুল কলেজৰ শিক্ষাই যদি চহৰ অঞ্চলকে সাঙুৰি লয় তেতিয়াহলে শতকৰা নব্বৈ ভাগ লোক বাস কৰা গাওঁ অঞ্চলৰ লোক সকল অজ্ঞান আন্ধাৰত ডুব গৈ থাকিব। আমি আশা ৰাখিছো জনতা চৰকাৰৰ সময়ত অন্ততঃ গাওঁ অঞ্চল বিলাকলৈ শিক্ষাৰ পোহৰ সাম্প্রসাৰিত হব। আমি আঁচনি লওঁতেও গাওঁ অঞ্চলৰ কথাকে বেছি পৰিমাণে লক্ষ্য ৰাখিব লাগিব। সুখৰ বিষয় যে বৰ্ত্তমান জনতা চৰকাৰৰ আঁচনি সমূহ গাওঁমুখী হৈছে। ই এটা শুভ লক্ষণ। এই কথাটোও ৰাজ্যপালৰ ভাষণত প্ৰকাশ হৈছে।

অসমত ২৩ হেজাৰতকৈ বেচি গাওঁ আছে। আমাৰ অন্যান্য প্রদেশৰ তুলনাত অসমত বিজুলী শক্তি সৰবৰাহৰ পৰিমাণ নিচেই কম; অতি নগন্য। ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হৈছে যে এই বছৰ আৰু অহা বছৰৰ ভিতৰত বহু কেইখন গাৱঁত বিজুলী শক্তি সৰবৰাহ কৰা হব। আমি আশা ৰাখিছো ষষ্ঠ পৰিকল্পনাৰ ভিতৰত গাওঁ অঞ্চলৰ বাইজে বিশেষকৈ খেতিয়ক ৰাইজে বিজুলী শক্তি যোগানৰ দ্বাৰা উপকৃত হব। আমাৰ বাৰ্ষিক পৰিকল্পনাত ৭৯-৮০ চনত ১৫৫ কোটি টকা ধৰা হৈছে। এইটো

এটা শুভ লক্ষণ। আমাৰ যিবিলাক পিচপৰা ঠাই আছে য'ত নেকি কোনো ধৰণৰ উন্নতি হোৱা নাই ......................

Mr. Deputy Speaker :— Order, order, the hon'ble Member will resume his speech on the next Government business day. Now, the House stands adjourned till 10 a. m. tomorrow, the 27th Feby/79.

## ADJOURNMENT

The House then rose at 5 p. m. and stood adjourned till 10 A. M. on Tuesday, 27th February, 1979.

DISPUR : P. D. BARUA,

The 26th February, 1979 Secretary,

Assam Legislative Assambly